১৯৭৬-৭৭

# জৰাহৰ জ্যোতি



সম্পাদক

হংসধৰ দৈমাৰী

# জৱাহৰ-জ্যোতি

## বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ আলোচনী

॥ বছৰেকীয়া প্ৰকাশ ॥

তৃতীয় সংখ্যা

॥ ইং ১৯৭৬-৭৭ ॥

সম্পাদক

হংসধৰ দৈমাৰী

## —ঃসম্পাদনা সমিতিঃ—

অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ—সভাপতি
বসন্ত দত্ত—উপ-সভাপতি
মৃগেন শৰ্মা—ভাৰপ্ৰাপ্ত প্ৰৱক্তা
মদন কাকতি—প্ৰৱক্তা
দ্বিজেন দাস—প্ৰৱক্তা
দিলীপ দাস—প্ৰৱক্তা
হংসধৰ দৈমাৰী—আলোচনী সম্পাদক
পৱিত্ৰ ঠাকুৰীয়া—সদস্য

## বেটুপাত শিল্পী—

চিত্ৰমোহন কলিতা


## মুদ্ৰণত—

শ্ৰীকৃষ্ণ প্ৰিন্টিং প্ৰেছ, বকো

# শ্ৰদ্ধাঞ্জলি

## স্বৰ্গগত ফখৰুদ্দিন আলি আহমেদৰ স্মৃতিত—

ভাৰতৰ ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহমেদৰ আকস্মিক মৃত্যুত অসমে হেৰুৱালে এজন প্ৰকৃত হিতাকাঙ্ক্ষীক, ভাৰতে হেৰুৱালে এজন সুদক্ষ ৰাজনীতিবিদ্ আৰু শিক্ষাবিদ্, আৰু বিশ্বই হেৰুৱালে এজন আদৰ্শবান পুৰুষক। তেখেত আছিল ধৰ্মনিৰপেক্ষতাৰ প্ৰতীক। তেখেতৰ নশ্বৰ দেহৰ বিনাশ হলেও, তেখেত অমৰ। তেখেতৰ স্বৰ্গগত আত্মাই শান্তি লাভ কৰক— এয়ে আমাৰ প্ৰাৰ্থনা।

# ৺হেম বৰুৱাৰ স্মৃতিত

যিজন ভাৰতীয় সনাতন সংস্কৃতিৰ একনিষ্ঠ পূজাৰীয়ে নিজস্ব ৰচনাশৈলীৰে অসমীয়া ভাষা-সাহিত্যৰ সেৱা কবি গ'ল,— যিজনে বলিষ্ঠ ৰাজনীতিৰে দিল্লীৰ সদন কঁপাই গ'ল— সেইজন হ'ল অসম সাহত্যি সভাৰ সভাপতি অধ্যক্ষ হেমবৰুৱাদেৱ। জীৱনৰ জীয়া ৰঙেৰে বোলোৱা ভৱিষ্যতৰ অগণন জনতাৰ হৃদয়ৰ গভীৰতম অংশত ৰব এই মহামানৱৰ স্মৃতি সৌধ। তেওঁৰ জীৱন দৰ্শন হব আমাৰ জীৱন যাত্ৰাৰ প্ৰেৰণা। তেখেতৰ স্বৰ্গগত আত্মাই শান্তি লাভ কৰক।

# ৺ৰাধাগোবিন্দ বৰুৱাৰ স্মৃতিত

অসমৰ কলা, ক্ৰীড়া, সংস্কৃতি আৰু সমাজ জীৱনৰ কামত একনিষ্ঠ সেৱা আৰু বলিষ্ঠ নেতৃত্ব আগবঢ়োৱা— "আৰ, জিৰ" মৃত্যুত দেশে এজন কৰ্ম-যোগী আৰু সু-সংগঠকক হেৰুৱালে। তেখেত আছিল অসমৰ সাংবাদিকতা আৰু ক্ৰীড়া জগতৰ জনক। তেখেতৰ স্বৰ্গগত আত্মাই চিৰশান্তি লাভ কৰক।

## *MESSAGE*

Raj Bhavan Punjab,
Chandigarh.
May 19, 1977.

*Dear Shri Daimary,*

*The Governor of Punjab is glad to know from your letter of 16th May, 1977, that the students of Jawaharlal Nehru College, Boko, are going to bring out the third issue of their College magazine "Jawahar Jyoti" very soon.*

*The Governor sends his best wishes for the success of the publication of the magazine.*

*With kind regards.*

*Yours sincerely,*
*( R. Malakar )*
*Private Secretary to Governor,*
*Punjab.*

Shri H. Daimary,
Editor, Jawahar Jyoti,
Jawaharlal Nehru College
P. O. Boko,
Dist. Kamrup ( Assam )

## —'জৱাহৰ জ্যোতি'ৰ এই সংখ্যাৰ নিবেদন—

**প্ৰবন্ধ :**


| | | পৃষ্ঠা |
|---|---|---|
| মাধৱদেৱৰ নাটত শিশুকৃষ্ণ | অনিলকুমাৰ ৰাভা | ১ |
| বেজবৰুৱাদেৱৰ অসমীয়া সাহিত্যলৈ অৱদান | ৰবিশংকৰ দৈমাৰী | ১৭ |
| গণশিল্পী প'ল ৰবছন | ভাৰত চৌধুৰী | ৩৭ |
| ক্ৰিকেটৰ নতুন সূৰ্য চোবাৰ্চ | খনীন্দ্ৰ মহন্ত | ৪০ |
| চিলি কবি পেব্ৰ' নেৰুডা | পুৰুষোত্তম ছাহা | ৩২ |
| লোকায়ত দৰ্শন | বনমালী দাস | ২৯ |
| সিন্ধু সভ্যতাৰ প্ৰসংগত | দ্বিজেন দাস | ৫ |


**গল্প :**


| | | |
|---|---|---|
| কৃষ্ণচূড়াৰ হাঁহি | দিলীপ দাস | ১০ |


**কবিতা :**


| | | |
|---|---|---|
| তৃষ্ণাৰ্ত | প্ৰদীপ দাস | ২৪ |
| প্ৰস্তুতি | উপেন্দ্ৰ ৰাভা | ২৪ |
| অনুভূতি | ভবেন বসুমতাৰী | ২৫ |
| নতুন প্ৰভাত | দধীমোহন মজুমদাৰ | ২৩ |
| জুই | ভবানী প্ৰসাদ দাস | ২৫ |
| স্বগত | বসন্ত দত্ত | ২৬ |
| গ্ৰীষ্মোত্তাপ | হংসধৰ দৈমাৰী | ২৭ |
| সেই সুৰ | কামিনীমোহন শৰ্মা | ২৭ |
| জৱাহৰ জ্যোতি | জাহানাৰা বেগম | ২৮ |
| দুটি কবিতা | নিজৰা দাস | ২৮ |


সিপিঠিত

গীত (১) ভাবত চৌধুৰী ৩৫
গীত (২) " " ৩৫
গীত নগেন কলিতা ৩৬
প্ৰতিবেদন সমূহ ৪৩
সম্পাদকীয় ৫৪
Working Report (Sept. '76 – Sept.'77) Principal J. C. Nath. ৫৬
ল'ৰাৰ খেল-ধেমালি প্ৰতিযোগিতাৰ ফল
ছোৱালীৰ খেল-ধেমালিৰ প্ৰতিযোগিতাৰ ফল
সাংস্কৃতিক প্ৰতিযোগিতাৰ ফল

Appendix

Members On The Teaching Staff
The Office Staff

)=(

# মাধৱদেৱৰ নাটত শিশুকৃষ্ণ

শ্ৰীঅনিল কুমাৰ বাভা
১ম বাৰ্ষিক স্নাতক।

অন্যান্য বৈষ্ণৱ সাহিত্যৰ লগতে নাট্য সাহিত্যৰো জন্ম হয় খৃষ্টীয় পঞ্চদশ শতিকাত মহাপুৰুষ শ্ৰীশঙ্কৰ দেৱৰ হাতত। অসমীয়া নাট্য সাহিত্যৰ জন্মদাতা শঙ্কৰদেৱে নাট ৰচনা কৰি বৈষ্ণৱ সাহিত্যৰ পৰিসৰ বৃদ্ধি কৰে। তেওঁৰ প্ৰিয় শিষ্য মহাপুৰুষ মাধৱদেৱেও নাট ৰচনা কৰি অসমীয়া সাহিত্যকাননৰ সৌন্দৰ্য বৃদ্ধি কৰে।

শঙ্কৰদেৱ আৰু মাধৱদেৱৰ নাট সমূহৰ মূল উদ্দেশ্য কৃষ্ণৰ মহিমা প্ৰদৰ্শন আৰু বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ আছিল যদিও, দুয়োজনা মহাপুৰুষৰ নাটৰ ৰচনা ৰীতি, বিষয়বস্তু, পৰিবেশ, চৰিত্ৰাঙ্কন আদিৰ ক্ষেত্ৰত পাৰ্থক্য দেখা যায়। দুয়োজনা নাট্যকাৰৰে নাটৰ মূল চৰিত্ৰ হ'ল ভগৱান শ্ৰীকৃষ্ণ। দুয়োজনা মহাপুৰুষৰ নাটৰ নায়ক ভগৱান শ্ৰীকৃষ্ণ হলেও, শ্ৰীকৃষ্ণৰ চৰিত্ৰাঙ্কনৰ ক্ষেত্ৰত পাৰ্থক্য আছে। শঙ্কৰদেৱে তেওঁৰ নাটত শ্ৰীকৃষ্ণৰ চৰিত্ৰ যি ৰূপত চিত্ৰিত কৰিছে, মাধৱদেৱে তাক কৰা নাই। মাধৱদেৱৰ নাটৰ শ্ৰীকৃষ্ণৰ ৰূপ বেলেগ। শঙ্কৰদেৱৰ নাটৰ শ্ৰীকৃষ্ণ কোনো কোনো ক্ষেত্ৰত যুৱক, কোনো ক্ষেত্ৰত পিতৃ, কোনো ক্ষেত্ৰত সপত্নীদ্বেষৰ মাজত জুৰুলা হোৱা স্বামী, কেতিয়াবা যমুনাৰ বালিত শৰৎকালৰ পূৰ্ণিমাৰ ৰাসক্ৰীড়াত বিভোৰ গোপিনীপ্ৰাণ কৃষ্ণ আদি। এই বোৰৰ যোগেদি শ্ৰীকৃষ্ণৰ অতিমানবীয় গুণপ্ৰকাশ পাইছে। মাধৱদেৱৰ নাটৰ কৃষ্ণৰূপ হ'ল 'শিশুৰূপ'।

মাধৱদেৱে শিশুকৃষ্ণক প্ৰাধান্য দি, শিশুৰ মনস্তাত্বিক বিশ্লেষণ কৰি, বাৎসল্য প্ৰেমেৰে ভক্তিভাৱ প্ৰদৰ্শন কৰিছে। শিশুৰ মাত-কথা কাৰ্য-কলাপ আদিত দৰ্শকে আনন্দ পায়। সেইবাবে মাধৱদেৱে বোধকৰোঁ গুৰু শঙ্কৰদেৱৰ কৃষ্ণ চৰিত্ৰৰ পৰা ফালৰি কাটি আহি শিশু কৃষ্ণক তেওঁৰ নাটত সৰ্বশ্ৰেষ্ঠ আসন প্ৰদান কৰিলে।

মানৱ-বেশ লৈ ভগৱান শ্ৰীকৃষ্ণই কেনেকৈ যশোদাৰ মাৰ-ধৰ আৰু মৰম-চেনেহৰ মাজত প্ৰতিপালিত হৈছিল, গোপ-শিশু সকলৰ লগত কেনেকৈ বৃন্দাবনত গৰু চাৰিছিল, দুষ্টামিৰ কাৰণে কেনেকৈ গোপীসকলৰ গালি-গালাজ খাব লগা হৈছিল আদি কথাকে বিষয় বস্তু হিচাপে গ্ৰহন কৰি মাধৱদেৱে তেওঁৰ নাট কেইখন ৰচনা কৰে। তেওঁৰ নাটত ডেকা কৃষ্ণই গোপিনী সকলক লৈ যমুনাৰ পাৰত বংশীধ্বনি কৰা দেখা নাযায় বা বিৰহিনী ৰাধাৰ বিৰহ-বেদনাৰ প্ৰতিধ্বনিও শুনিবলৈ পোৱা নাযায়। তেওঁৰ নাট সমূহত দেখা দিয়া কৃষ্ণ হ'ল চিৰশিশু। চিৰদিনেই তেওঁ মাক যশোদাৰ আলাসৰ লাড়ু-কোলাৰ কেঁচুৱা। শিশুকৃষ্ণৰ চৰিত্ৰ তেওঁৰ নাট সমূহত প্ৰাধান্য লাভ কৰিছে।

মাধৱদেৱে শিশুকৃষ্ণক প্ৰাধান্য দিয়াৰ আন

এটি কাৰণ হ'ল, তেওঁৰ চিৰকৌমাৰ্যব্ৰত। চিৰকৌমাৰ্যব্ৰত অৱলম্বন কৰা হেতু আদি বা শৃঙ্গাৰ ৰসৰ প্ৰতি তেওঁৰ মন আকৃষ্ট নহ'ল। বাৎসল্য ভাৱ প্ৰদৰ্শন কৰাৰ লগতে মহাপুৰুষে দাস্যভাবৰো প্ৰকাশ কৰিছে। দাস্যভাৱৰ প্ৰাধান্য লক্ষ্য কৰা যায় মহাপুৰুষৰ স্বৰচিত গ্ৰন্থ "নামঘোষাত"।

ভাৰতবৰ্ষৰ বিভিন্ন সাহিত্যত, আনকি অসমীয়া বৈষ্ণৱ সাহিত্যতো শিশুকৃষ্ণৰ বৰ্ণনা পোৱা যায়। বৈষ্ণৱ সাহিত্যত মহাপুৰুষ দুজনাৰ বাহিৰেও শ্ৰীধৰ কন্দলীয়ে শিশু কৃষ্ণৰ চৰিত্ৰ বিশ্লেষণ কৰিছে। তাৰ জ্বলন্ত উদাহৰণ 'কানখোৱা'। শ্ৰীধৰ কন্দলীয়ে কৌতূহল আৰু কৃত্ৰিমতাৰে "কাণখোৱা"ত শিশুকৃষ্ণৰ চৰিত্ৰ অঙ্কন কৰি ঈশ্বৰত্ব আৰু শিশুত্ব ফুটাই তুলিছে। বঙালী সাহিত্যতো শিশুকৃষ্ণৰ বৰ্ণনা পোৱা যায় বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'ডাকঘৰ' নাটত। তদুপৰি সুপ্ৰসিদ্ধ কবি সুৰদাসৰ ৰচনাতো কৃষ্ণৰ শিশুচৰিত্ৰৰ বৰ্ণনা পোৱা যায়। সুৰদাসৰ শিশুকৃষ্ণই ওজৰ-আপত্তি কৰে যদিও মাকৰ সন্নিধানত সন্তুষ্টি লাভ কৰে। সুৰদাসৰ কৃষ্ণ সম্পূৰ্ণ মাতৃ-নিৰ্ভৰশীল শিশু। কিন্তু মাধৱদেৱৰ শিশু-কৃষ্ণ মাকৰ সন্নিধানত সন্তুষ্টি লাভ কৰা বিধৰ নহয়। মুহূৰ্তৰ ভিতৰতে নতুন বুদ্ধি উলিয়াই সকলোকে আচৰিত কৰিব পৰা আৰু সকলোৰে মাত বন্ধ কৰি দিব পৰা ক্ষমতা মাধৱদেৱৰ শিশু-কৃষ্ণৰ অন্তৰালত নিহিত হৈ আছে। মাধৱদেৱৰ নাটসমূহ বিশ্লেষণ কৰিলে ইয়াকে পোৱা যায়। তদুপৰি সুৰদাসৰ কৃষ্ণ সাধাৰণ শিশু। কিন্তু মাধৱদেৱৰ কৃষ্ণ-চৰিত্ৰৰ অলৌকিকত্ব ঠায়ে ঠায়ে বিদ্যমান। তেওঁৰ কৃষ্ণই মাজে মাজে নিজৰ অলৌকিক শক্তিৰ বিষয়ে কৈছে—"হামু কোটি ব্ৰহ্মাণ্ডৰ নায়ক ঃ ব্ৰহ্মাদি দেৱৰ দেৱতা।"

মহাপুৰুষ মাধৱদেৱে কেৱল বাৎসল্য ৰস সৃষ্টিতেই বেছি গুৰুত্ব দিয়া বাবে, তেওঁৰ ৰচিত বৰগীত আৰু নাট সমূহত শ্ৰীকৃষ্ণৰ শিশুসুলভ প্ৰেম, অভিমান, আমনি, দুষ্টালি, উদ্ভণ্ডালি, চতুৰালি আদি গুণ প্ৰকাশ পাইছে। বৰগীত আৰু নাটসমূহ বিশ্লেষণ কৰি চালে দেখা যায়, মহাপুৰুষে জনসাধাৰণৰ অন্তৰত ভক্তিভাৱ প্ৰগাঢ় কৰিবৰ কাৰণে বাৎসল্য ভাৱক প্ৰাথমিক ধাৰা হিচাপে প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিছে। মাধৱদেৱৰ শিশুকৃষ্ণ সাধাৰণ মানৱ শিশু হলেও ভক্তৰ ক্ষেত্ৰত তেওঁ মানৱৰূপী ভগৱান। সাধাৰণ মানৱ শিশুৰ কাৰ্য্যাৱলী কৃষ্ণৰ ওপৰত আৰোপ কৰিছে যদিও, মহাপুৰুষে বাৰে বাৰে কৃষ্ণৰ ঐশ্বৰিক দিশটোক দৰ্শকক প্ৰদৰ্শন কৰিবলৈ পাহৰা নাই। প্ৰত্যেকখন নাটতে এই সকিয়নি অনুভৱ কৰা যায়। সেয়ে মাধৱদেৱৰ নাট সমূহত শিশুকৃষ্ণৰ দুমুখীয়া ব্যক্তিত্ব প্ৰকাশ পাইছে। এফালে মানৱ-শিশুৰ কাৰ্য-কলাপ আৰু আনফালে সেই শিশুৰ অন্তৰালত লুকাই থকা ভগৱান শ্ৰীকৃষ্ণৰ অলৌকিক শক্তি আৰু পৰম-পুৰুষত্ব। শিশুকৃষ্ণৰ এই দুমুখীয়া ব্যক্তিত্বৰ কথা মাধৱদেৱে "চোৰধৰা"ৰ এফাঁকি পদৰ মাজেদি ব্যক্ত কৰিছে——

"যো হৰি এতিনি ভুৱন অধিকাৰী।
গোকুল মহ সোহি লৱণু ভিখাৰী॥"

কৃষ্ণ চৰিত্ৰৰ মানৱীয় দিশটো মাধৱদেৱৰ নাট

সমূহত বেছি আকৰ্ষণীয় আৰু জীৱন্ত হৈ উঠিছে। স্বভাৱতে শিশু লুভীয়া। লোভ সামৰিব নোৱাৰি শিশুৱে খোৱা বস্তু মনে মনে চুৰ কৰে আৰু ইয়াৰ বাবে আনৰ পৰা গালি বা মাৰধৰ পালেও খোৱাৰ কথা নেপাহৰে। প্ৰয়োজন হলে খোৱাৰ বাবে শিশুই কাম কৰিবলৈকো কুণ্ঠিত নহয়। শিশুৰ এই চিৰন্তন স্বভাৱ মাধৱদেৱে তেওঁৰ নাট সমূহত কৃষ্ণৰ চৰিত্ৰৰ যোগেদি বৰ স্বাভাবিক ভাৱে দেখুৱাইছে। 'অৰ্জ্জুন ভঞ্জন' নাটত কৃষ্ণই নিজে ঈশ্বৰত্ব প্ৰকাশ কৰিছে যদিও তাত কৃষ্ণ চৰিত্ৰৰ ঐশ্বৰিক দিশটোতকৈ মানৱীয় দিশটোহে বিশেষভাৱে আকৰ্ষণীয় হৈ পৰিছে। 'অৰ্জ্জুন ভঞ্জনত' যশোদাই নিজে দধি মথিব ধৰিছে এনেতে কৃষ্ণই ক'ৰবাৰ পৰা লৰি আহি মথনি দণ্ডত ধৰিলে। যশোদাই কৃষ্ণৰ মনৰ বেদনা জানিব পাৰি মথনি দণ্ড ত্যাগ কৰি, কৃষ্ণক কোলাত লৈ স্তন পান কৰাব ধৰিলে। তেনে সময়তে আখাৰ গাখীৰ উতলি পৰাৰ উপক্ৰম হোৱা বাবে, কৃষ্ণক কোলাৰ পৰা নমাই থৈ গাখীৰ নমাবলৈ যায়। স্তন পান কৰিবলৈ নাপাই খঙত অগ্নিশৰ্মা হৈ কৃষ্ণই শিলগুটিৰে দধিভাণ্ড ভাঙি পেলালে আৰু লৱণুৰ বোৰ সিচঁৰি পেলাই দিলে। ঘৰৰ ভিতৰত সোমাই লৱণু নিজেও খালে আৰু বান্দৰকো ভগাই দিলে। গাখীৰ নমাই আহি কৃষ্ণৰ কাৰ্য দেখি যশোদাই হাতত এচাৰি লৈ কৃষ্ণক খেদি গ'ল। মাকক খেদি যোৱা দেখি কৃষ্ণই দিলে দৌৰ। যশোদাই কৃষ্ণৰ পিছে পিছে খেদি গ'ল; কিন্তু কৃষ্ণক লগ নাপালে। অৱশেষত মাকৰ দুখ দেখি কৃষ্ণই নিজে বন্ধন ললে।

'চোৰধৰা' নাটত গোৱালিনীৰ ঘৰত লৱণু চুৰ কৰি খাই কৃষ্ণ ধৰা পৰিল। কিন্তু বাল-কৃষ্ণই চতুৰালি কৰি শেষত গোৱালীসকলৰ মুখত মাখন সানি ওলোটাকৈহে চোৰ সাব্যস্ত কৰিলে। "শ্ৰীকৃষ্ণ আপোন হাতে লবণু গোপীক মুখে মাখিয়ে বলত, "আহে গোপীসব : দেখু দেখুঃ আৱৰ সাখিত কমন প্ৰয়োজন; উনিকৰ মুখহি সাক্ষি।"

'পিম্পৰা গুচোৱা' নাটত কৃষ্ণৰ দুষ্টালি আৰু উপস্থিত বুদ্ধিৰ পৰিচয় পোৱা যায়। কৃষ্ণই গোৱালিনীৰ ঘৰত গাখীৰ চুৰ কৰি খাই ধৰা পৰিল। গোৱালিনীয়ে যেতিয়া সুধিলে- "তুই কোন ?" কৃষ্ণই উত্তৰ দিলে— 'হামো বলভদ্ৰক কনিষ্ঠ ভাই।" কৃষ্ণই গোৱালিনীৰ আগত নিজৰ নাম নকৈ বলাইৰ কনিষ্ঠ বুলি পৰিচয় দি নিজক ৰক্ষা কৰা আৰু গোৱালিনীক ভয় খুৱোৱাৰ এক চতুৰ প্ৰচেষ্টা উত্তৰটোৰ অন্ত-ৰালত লুকাই আছে। কিয়নো সেই সময়ত বলাইৰ বিক্ৰম সকলোৱে বিদিত আছিল। তদুপৰি ঘৰত সোমোৱা, লৱণু কলহত হাত দিয়া আৰু ল'ৰা জগোৱাৰ উত্তৰ দিলে ক্ৰমে 'পথ বিস্মৰণ হুয়ে হামাৰ মন্দিৰ বুলি আৱলো,' ওহি পিপীলিকা সব লৱণু নাশ কয়ল।' আৰু ইহাক দূৰ কৰিতে হাত দিয়া হামাৰ এক বাচৰু নাহি পাৰত। তাহেক পুছিতে আহি বালাকো জগাৱলো।' বুলি এটা এটা কৰি কেইবা-টাও প্ৰশ্ন কৰি কৃষ্ণৰ পৰা প্ৰকৃত উত্তৰ উলিয়াব নোৱাৰি অৱশেষত গোৱালিনীয়ে প্ৰত্যক্ষভাৱে কবলৈ বাধ্য হ'ল। গোপী বল— "আহে কানাই ! তোহো বড়ি নাগৰ, হামাৰ সব লৱণু খাই ঝুটা বাত কহৈছ। যব তুহু লৱণু

নাহি খাৱল তব বচন বোলিতে তোহাৰি বদন হন্তে কৈসে লৱণুক বাজ হোই।” কৃষ্ণও পৰিমৰা বিধৰ নহয়। যেনে কুকুৰ তেনে টাঙোন দিয়াৰ উক্তি কৃষ্ণৰ ওৰ পৰা নাই।

“কানু বোলে শুন অৰে গোপী নিদাৰুণী।
তোহাৰ মুখৰ গোন্ধ তইসে চুৰণী॥”

“হে গোৱাৰী, তহু বৰ দাৰুণ হৃদয়, আপুন জিহ্বা ৰাখিতে নপাৰি আপুন গৃহে লৱণু খাৱলি। অব ভাতাৰক ভয়ে হামাক অপযশ দেৱস। হামাৰ গৃহে লৱণুকে পুছত? গোৱালিনীৰ মুখ বন্ধ হ’ল।

মাধৱদেৱৰ ‘ভূমি লোটোৱা’ আৰু ‘ভজন বিহাৰ’ নাটতো শিশু কৃষ্ণৰ লগৰীয়া সকলৰ লগত কৰা ফুৰ্তি-তামাচা ইত্যাদিৰ চিত্ৰ অঙ্কিত হৈছে। ‘ভূমি লোটোৱা’ নাটত ‘চোৰধৰা,’ ‘পিম্পৰা গুচোৱা’ আদি নাটৰ দৰেই কৃষ্ণৰ চৌৰ্য-চাতুৰী প্ৰকাশ পাইছে। ‘ভূমি লোটোৱা’ নাটত কৃষ্ণই নিজে লৱণু খাই অন্ত কৰি. কোনোবাই লৱণু চুৰ কৰি নি খালে বুলি মাটিত বাগৰি কান্দি কান্দি মাক যশোদাৰ পৰা পুনৰ লৱণু আদায় কৰিছে—

“ভূমি লুটিয়া কান্দে গোপীনাথ ভাণ্ডিতে মাৱৰে—
চুৰি কৰিয়া কীৰ লৱণু খায়া খালি ঘুৰে॥
কেবা নিয়া খাইল মোৰে এ নব লৱনী।
এহি বুলি হুমাহুমি কান্দে যত্নমণি॥

মাকে মাখন দিয়াতহে কৃষ্ণৰ কান্দোন বন্ধ হ’ল।

এইদৰে মাধৱদেৱে তেওঁৰ নাট সমূহত শিশু কৃষ্ণৰ মান-অভিমান, চৌৰ্য-চাতুৰী, ফাকি-দুষ্টালি, আদিৰ যোগেদি শিশুৰ স্বাভাবিক চৰিত্ৰকে দাঙি ধৰিছে।

আনফালে, কৃষ্ণৰ অলৌকিকতাও মাধৱদেৱে তেওঁৰ নাট সমূহত প্ৰকাশ নকৰাকৈ থকা নাই। শিশু কৃষ্ণৰ ঐশ্বৰিক শক্তি তেওঁৰ নাটৰ মাজে মাজে দিয়া গীত, সূত্ৰধাৰৰ কথা আৰু কৃষ্ণ যশোদাৰ উক্তিৰ মাজেদি প্ৰকাশ পাইছে। ‘অৰ্জুন-ভঞ্জন’ নাটত- যশোদাই কৃষ্ণক ঘৰত থকা আটাইবোৰ ৰচীৰে বান্ধিবলৈ চেষ্টা কৰিও কেৱল দুই আঙুল চুটি হোৱাৰ কাৰণে বান্ধিব নোৱাৰিলে। যশোদা ভাগৰি পৰিল। কৃষ্ণই তেতিয়া কয়. “শুবহো হামাক নাহি জানলঃ হামু ভব আপুনে বন্ধন নাহি লেহো তব কি হামাক বান্ধিতে পাৰবঃ হামু ভকত বৎসল গুণে ভকতক অধিন; হামাৰি ভকতা জননীক মন পুৰণ কৰোহো।” কৃষ্ণই অৱশেষত যেনিবা বান্ধ ললে। কিন্তু বন্ধন-অৱস্থাতে যঁজা অৰ্জুন গছ জোপা কৃষ্ণই উভালি পেলালে। কৃষ্ণৰ এই কাৰ্যত অলৌকিকতা বিদ্যমান।

মাধৱদেৱে তেওঁৰ নাট সমূহত শিশুকৃষ্ণৰ চৰিত্ৰত দেখুওৱা ঐশ্বৰিক দিশটো সৰ্বশক্তিমান আৰু ভক্তৰ অধীন ভগৱান পুৰুষৰ অলৌকিক শক্তিৰ লগতে ভক্তৰ প্ৰতি থকা কৰুণাও প্ৰকাশ নোপোৱাকৈ থকা নাই। সাধাৰণ শিশুৰ দৰে আচৰণ দেখুৱাই পুত্ৰ হিচাপে নন্দ-যশোদাক আৰু লগৰীয়া হিচাপে শিশুসকলক ধৰা দি তেওঁ ভক্তৰ প্ৰতি থকা কৰুণাকে দেখুৱাইছে। নাট্যকাৰৰ ভাষাত তেওঁ প্ৰকৃততে “পৰম ঈশ্বৰ পুৰুষোত্তম ত্ৰিগুণ নিয়ন্তা,” কেৱল “জীৱক তৰণ

নিমিত্তে আপুনি সাক্ষাতে বেকত হুয়া কপট মনুষ্য চেষ্টা দেখায়া বিবিধ লীলা বিস্তাৰ” কৰে। শিশুৰ চিৰন্তন ৰূপ কৃষ্ণৰ চৰিত্ৰৰ যোগেদি প্ৰকাশ কৰাৰ উপৰিও মাধৱদেৱে তেওঁৰ নাটত কৃষ্ণ যে ত্ৰিভুবনৰ অধিকাৰী, কোটি ব্ৰহ্মাণ্ডৰ ঈশ্বৰ সেই কথাও কৰলৈ পাহৰা নাই।

×××

# সিন্ধু সভ্যতাৰ প্ৰসংগত

দ্বিজেন দাস

ভাৰতীয় চিন্তাধাৰা পৰলোকমুখী। বাস্তৱ ইহলোকৰ সমস্যাক চালিজাৰি বিশ্লেষণ কৰি সমাধানৰ পথ উদ্ভাৱন কৰাৰ পৰিবৰ্তে অলীক স্বৰ্গ ৰাজ্য লাভ কৰাই জীৱনৰ অন্তিম লক্ষ্য হিচাবে ধৰি লয়। আমাৰ প্ৰাচীন শাস্ত্ৰ সমূহৰ এই দৃষ্টিভংগী ব্যাখ্যা কৰাৰ ফলত প্ৰাচীন ঐতিহাসিক তাৎপৰ্য নিৰ্ণয় কৰাত বহুক্ষেত্ৰত খেলি মেলি হৈ পৰে। এই প্ৰসংগত আমি মহাভাৰতৰ যুদ্ধ সম্পৰ্কে H. D. Sankalia ৰ মন্তব্য উল্লেখ কৰিব পাৰোঁ। Sankalia ই এই যুদ্ধক “a family feud” বুলি মত প্ৰকাশ কৰিছে। তেওঁৰ মতক যদি যুক্তি-সংগত বুলি মানি লওঁ তেতিয়া আমি এটা কঠিন ঐতিহাসিক প্ৰশ্নৰ সন্মুখীন হব লাগে। কাৰণ পৰিয়াল এটা ঐতিহাসিক অনুষ্ঠান হিচাপে ভাৰতৰ ইতিহাসত বিবৰ্তন হৈছিল— গৌতম বুদ্ধৰ সময়ত আৰু এই ব্যৱস্থা অৱন্তী, মগধ, কোশল আদি অ-জনজাতি ( Nontribal ) ৰাষ্ট্ৰসমূহত ঠন ধৰি উঠিছিল। পৰিয়াল স্পষ্টতঃ এটা সামন্তবাদৰ অনুষ্ঠান। এনে অৱস্থাত প্ৰাচীন ভাৰতৰ ইতিহাস ৰচনা কৰাৰ উপায় হ’ল উৎপাদন ব্যৱস্থাৰ পৰিবৰ্তনৰ ধাৰাটো বৈজ্ঞানিক-ভাবে বিশ্লেষণ কৰা। প্ৰত্যেক সমাজৰ বিবৰ্তন আৰু গঠন উৎপাদন শক্তিৰ ওপৰত নিৰ্ভৰশীল আৰু এই উৎপাদিকা শক্তিৰ দ্বন্দ্বই হ’ল ইতি-হাসৰ চালিকা শক্তি। সমাজৰ উপৰি সৌধ ( Super structure ) অৰ্থনৈতিক ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ শীল। গতিকে সাংস্কৃতিক ethnography ৰ দৃষ্টিভংগিত বিশ্লেষণ কৰিলে ইতিহাসৰ কিছুমান মৌলিক প্ৰশ্নৰ সমাধানৰ পথ উলিয়াব পাৰি। কিন্তু কিছুমান পণ্ডিতে সংস্কৃতিক অৰ্থনৈতিক ব্যৱস্থাৰ অংগ হিচাপে বিবেচনা নকৰি ভাববাদী

অৰ্থাৎ বুদ্ধিগত দিশত ব্যাখ্যা কৰে। কাৰণ তেওঁলোকৰ ধাৰণাত মানুহে অকল আহাৰ খাই জীয়াই থাকিব নোৱাৰে। অথচ খাদ্য উৎপাদন আৰু খাদ্য সংৰক্ষণৰ কৌশলেই হ'ল আদিম মানবৰ শ্ৰেষ্ঠতম আবিষ্কাৰ। বৈষয়িক বাস্তৱনক ঘৃণাৰে উপেক্ষা কৰি আধ্যাত্মিক ধাৰণাৰ জীৱন জিজ্ঞাসাৰ পৰম বস্তু বুলি কোৱাই ধৰ্ম। কিন্তু দৈনন্দিন প্ৰাৰ্থনাত কৈছে "Give us this day our daily bread"। আচলতে সমাজৰ একশ্ৰেণী মানুহৰ ৰাহি হোৱা উৎপাদন আত্মসাৎ কৰি আৰামদায়ক জীৱন ভোগ কৰাৰ ফলত সংস্কৃতিৰ সংজ্ঞা সমাজৰ মূল সোঁতৰ পৰা বিচ্ছিন্ন কৰি ব্যাখ্যা দিয়া আছে। ইয়াৰ ফলত সমাজ ব্যৱস্থাৰ গঠন প্ৰক্ৰিয়াক ভাববাদী ব্যাখ্যা কৰা হৈছে।

বিগত অৰ্দ্ধশতাব্দী প্ৰত্নতাত্ত্বিক, নৃতাত্ত্বিক আৰু অন্যান্য বিজ্ঞানৰ অগ্ৰগতিৰ ফলত প্ৰাচীন ইতিহাসত অন্ধকাৰ ঘটনা সমূহ, বৈজ্ঞানিক দৃষ্টিভংগিত বিশ্লেষণৰ সুবিধা হৈছে। এই নতুন বিশ্লেষণৰ ফলত আমাৰ আৰ্য কেন্দ্ৰিক সভ্যতাৰ ওপৰত গভীৰ প্ৰভাৱ পৰিছে আৰু ভাৰতীয় প্ৰাচীন ইতিহাসক নতুন ৰূপত বিন্যাস কৰাৰ প্ৰশ্ন আহি পৰিছে। Sir Mortimer Wheeler আৰু আন আন সতীৰ্থ সকলৰ প্ৰচেষ্টাত আবিষ্কৃত হোৱা সিন্ধু সভ্যতাই আমাৰ ইতিহাসৰ নব্য প্ৰস্তৰ বিপ্লৱৰ ( Neolithic Revolution ) স্তবক ভেদ কৰি আদিম প্ৰস্তৰ যুগত আলোক পাত কৰিছে। আমেৰিকাৰ নৃতত্ত্ববিদ মাৰ্গানৰ যুগান্তকাৰী মৌলিক গৱেষণা 'Ancient Society' ৰ ওপৰত ভিত্তি কৰি মহান কমৰেড ফ্ৰেডাৰিক এঙ্গেলচে লিখা—"The origin of the family, private property and the state' গ্ৰন্থই ইতিহাসৰ চিন্তাৰ ক্ষেত্ৰত নতুন দিগন্ত উন্মোচন কৰিছে। এই আহি অনুকৰণ কৰি অষ্ট্ৰেলীয়াৰ বিশ্ববিখ্যাত প্ৰত্নতাত্ত্বিক গৰ্ডন চাইল্ড ( GORDON Childe ) আৰু ভাৰতৰ দামোদৰ দিগম্বৰ কৌশাম্বী আদিয়ে প্ৰাচীন ইতিহাস ৰচনা কৰিবলৈ চেষ্টা কৰিছে। বিশেষকৈ কৌশাম্বীয়ে ভাৰতীয় ইতিহাসৰ ক্ষেত্ৰত প্ৰৱৰ্তন কৰা ধাৰাই সাম্ৰাজ্যবাদী আৰু ভাৱবাদী অজ্ঞতাৰ পূজাৰী পণ্ডিত সকলৰ হৃদয়ত কম্পন তুলিছে আৰু আমাৰ প্ৰাচীন ইতিহাসত নতুনকৈ চালি জাবি চোৱাৰ পথ সুগম কৰি দিছে।

সিন্ধু সভ্যতা সিন্ধুনদীৰ উপত্যকা অঞ্চলক কেন্দ্ৰ কৰি গঢ়ি উঠিছিল আৰু প্ৰায় এহাজাৰ বছৰ ইয়াৰ অস্তিত্ব থকা স্বত্বেও অইন অঞ্চললৈ বিশেষ বিস্তৃতি আৰু নিজস্ব গতিশীলতা লাভ কৰিব পৰা নাছিল। প্ৰাচীন কালত মৰুভূমিৰ মাজেৰে প্ৰবাহিত নদী উপত্যকা অঞ্চলত মানুহে বসতি কৰিছিল। বিশ্বৰ সকলো প্ৰাচীন সভ্যতা যেনে নীল, টাইগ্ৰীচ ইউফ্ৰেটিচ, সিন্ধু সভ্যতা মৰুভূমি অঞ্চলৰ মাজেদি প্ৰবাহিত নদীৰ উপত্যকাত গঢ়ি উঠিছিল। আনহাতে মিচিচিপী, আমাজান আদি নদীৰ উপত্যকাত সভ্যতা গঢ়ি নুঠাৰ কাৰণ হ'ল ডাঠ হাবি আৰু পলসুৱা টান মাটি। আনকি আমাৰ গঙ্গাউপত্যকাত পলসুৱা মাটিৰ অসুবিধাৰ বাবে সিন্ধু সভ্যতা ধ্বংস হোৱা কেইবাশ বছৰলৈ বসতিৰ উপযোগী কৰিব

পৰা নাছিল। কাৰণ তেনে কঠিন ডাঠ আৰু টান মাটিত খেতি কৰা অসুবিধা আছিল নব্য প্ৰস্তৰ যুগৰ মানুহৰ শিলাস্ত্ৰৰ দ্বাৰা। সিন্ধু নদীৰ সম-সাময়িক নীলনদী, টাইগ্ৰীচ ইউফ্ৰেটিচ, সুমেৰু সভ্যতা আদিৰ গুৰুত্ব আৰু তাৎপৰ্য বৃদ্ধি পাইছে লিপিৰ পাঠোদ্ধাৰৰ বাবে। কিন্তু লিপি পাঠোদ্ধাৰ কৰিব নোৱাৰা বাবে সিন্ধু সভ্যতাৰ গভীৰতৰ তাৎপৰ্যৰ পৰা আমি বঞ্চিত হৈছোঁ। সিন্ধু-সভ্যতাৰ লিপিত আধিপত্য লাভ কৰা দুৰূহ কাৰ্য্য আছিল, বিশেষকৈ জীৱন সংগ্ৰামত ব্যস্ত থকা শ্ৰেণীটোৰ বাবে। তথাপিও সেই মানুহে তৈয়াৰ কৰা হাতিয়াৰ equipment and social tradition ৰ দ্বাৰা এই সভ্যতাৰ তাৎপৰ্য বিশ্লেষণ কৰিবলৈ বহু পণ্ডিতে চেষ্টা কৰিছে। আমাৰ এই আলোচ্য প্ৰবন্ধত সিন্ধু সভ্যতাৰ কিছুমান বিশেষ দিশ আৰু প্ৰশ্ন সম্পৰ্কে আলোচনা কৰিবৰ চেষ্টা কৰিম।

কিছুমান পণ্ডিতে সিন্ধু সভ্যতাক বিদেশী জাতিৰ উপনিবেশীকতাৰ ফলশ্ৰুতি বুলি কব খোঁজে। তেওঁলোকৰ যুক্তি হ'ল সমসাময়িক সুমেৰু সভ্যতাৰ লগত থকা বাণিজ্য সংযোগ। সিন্ধু উপত্যকাত গঢ়ি উঠা কুটীৰ শিল্পৰ বাবে চুবুৰীয়া অঞ্চলৰ বাহিৰেও বিদেশৰ পৰা কেঁচা-মাল সংগ্ৰহ কৰা হৈছিল আৰু এই উৎপাদিত সামগ্ৰী আৰু কিছুমান মুল্যবান সম্পদ বিদেশলৈ ৰপ্তানি কৰা হৈছিল। "Regular supplies of these materials could have been obtained only as the result of extensive trabe. Indeed............... manufactures from the Indus cities reached even the markets on .the Tigris and Euphrates" ( What happend in history—Gordon Childe—pp—134 ) এনে অৱস্থাত এই সভ্যতাক বিদেশী উপনিবেশ বুলি কোৱাটো যুক্তিযুক্ত যেন বোধগম্য নহয়। তাৰ উপৰিও প্ৰত্নতাত্ত্বিক গৱেষণাৰ ফলত হাৰাপ্পা সভ্যতাৰ স্তৰ বিলাকৰ তলত এটা প্ৰাগ্‌হাৰাপ্পা ( Pre-Harappa ) স্তৰ উদ্ধাৰ কৰা হৈছে, যিটোৱে এই সভ্যতাক নব্য প্ৰস্তৰ যুগৰ বিৱৰ্তনৰ কথাকে ইঙ্গিত দিয়ে অৰ্থাৎ সিন্ধু সংস্কৃতি প্ৰাগ্‌-হাৰাপ্পা সংস্কৃতিৰে উত্তৰাধিকাৰী।

এই সভ্যতাৰ আবিষ্কৃত হোৱা বাসভৱন, সৰু গৃহ, কাৰ্যস্থল, ভঁৰাল, গণ ভৱন ( Public buildings ) আদি বৈজ্ঞানিক ভাবে বিশ্লেষণ কৰিলে সেই সময়ৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ব্যৱস্থাৰ বাস্তৱ চিত্ৰ পাব পাৰি। ইয়াত কিছুমান ৮৫ ফুট দীঘল আৰু ৯৭ ফুট বহল অট্টালিকা সদৃশ ঘৰ আবিষ্কাৰ কৰা হৈছে, আৰু এই বাসস্থান সমূহৰ লগত থকা আনুষাঙ্গিক ব্যৱস্থাই প্ৰমাণ কৰে সমাজৰ এক শ্ৰেণীৰ মানুহৰ আৰামদায়ক জীৱন ধাৰাৰ কথা। এই বৃহত্তম গৃহ বিলাকৰ বিপৰীতে কিছুমান ঠেক আৰু সৰু ঘৰ পোৱা গৈছে। ইয়াৰ পৰা আমি সিন্ধু সভ্যতাত ক্ৰীতদাস আৰু বনুৱা শ্ৰেণীৰ অস্তিত্ব জানি লব পাৰোঁ। গৰ্ডন চাইলড্‌ৰ মতে—"The contrast doubtless reflects a division of society into classes, but it would seem only into merchants

or businessmen and labourers or artisans" ( ibid-PP-135 ) বুৰ্জোৱা পণ্ডিতৰ সন্দেহবাদ তত্ত্বক প্ৰত্যাখ্যান কৰি আমি কব পাৰোঁ যে সিন্ধু সভ্যতাত ৰাষ্ট্ৰ যন্ত্ৰৰ অস্তিত্ব আছিল আৰু এক শ্ৰেণীৰ মানুহৰ বাহি হোৱা উৎপাদন খিনি ৰাষ্ট্ৰযন্ত্ৰৰ দ্বাৰা আত্মসাৎ কৰাত ব্যৱহৃত হৈছিল । এই ক্ষেত্ৰত আমি ডঃ ডি ডি কৌশাম্বীৰ এটা সুন্দৰ বিশ্লেষণ তুলি ধৰিলোঁ। সকলো শ্ৰেণী-বিভাজন মূলতঃ বৰ্তি থাকে শক্তি ব্যৱহাৰৰ দ্বাৰা । শক্তিৰ বলেৰে একশ্ৰেণীয়ে শ্ৰমৰ দ্বাৰা উৎপাদন কৰা বাহিখিনি এটা ক্ষুদ্ৰ শাসক শ্ৰেণীয়ে আত্মসাৎ কৰে। যি সময়ত উৎপাদনকাৰী সকলে দেখে যে উচ্চ শ্ৰেণীৰ নিৰ্দেশত জীৱন ধাৰণ কৰাৰ বাহিৰে অন্য উপায় আৰু নাই, সেই সময়ত এই হিংসাৰ প্ৰয়োজন নিম্নতম পৰ্যায়ত ৰয় গৈ। ক্ষেত্ৰ বিশেষত তেনে ধৰণৰ উপায় হ'ল ধৰ্মঃ বমুৱা শ্ৰেণীক অতি-প্ৰাকৃত ৰহস্যময় ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ দ্বাৰা ধ্বংস কৰাৰ ভয় দৰ্শাই বাহিখিনি এৰি দিবলৈ এই দৰে সন্মত কৰা হৈছিল। যিমানে শোষণ কঠোৰ হৈ যায়, সিমানে দমন শক্তি প্ৰয়োজন হয়। কাৰণ মানুহে বিনা প্ৰতিবাদে অনশন কৰি থাকিবলৈ ৰাজী নহয়। এই ক্ষেত্ৰত শক্তিক টেবুৰ দ্বাৰা কুসংস্কাৰৰ ভেটি দৃঢ়কৰা হৈছিল। শক্তি যন্ত্ৰ সমূহ অৰ্থাৎ অস্ত্ৰ সমূহ পৰাতাত্ত্বিক তথ্যৰ অংশ। সেইবোৰ লুকাই ৰখা অসম্ভৱ। আনহাতে কুসংস্কাৰ প্ৰকাশ পায় মূৰ্তি বা ধৰ্মগৃহ বা মন্দিৰ, মছজিদ আদিৰ মাজেদি।—( "ভাৰতৰ ইতিহাস" কৌশাম্বী অনুবাদ- বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য-পৃ—৬৪)

আমাৰ শেষ প্ৰশ্নটি হ'ল এই— সভ্যতাৰ পতনৰ কাৰণ কি ? এইটো ঠিক যে—অগ্নিসংযোগ, গণহত্যা গণপলায়ন, আক্ৰমণকাৰী আদিৰ চিন আৱিষ্কৃত হোৱা স্তৰ সমূহত পোৱা গৈছে। এই আক্ৰমণকাৰী জাতিটো হ'ল—আৰ্য নামৰ এটা নব্য প্ৰস্তৰ যুগৰ বৰ্বৰ জাতি। কাৰণ আৰ্য সকলে ভাৰতবৰ্ষলৈ অনুপ্ৰৱেশ কৰাৰ সময়ত নব্য প্ৰস্তৰ যুগৰ স্তৰত আছিল। তাৰ প্ৰমাণ ঋকবেদৰ শ্লোকৰ পৰা উদ্ধাৰ কৰিব পাৰি। এই জাতিটোৱে ঋকবেদৰ শ্লোক কিদৰে আবৃত্তি কৰিছিল, সেইটো ইতিহাসৰ মৌলিক প্ৰশ্ন নহয়। মৌলিক আৰু গুৰুত্বপূৰ্ণ প্ৰশ্ন হ'ল সেই সময়ত তেওঁলোকৰ জীৱন যাত্ৰা প্ৰণালী আৰু ব্যৱহৃত হোৱা হাতিয়াৰ সমূহ। কাৰণ—"History is the presentation in chronological order of successive changes in the means and relation of production. This definition has the advantage that history can be written as distinct from a series of historical episodes—( D. D. Kosambi ). এই ক্ষেত্ৰত উল্লেখ কৰিলে ভাল হয় যে আমাৰ বেছিভাগ পণ্ডিতে এহাতে যিদৰে ঐতিহাসিক বস্তুবাদৰ প্ৰতি অজ্ঞতা দেখুৱায় আনহাতে কিন্তু য়ুৰোপত ১৯শ শতিকাত প্ৰচলিত Sociological method অন্ধভাৱে অনুকৰণ কৰাত অধিক তৎপৰতা দেখুৱায়। ফলস্বৰূপে আমাৰ প্ৰাচীন ইতিহাস নিৰ্মাণ কৰাত বহুতো বেমেজাল আৰু জটিলতাই দেখা দিছে। আক্ৰমণকাৰী আৰ্যসকল নব্য

প্ৰস্তৰ যুগৰ স্তৰত থকা বুলি আগতে উল্লেখ কৰা হৈছে। তেওঁলোকৰ জীৱন যাত্ৰাৰ প্ৰক্ৰিয়া আছিল অঘৰী আৰু গৰুৱে আছিল জীৱিকাৰ একমাত্ৰ উপাদান। তেওঁলোকৰ দলপতি ইন্দ্ৰই (ইন্দ্ৰৰ আন এটা নাম পুৰন্দৰ -"পুৰ" অৰ্থ নগৰ—অৰ্থাৎ নগৰ ধ্বংস কৰাৰ বাবে ইন্দ্ৰৰ আন এটা নাম পুৰন্দৰ হব পাৰে) অগ্নি আৰু বজ্ৰ যুদ্ধৰ হাতিয়াৰ হিচাপে ব্যৱহাৰ কৰিছিল। সংক্ষেপে ইয়াকে কব পাৰোঁ যে সেই সময়ত আৰ্যসকলৰ জীৱন ধাৰণৰ মানদণ্ড আৰু উৎপাদনৰ হাতিয়াৰ নিঃসন্দেহে সিন্ধু সভ্যতাৰ মানুহতকৈ নিম্নস্তৰৰ আছিল। বিশ্বৰ ইতিহাসৰ প্ৰচুৰ প্ৰমাণ সংগ্ৰহ কৰি কব পাৰি যে সভ্যতাৰ মানদণ্ডত অগ্ৰগামী হলেও, জীৱন সংগ্ৰামত সদায় জয়লাভ কৰা সম্ভৱ নহয়। সেয়ে বৰ্বৰ জাতিৰ আক্ৰমণত বিশ্বৰ বহু সুসভ্য সভ্যতা বিধ্বস্ত হৈছিল। কিন্তু এই যুক্তিটোক সৰ্ত বিহীন ভাবে মানি লোৱাত টান লাগে। কাৰণ সমাজৰ শ্ৰেণী ব্যৱস্থাই নিৰ্ণয় কৰে সমাজৰ গাঁথনি। সেয়ে সিন্ধুসভ্যতাৰ সমাজ ব্যৱস্থাত চলি থকা ক্ৰীতদাস আৰু মালিকৰ মাজত চলি থকা দ্বন্দ্বই সমাজৰ আভ্যন্তৰিক ব্যৱস্থাক দুৰ্বল কৰি তুলিছিল আৰু আৰ্যৰ আঘাতত সম্পূৰ্ণভাবে ভাগি পৰিছিল।

[ গ্ৰন্থ নিৰ্দেশন :—

(i) The Culture and Civilization of Ancient India in Historical Outline— Dr D. D. Kosambi.

(ii) ভাৰতৰ ইতিহাস (অনুবাদ) — Do.

(iii) What happened in History– Gordon Childe.

(iv) India from Primitive Communism to slavery—S. A. Dange.

(v) The Indus Civilization-- Sir Mortimer Wheeler ]

# — কৃষ্ণচূড়াৰ হাঁহি —

—দিলীপ দাস ।

একেবাহে কেবাদিন বৰষুণ হৈ যোৱাৰ পিচৰ ৰাতিপুৱা এটাত সোনালী ৰ'দ এজাক পৰি চিকুণ গছ পাতবিলাক তিৰবিৰোৱা দেখিলে মনটো যেনে ফৰকাল লাগে, সিদ্ধান্তটো লৈ পেলোৱাৰ পিচত শশাঙ্কৰ ঠিক তেনে এটি অনুভৱে হ'ল ।

সিদ্ধান্তটো ইমান আকস্মিক আৰু নাটকীয় ভাবে লৈ পেলালে যে, কথাটো ভাবি সি নিজেও আচৰিত হ'ল । আচৰিত হ'ল এই কাৰণেই যে, আজিলৈকে সি কোনো সিদ্ধান্তকে দ্বিধাগ্ৰস্ত নোহোৱাকৈ ল'ব পৰা নাই । বৰং উপযুক্ত সময়ত সিদ্ধান্ত লব নোৱাৰি প্ৰায়ে বিব্ৰত বোধ কৰা কাৰণে ইউনিভাৰ্চিটিত পঢ়া দিন কেইটাত তাৰ ঘনিষ্ঠ বন্ধু কেজনমানেতো তাক হেম্‌লেট্‌ বুলিয়ে মাতিবলৈ লৈছিল । তাৰ আজি কালিও মাজে মাজে সেই সময়ৰ সৰু ঘটনা এটালৈ মনত পৰিলে হাঁহি উঠি যায় । এম,এ ফাইনেলৰ 'চিক্স্‌থ' পেপাৰখন দি উঠি তাৰ ধাৰণা হ'ল যে, পৰীক্ষা আশানুৰূপ নহ'ল । গতিকে বাকী থকা পেপাৰ দুখনৰ পৰীক্ষা দিয়া নিদিয়া সম্পৰ্কে একো ঠিৰাং কৰিব নোৱাৰি ৰাতি নবজালৈকে হোষ্টেলৰ কমণক্ষমত ইতিমধ্যে পৰীক্ষা 'ড্ৰপ্‌' কৰি দুঃসাহসিক কিবা এটা কৰাৰ দৰে দপদপাই থকা আন কেজনমান বোৰ্ডাৰৰ লগত টেবিল টেনিছ খেলি কটাই দিলে । ঠিক সেই অৱস্থাতে তাক দেখা পালে হোষ্টেলৰ মাৰ্কামৰা 'বুকৱৰ্ম' আৰু পৰীক্ষাক জীৱনটোৰ সমানে মূল্য দিয়া তাৰ বন্ধু অনিমেশ আৰু অৰুণে । তাক তেনে অৱস্থাত দেখি সেই মুহূৰ্ত্তত সিহঁতৰ চকু প্ৰায় কপালত উঠা অৱস্থা । 'আৰে তই ইয়াত কিয় ?' বুলি আন কোনো কৈফিয়ৎ নোসোধাকৈ সিহঁত দুটাই প্ৰায় ঠেলি হেচুকি তাক কোঠাত সুমুৱাই দিয়াৰ পিচত তাৰ চকুৰ আগত আঙুলি জোকাৰি অনিমেশে দিয়া 'লেক্‌চাৰ' আজিও তাৰ ভালদৰে মনত আছে । অনিমেশে কৈছিল : 'হয় তোৰ টুবি অৰ নট টুবি' বাদ দে, নহলে এই মুহূৰ্ত্ততে বেডিং বান্ধি ঘৰৰ ল'ৰা ঘৰলৈ গুচি যা । তইতই এই 'ভেচিলেশ্যান'ৰ কাৰণেই কেতিয়াবা মৰিবি ।' সি আজি কালিও কেতিয়াবা ভাবে, অনিমেশৰ সেই ধমক নোপোৱা হলে সি হয়তো পিচৰ দুদিনত হবলগীয়া পেপাৰ দুখনৰ পৰীক্ষা দিয়াৰ সিদ্ধান্ত কোনোমতে লব নোৱাৰিলেহেঁতেন ।

অথচ আজিৰ সিদ্ধান্তটো লোৱাৰ বাবে জোৰ কৰিবলৈ তাৰ ওচৰত কোনো নাছিল । কোনোৱে তাক এই বিষয়ে এষাৰ কোৱাও নাছিল । কৰা নাছিল সামান্য এটি অনুৰোধ ।

আনকি সিদ্ধান্তটো লোৱাৰ আগমুহূৰ্তলৈকে সি নিজেও এই বিষয়ে একো ভবা নাছিল। অথচ অতি অনায়াসে এটা মুহূৰ্তৰ ভিতৰতে সি যে কেনেকৈ সিদ্ধান্তটো লৈ পেলালে ভাবি তাৰ নিজৰে আচৰিত লাগি গল।'

ঘটনাটো ঘটিছিল স্থানীয় কলেজ এখনত ইণ্টাৰভিউ দিবলৈ যাওঁতে। ইংৰাজীৰ অধ্যাপকৰ এই চাকৰিটোৰ ইণ্টাৰভিউলৈ বিভিন্ন ঠাইৰ পৰা অহা কুৰিজনমান প্ৰাৰ্থীৰ দৰে সিয়ো নিৰ্দিষ্ট সময়ৰ বহু আগতে গৈ ৱেটিংৰুমৰ চকী এখনত বহি লৈছিল। কিন্তু আশা-নিৰাশাৰ দোলনিয়ে আন প্ৰাৰ্থীবিলাকৰ মনত যেনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল সেইটো তাৰ ক্ষেত্ৰত হোৱা নাছিল। হোৱা নাছিল এই কাৰণেই যে, দুটা বিশ্বাসযোগ্য কাৰণত চাকৰিটো যে তাৰ হব সেই বিষয়ে সি প্ৰায় নিশ্চিত হব পাৰিছিল। কাৰণ দুটা চমুকৈ এনে ধৰণৰ। প্ৰথম, তাতকৈ ভাল ৰিজাল্ট্ কৰা কোনো প্ৰাৰ্থীয়ে দৰ্খাস্ত কৰা নাছিল। দ্বিতীয়, প্ৰিন্সিপাল গৰাকীয়ে যে এপইণ্ট্মেণ্টৰ ক্ষেত্ৰত কঢ়া নীতি-নিয়মত চলিব সেই বিষয়ে সি কেবাটা নিৰ্ভৰযোগ্য মহলৰ পৰা নিশ্চিত হব পাৰিছিল। প্ৰায় আটাইকেউটা মহলৰে এই বিষয়ে ধাৰণা একেটাই—প্ৰিন্সিপাল বাহিৰৰ মানুহ। তাতে জইন কৰিবলৈ বেচি দিন হোৱাই নাই। গতিকে নীতি বিসৰ্জন দি নিজে নিজৰ বিপদ চপাই নলয়।

চাকৰিটো সম্পৰ্কে সি আৰু বেচি নিশ্চিত হব পাৰিছিল যোৱাকালি অনিমেশৰ ককায়েক অবিনাশদাই অৰ্থাৎ সেই কলেজৰে ইংৰাজীৰ অধ্যাপক অবিনাশ চৌধুৰীয়ে কোৱা কথাখিনিৰ পিচত। অবিনাশ চৌধুৰীয়ে তাক কৈছিল—'তুমি নিশ্চিন্ত থাকিব পাৰা। প্ৰিন্সিপালে মেৰিট বেছিচত কেন্দিদেট ছিলেক্ট কৰিব। তোমাৰ ভাগ্য ভাল যে, তোমাৰ ৰিজাণ্টৰ আন কোনো এপলিকেণ্টে নাই। অলপ ৰৈ অবিনাশ চৌধুৰীয়ে আকৌ কৈছিল—"অৱশ্যে কোনোৰা ছোৱালী এজনীৰ হেনো তোমাতকৈ অলপ কেইটামানহে মাৰ্ক ছুট আছে। ছোৱালীজনীয়ে হেনো প্ৰিন্সিপালক পাবচনেলিও ৰিকুৱেষ্ট কৰি গৈছে। প্ৰিন্সিপাল এনেয়ে ইমপ্ৰেচদ্। বৰ স্মাৰ্ট আৰু ইণ্টেলিজেণ্ট ছোৱালী হেনো। হলেও তেখেতে যে যাষ্টিচ মেনটেইন্ কৰিব সেইটো মোক কথা প্ৰসঙ্গত পাকে প্ৰকাৰে কৈছেই।"

যোৱা কালি অবিনাশ চৌধুৰীৰ পৰা ছোৱালী জনীৰ বিষয়ে আৰু কিছু কথা জানিবৰ ইচ্ছা হৈছিল শশাঙ্কৰ। পিচে, অপ্ৰাসঙ্গিক হব বুলি সুধিবলৈ ভাল নালাগিল। ছোৱালী জনীৰ ব্যক্তিগত পৰিচয় হিচাবে অবিনাশ চৌধুৰীৰ পৰা যিখিনি জানিব পাৰিছিল সেয়া যৎসামান্য। অবিনাশ চৌধুৰীয়ে ছোৱালী জনীৰ নামটোও আনকি কব পৰা নাছিল। কৈছিল, কিবা বৰুৱা লিখে। আজি সেয়া ৱেটিংৰুমত সোমোৱাৰ পিচতে কোঠাটোৰ এমূৰৰ পৰা আনটো মূৰলৈ সি তাৰ সন্ধানী দৃষ্টিৰে দ্ৰুত গতিত অন্বেষণ কৰিছিল অবিনাশ চৌধুৰীয়ে কোৱা সেই বিশেষ ছোৱালীজনী। কিন্তু সেই মুহূৰ্তত

কোঠাটোত যি তিনি গৰাকী মহিলা প্ৰাৰ্থী বহি আছিল তাৰ ভিতৰত এগৰাকীও যে সেই ছোৱালীজনী নহয় সি মুহূৰ্ততে অনুমান কৰিব পাৰিছিল। সি লক্ষ্য কৰিছিল, দুজনী বয়সে ভালদৰে আঁচুৰি যোৱা বিবাহিতা। আৰু আনগৰাকী আবিয়ৈ বিগতা যৌৱনা। স্মাৰ্টো নহয়, ইণ্টেলিজেণ্টো নহয় যেন লাগিল তাৰ। কিছুদূৰত 'আমাৰতো চাকৰি নহবই, খেলাথনকে চাই যাওঁ' ভাবত অহা কেইজনমান ডেকা প্ৰাৰ্থীৰ লগত কিবা সৰস আৰু সস্তীয়া যেন লগা আলোচনাত ব্যস্ত।

কিছু সময় ওচৰৰ দুই চাবিজনৰ লগত দুই চাৰিটা কথাৰ বিনিময় কৰাৰ পিচত শশাঙ্কই সমুখৰ টেবিলখনত থকা বাতৰি কাকত খন হাতত লৈ এনেয়ে চকু ফুৰাই গৈছিল। প্ৰকৃত পক্ষে, সেই সময়ত তাৰ মন নিৰ্বাচক মণ্ডলীৰ সমুখত ঠিয় হোৱাৰ বিশেষ ক্ষণটোৰ চিন্তাত নিবদ্ধ আছিল যদিও মনৰ এটা কোণে কেতিয়ানো অবিনাশ চৌধুৰীয়ে কোৱা তাৰ নিকটতম প্ৰতিদ্বন্দ্বী সেই ছোৱালীজনী আহি কোঠাটোত প্ৰবেশ কৰেহি তালৈ প্ৰতিক্ষণে সজাগভাবে লক্ষ্য কৰি আছিল।

ইণ্টাৰ্ভিউ আবেলি চাৰে তিনি বজাৰ পৰা আৰম্ভ হোৱা কথা আছিল যদিও গভাৰ্ণিংবডিৰ প্ৰেচিডেণ্ট কিবা বিশেষ জৰুৰী কামৰ বাবে সময়মতে আহি নোপোৱাত প্ৰিন্সিপালে ইতিমধ্যে প্ৰাৰ্থীসকল বহি থকা কোঠালৈ আহি অনিচ্ছাকৃত বিলম্বৰ বাবে দুখ প্ৰকাশ কৰি চাৰি বজাৰ পৰা ইণ্টাৰভিউৰ কাম আৰম্ভ কৰিব পৰা যাব বুলি প্ৰাৰ্থীসকলক আশ্বাস দি গৈছিল।

হাতত থকা বাতৰি কাকত খনৰ পৰা চকু আঁতৰাই আনি শশাঙ্কই এনেয়ে এবাৰ হাতৰ ঘড়ীটোলৈ চাই লৈছিল। চাবিটালৈ পোন্ধৰ মিনিট। ঠিক সেই সময়তে কোঠাটোলৈ বৰ ব্যস্তসমস্ত ভাবে গাভৰু এজনী সোমাই আহিল। আহি আনকোনো ফালে বিশেষ মন নকৰাকৈ তাৰ সমুখৰ খালী চকী এখনতে বহি পৰিল। তাতকৈ তিনিটা নম্বৰ কম পাই ঠিক তাৰ পিচৰ স্থান লৈ এম,এ, পাচ কৰা এইজনী স্মিতা বৰুৱাৰ কথাকে যে যোৱাকালি অবিনাশ চৌধুৰীয়ে তাক কৈছিল সেইটো বুজিবলৈ তাৰ এথন্তেকো দেৰি নালাগিল।

ছোৱালী জনীয়ে প্ৰথমতে তালৈ লক্ষ্য কৰা নাছিল। পিছমুহূৰ্তত তাক দেখা পাই তাই যেন যথেষ্ট অপ্ৰস্তুত হৈ পৰিল। লগে লগে থিয় হোৱাৰ ভঙ্গীত "অ' আপুনিও আহিছে ?" বুলি হঁহাৰ চেষ্টা কৰিলে। ইমান ম্লান আৰু খন্তেকীয়া আছিল সেই হাঁহি যে শশাঙ্কৰ স্পষ্ট ধাৰণা হ'ল, তাইৰ হাঁহিটো নিতান্ত ভদ্ৰতাৰ খাটিৰত মৰা অনিচ্ছাকৃত হাঁহি এটাৰ বাহিৰে আন একো নহয়। লগতে তাইৰ হতাশগ্ৰস্ত কণ্ঠৰ পৰা নিগৰি ওলোৱা শব্দ কেইটাত তাৰ উপস্থিতি সেইদিনা সেইখিনি সময়ত তাইৰ বাবে যে মুঠেই কাম্য নহয় সেইটো বুজিবলৈ তাৰ অকণো অসুবিধা নহ'ল।

অভাবনীয় কিবা এটা হঠাতে ঘটি গলে যেনেধৰণৰ অনুভূতি হয়, ছোৱালীজনীৰ মানসিক অৱস্থাটো উপলব্ধি কৰাৰ পিচত ঠিক তেনে এক অনুভূতিৰ বিদ্যুৎ মুহূৰ্ততে যেন তাৰ শিৰা

উপশিৰাৰে প্ৰাবাহিত হৈ গ'ল। আৰু ঠিক সেই মুহূৰ্তত সি সিদ্ধান্তটো লৈ পেলালে। সিদ্ধান্তটো লবৰ বাবে জোৰ কৰিবলৈ তাৰ ওচৰত আজি কোনো নাছিল। সম্পূৰ্ণ নিজাকৈ অকণো দ্বিধা নকৰাকৈ সিদ্ধান্তটো সি মুহূৰ্তত লৈ পেলাইছিল। আৰু সেয়ে প্ৰায় লগে লগে মুখত সহজ হাঁহি এটি লৈ সি স্মিতাক কৈছিল, 'মই পিছে ইন্টাৰভিউলৈ অহা নাই। বন্ধু এজনৰ খবৰ কৰিবলৈহে আহিছিলোঁ। তেখেত এতিয়াও আহি নেপালে যেতিয়া সম্ভৱ নাহিব।' তাৰ পিছত স্মিতাৰ ওচৰৰ পৰা সঁতিৰি অহাৰ উদ্দেশ্যে বহাৰ পৰা হঠাতে উঠি হাতৰ ঘড়ীটোলৈ চাই সি বৰ ব্যস্তভাৱে কৈ উঠিছিল— 'প্লিজ্ ডোণ্ট্ মাইণ্ড, মিচ্ বৰুৱা। চাৰে চাৰি বজাত মোৰ এটি বৰ জৰুৰী এঙ্গেজ্মেণ্ট আছে। আপোনালৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল।' নিজৰ কথাখিনি খৰধৰকৈ শেষ কৰি স্মিতাৰ কোনো এটি কথাকে শুনিবলৈ এখন্তেকো বৈ নাথাকি সি কিছু বেগা-বেগিকৈয়ে কোঠাটোৰ পৰা ওলাই আহিছিল।

এটা জীয়া ফাঁকিৰে নিজৰ উজ্জল ভৱিষ্যত দুৰাব এখন নিজে বন্ধ কৰি থৈ অহাৰ পিচতো তাৰ অকণো বেয়া লগা নাছিল। বৰং স্মিতাৰ বাবে সেইখিনি সময়ত আৰু কিবা কৰিব লগীয়া থাকিল নেকি —এই ভাবত অলপ অস্বস্তি, অলপ দোধোৰ-মোধোৰতা লৈ সি কলেজৰ চৌহদৰ পৰা ওলাই গৈ বাষ্টা পাইছিল। সেইখিনি সময়ত তাৰ নিজৰ ভৱিষ্যত, ঘৰ-খনৰ ভৱিষ্যত আদি কোনো কথাই তাৰ মনলৈ অহা নাছিল। মাথোঁ এখন মুখে তাৰ মনৰ চকুৰ আগত বাৰ বাৰ দোলা দি আছিল। সেইখন মুখ অলপ আগতে ম্লান হাঁহিৰে দেখা স্মিতা বৰুৱাৰ করুণ, শান্ত, ল-ণি মুখ।

তাৰ দৃঢ় বিশ্বাস হ'ল, সি কোনো ভুল কৰা নাই। আনৰ লগত বেলেগ কথা, কিন্তু স্মিতাৰ লগত প্ৰতিযোগিতা কৰি চাকৰিটো লোৱা অন্ততঃ তাৰ পক্ষে সম্ভৱ নহয়। সম্ভৱ নহয় এই কাৰণেই যে, চাকৰিটো তাৰ যিমান প্ৰয়োজনীয়, স্মিতাৰ তাতকৈ বহু বেচিগুণে প্ৰয়োজনীয়। তাত বহি থকা কুৰিজন চাকৰি প্ৰাৰ্থীৰ আন কোনোৱে এই কথাটো নাজানিলেও সি ভালকৈ জানে। আৰু জানে কাৰণেই স্মিতাক চাকৰিটোৰ পৰা বঞ্চিত কৰাটো তাৰ কেৱল অশোভনীয়েই নহয়, অমানবীয়ও যেন লাগিল।

চাকৰিটো যে স্মিতাৰ একান্ত প্ৰয়োজনীয় সেই কথাটো তাৰ বাবেও হয়তো অজ্ঞাত হৈয়ে ৰ'ল হেঁতেন যদিহে প্ৰায় এমাহ আগৰ সন্ধিয়া এটাত পান বজাৰত পাক এটা মাৰিম বুলি ওলাই আহোঁতে সি তাৰ কলেজ আৰু ইউনিভাৰ্চিটিত একেলগে পঢ়া বন্ধু অকণক বহুদিনৰ মূৰত হঠাতে লগ পাই নগ'লহেতেন। সেইদিনা 'কল্যাণী'ত চাহ আৰু শিঙৰাৰে সন্ধিয়াটোৰ কিছুখিনি কটাই দিওঁতে অকণে তাৰ চাকৰি জীৱনৰ ইতিহাসখনি তাৰ আগত থূলমূলকৈ এনেধৰণে গাই গৈছিল— 'শুন, ইয়াৰ পৰা পঁচিশ মাইল পূবে মাণিকপুৰ নে কি এখন যে ঠাই আছে তাতে নতুনকৈ পতা কলেজ-খনতে সোমাইছিলোঁ। ঠিক পাচ কৰাৰ পিচতে।

মাহে কিমান টকাৰ প্ৰতিশ্ৰুতিত, জান ? পুৰা চাৰিশ ।' তাৰ পিচত শিঙৰাটো প্লেটৰ পৰা তুলি লৈ মুখৰ ওচৰলৈ নি কিবা এটা যেন ভাবি সি হঠাতে কিছু উচ্চৈস্বৰে হাঁহিবলৈ লৈছিল। তাৰ হঁহাৰ ধৰণটোলৈ লক্ষ্য কৰি শশাঙ্কই কৌতুক অনুভৱ কৰিছিল। কৌতুহল নিবাৰণৰ কাৰণে কিবা এটা সোধাৰ আগতে অকণে নিজেই কৈ উঠিছিল— 'পিচে, কথাটো কি জান ? এমাহত নহয়, ভাত কাম কৰা পুৰা তিনিমাহৰ মুৰতো যদি চাৰিশ টকা পালোহেঁতেন তেনেহলে হয়তো ইমান সোনকালে অধ্যাপক হোৱাৰ চখটো বাদ দি বাবোৱাৰী নৈশ স্কুলখনত দুশ টকীয়া মাষ্টৰী চাকৰি এটাত আজি পচি নাথাকিলোহেঁতেন।' ছয়জনীয়া পৰিয়াল এটিৰ একমাত্ৰ উপাৰ্জনক্ষম ব্যক্তি অকণে কিয় কলেজৰ চাকৰিটো বাদ দি জ্যামিতিৰ পৰা ভূগোললৈকে যি কোনো বিষয়কে শিকোৱাৰ প্ৰতিশ্ৰুতিত নৈশ স্কুলখনত কাম কৰাৰ উপৰিও স্থানীয় প্ৰেছ এটাত অতি কম দৰ্মহাতে পাৰ্ট টাইম প্ৰুফৰিডাৰৰ কাম লব লগীয়া হৈছিল সেইটো শশাঙ্কই অতি সহজতে বুজি পাইছিল। অকণে আৰু কৈছিল— 'জান, এতিয়াহে কোনোমতে উশাহ লব পৰা যেন পাইছোঁ। বুইছ, সেইদিন কেইটাৰ কথা মনত পৰিলে আজিও মোৰ মগজটো জমজমাই যায়। অহা-যোৱাৰ কষ্টৰ কথাটো বাদেই, মাহেকৰ মুৰত দহ টকা বিশ টকাকৈ মজুৰি লোৱাৰ যি বিড়ম্বনা ! ধুৰ, সেইটোও এটা চাকৰিনে ? তাৰ পিচত হাতত লোৱা শিঙৰাটো একামোৰ মাৰি সি খন্তেক দম লৈছিল। তাৰ পিচত পুনৰ একে উচ্ছাসেৰে আৰম্ভ কৰিছিল— 'কিন্তু ইণ্টাৰেষ্টিং কি জান ? মই চাকৰিটো এৰি দিয়াৰ দুদিন পিচতে স্মিতাই,— মানে আমাৰ লগত যে পঢ়িছিল স্মিতা বৰুৱা,— তাই সেই চাকৰিটোতে জইন্ কৰিলে। শুনি হয়তো আচৰিত হবি যে, কিবা এটা 'বেটাৰ চেঞ্জ'ৰ আশাত তাই আজিলৈকে চাকৰিটো বজাই ৰাখিছে।'

বিৰক্তি আৰু তিক্ত অভিজ্ঞতাত যিটো চাকৰি অকণে এৰি দিছিল সেই চাকৰিটোকে স্মিতাই এবছৰতকৈও অধিক কাল কৰি থকা দেখি সি হয়তো সচাঁকৈয়ে আচৰিত হৈছিল। সেয়ে সহজতে কোনো ছোৱালীকে 'পাত্তা' নিদিয়া অকণেও সেইদিনা সপ্ৰশংস কণ্ঠেৰে কৈ উঠিছিল— 'বৰ আচৰিত ছোৱালী তাই! ছোৱালী মানুহ এজনীৰো যে ইমান 'ষ্টেমিনা' থাকিব পাৰে ভাবিবই নোৱাৰি।'

গুৱাহাটীৰ বন্ধুমহলত 'গেজেট্' বুলি খ্যাত অকণে ইটোৰ পিচত সিটোকৈ কেবাটা চিগাৰেটৰ শবাধ কৰি স্মিতাৰ বিষয়ে সেইদিনা তাক আৰু বহু খবৰে দিছিল। স্মিতাৰ দেউতাক হেনো গুৱাহাটীৰ কেছাৰী ঘৰৰ বাৰান্দাত বহি ওবেটো জীৱন 'ষ্টাম্প্ ভেন্দৰ'ৰ কাম কৰি কটোৱাৰ পিচত এতিয়া মৃত্যুৰ ক্ষণ গণি শয্যাশায়ী। স্মিতাৰ হেনো ভনীয়েক এজনীও আছে। কলেজৰ কোনোবা এটা ক্লাছত পঢ়িছিল। খৰচ যোগাব নোৱাৰা কাৰণে এতিয়া খুব সম্ভৱ কলেজলৈ যোৱাটো বন্ধ কৰিছে। ভায়েক

দুটা। সৰুটো স্কুলৰ কোনোবা এটা শ্ৰেণীত পঢ়ি আছে। ডাঙৰটোৱে চাৰি বাৰমান হাইস্কুল লিভিং পৰীক্ষা দিও পাচ কৰিব নোৱাৰি এতিয়া দীঘল চুলি ৰাখি ৰঙা চাৰ্ট আৰু ক'লা পেণ্ট পিন্ধি বাটে-ঘাটে ছোৱালী জোকাই ফুৰা আৰু সুবিধা বুজি দুই একৰ পকেট মাৰি ফুৰা পাক্কা বেকাৰ। মাক কেবা বছৰ আগতে ঢুকাইছে। উজান বজাৰত সিহঁতৰ যিটো ঘৰ সেইটো হেনো ককাদেউতাকে সাজি থৈ যোৱা। অকণে আৰু কিবা-কিবি বহু খবৰে দিছিল। মুঠতে স্মিতা সম্পৰ্কে তাৰ শেষ কথা আছিল এই,—স্মিতাই কলেজৰ চাকৰিটো নকৰা হ'লে আৰু সন্ধিয়া সময়খিনিত ওচৰৰ উকীল জনৰ ঘৰত স্কুল আৰু কলেজত পঢ়া ভায়েক ভনীয়েক হালক নপঢ়োৱা হলে সিহঁতৰ ঘৰখনৰ থিতাতে মৰণ।

সেইদিনা সন্ধিয়া অকণে স্মিতাৰ বিষয়ে কোৱা কথাখিনি শুনাৰ পিচত শশাঙ্কৰ স্মিতাৰ প্ৰতি সহানুভূতিয়ে নহয়, শ্ৰদ্ধাও হৈছিল। পৰিস্থিতিৰ প্ৰত্যাহ্বানৰ সাহসেৰে সমুখীন হোৱা তাহানি ইউনিভাৰ্চিটিত লগ পোৱা আলসুৱা যেন লগা স্মিতা বৰুৱাক জীৱনৰ পৰীক্ষাত তাতকৈ ওপৰৰ স্থান লৈ উত্তীৰ্ণ হোৱা যেন লাগিছিল।

আজি সেইজনী স্মিতা বৰুৱাকে চাকৰিটো পোৱাৰ সুযোগটো সম্পূৰ্ণৰূপে এৰি দি সি এয়া কলেজৰ চৌহদৰ পৰা ওলাই ঘৰমুখী ৰাস্তাত খোজ পেলাইছে। কোনোৱে জোৰ নকৰাকৈ, কোনোৱে অনুৰোধ নকৰাকৈ সম্পূৰ্ণ নিজাকৈ আৰু দ্বিধাহীনভাৱে সি এই সিদ্ধান্ত লৈছে। সি জানে, তাৰ এই সিদ্ধান্তটোৱে শুভাকাঙ্ক্ষী সকলক বাৰুকৈয়ে আঘাত দিব, আচৰিত কৰিব। শুভাকাঙ্ক্ষী সকলৰ ভিতৰত বিশেষকৈ তাৰ মাকক আৰু অবিনাশদাক। তাৰ কথা শুনি অবিনাশ চৌধুৰীয়ে মুখামুখিকৈ নহলেও অনিমেশৰ আগত হয়তো তাক 'নাম্বাৰ উৱান্ চেণ্টিমেণ্টেল ফুল' বুলিয়ে গালি দিব। আৰু মাকে হয়তো তাৰ ওচৰত ঠিয় দি বৰ বেজাৰেৰে হুমুনিয়াহ চাৰি কবহি: তই কি ভাবি কাম বিলাক কৰ মই বুজি নাপাওঁ, পোণা। নিজৰ কথা আগতে নভবাকৈ কোনোবাই আনৰ কথা আগতে ভাবে জানো? তোৰ নিজৰ ভৱিষ্যত বুলিওতো কথা এটা আছে।'... ... —ইত্যাদি বুজনিসূচক মৃদু ভৰ্ৎসনা!

তথাপিও তাৰ ধাৰণা হ'ল, সি যেন অকণো ভুল কৰা নাই। তাৰ যেন ক'তো অকণো কেনা লগা নাই। এটা টান অংকৰ উত্তৰ সি যেন সম্পূৰ্ণ শুদ্ধকৈ কৰি থৈ আহিছে, তাৰ ঠিক তেনে লাগিল। তাৰ দৃঢ় প্ৰত্যয় হ'ল, কথাটোত মাকে বাৰুকৈয়ে আঘাত পালেও সি যেন মাকক খুব নিয়াৰিকৈ স্মিতাৰ অৱস্থাটোৰ কথা বুজাই দিব পাৰিব। সি ভাবিলে, সি মাকক ক'ব: চোৱা মা, আমাৰতো একো নাই বুলিও দেউতাই সাজি থৈ যোৱা দুটা ভাড়া ঘৰ আছে। নাই বুলিও গাওঁতো দুবিঘামান খেতিৰ মাটি আছে। আমিতো ইমান দিনে..তাৰেই স্বচ্ছন্দভাৱে চলি আছোঁ। কিন্তু স্মিতালৈ চোঁৱা। তাইৰ কিয়েবা আছে?

সিটো সময়ত তাই নিজৰ ভৱিষ্যতৰ ৰঙীণ স্বপ্ন দেখি দিনবোৰ পাৰ কৰি দিব লাগিছিল, সিটো সময়ত তাই বৃদ্ধ মৃত্যুমুখী দেউতাক, বেকাৰ ভায়েক, পঢ়া খৰচৰ অভাৱত কলেজ এৰি দিয়া গাভৰু ভনীয়েক আৰু অনিশ্চিত অনাগত ভৱিষ্যতক লৈ স্কুলত পঢ়ি থকা ভায়েকক লৈ এখন তিক্ত আৰু সমস্যাবহুল সংসাৰত দুৰ্বহ বোজা নীৰৱে বিনাপ্ৰতিবাদে কঢ়িয়াই আছে। হয়তো তাই নিজেও নাজানে তাইৰ এই সংগ্ৰাম কেতিয়া শেষ হ'ব, কেনেকৈ শেষ হ'ব! মই জানোঁ, তুমি এগৰাকী মা হিচাবে তাইৰ অৱস্থাটো বুজিবা।

কথাখিনি মনত জুকিয়াই লওঁতে সি মাকৰ প্ৰতিমূৰ্ত্তিটো তাৰ সন্মুখত দেখা যেন পালে। সি দেখা যেন পালে, মাকৰ চকুৰ পৰা বেজাৰৰ কুঁৱলী আঁতৰি গৈছে আৰু তাত ফুটি উঠিছে সহানুভূতিৰ অম্লান স্বাক্ষৰ। মাকৰ সেই চাৱনিয়ে যেন তাক নীৰৱ ভাষাত কৈছে: 'তই হয়তো ঠিকেই কৰিছ সোণা।'

কিবা এটা হেৰুৱাইয়ো কিবা এটা পোৱাৰ এক বুজিব নোৱাৰা, বুজাব নোৱাৰা আহ্লাদত সি কেতিয়া আহি পদূলি মুখৰ কৃষ্ণচূড়াজোপাৰ তল পালেহি গমেই পোৱা নাছিল। আবেলিৰ শেষ ৰঙা ৰ'দজাক পৰি জক্-মকাই উঠা কৃষ্ণচূড়া জোপাত চকু পৰাত তাৰ এনে লাগিল, আজি যেন তাত বহুত বেচি ফুল ফুলিছে আৰু ফুলবোৰো যেন কিবা এক অস্ফুট আনন্দত বেচি উজ্জ্বল হৈ উঠিছে।

0000

# বেজবৰুৱাদেৱৰ অসমীয়া সাহিত্যলৈ অৱদান

শ্ৰীৰবিশঙ্কৰ দৈমাৰী
১ম বাৰ্ষিক স্নাতক

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ নাম সাহিত্যপ্ৰেমী অসমীয়া লোক সকলৰ কাৰো অবিদিত নহয়। মধ্যযুগীয়া অসমীয়া সাহিত্য কাননত শ্ৰীশ্ৰীশঙ্কৰদেৱৰ যি স্থান, আধুনিক যুগৰ অসমীয়া সাহিত্য কাননত বেজবৰুৱাদেৱৰ সেই একে স্থান। অসমীয়া সাহিত্যলৈ বেজবৰুৱাই যি অৱদান দি গৈছে তাক প্ৰতিজন অসমীয়াই চিৰদিনেই শ্ৰদ্ধাৰে প্ৰণিপাত জ্ঞাপন কৰি গৌৰৱৰ বাবে চাপিব লাগিব। বেজবৰুৱাৰ অৱদানৰ কথা পাহৰণিৰ বুকুত বিলীন হবলৈ দিলে আজিৰ অসমীয়া সাহিত্যৰ কানন মৰহা ফুলৰ সৌৰভ নোহোৱাৰ দৰে ম্লান হৈ পৰিব।

বেজবৰুৱা আছিল বহুমুখী প্ৰতিভাৱাপন্ন লোক। তেওঁ একাধাৰে কবি, নাট্যকাৰ, ঔপন্যাসিক, গল্পকাৰ হাস্যৰসিক, সমালোচক, চৰিত্ৰকাৰ, কাৰ্টুনিষ্ট, সাংবাদিক আৰু তত্ত্বজ্ঞও। তেওঁ যে কেৱল, বৰ্ত্তমান আধুনিক যুগৰ সাহিত্যৰ প্ৰত্যেকটি দিশতেই বিপুল অবিহণা যোগাইছিল এনে নহয়, তেওঁ অসমীয়া সাহিত্যৰ, প্ৰথম গল্পকাৰ, প্ৰথম কাৰ্টুনিষ্ট আৰু এনেকি সৰ্ব প্ৰথম সমালোচকো।

এইজনা প্ৰতিভাশালী, শ্ৰদ্ধাভাজন আৰু অসমীয়া সাহিত্যৰ কাণ্ডাৰী লক্ষ্মীনাথ বেজবৰুৱাৰ ১৮৬৮ চনত শিৱসাগৰৰ প্ৰখ্যাত ব্যক্তি দীননাথ বেজবৰুৱাৰ ঔৰসত, বিস্তীৰ্ণ ব্ৰহ্মপুত্ৰৰ বুকুত কোনো এখন নাৱৰ কুণ্ডিত, লক্ষ্মী পূৰ্ণিমা তিথিত জন্ম হয়। তেওঁৰ লক্ষীমপুৰতে বিদ্যা আৰম্ভ হৈছিল যদিও শিৱসাগৰতে তেওঁ প্ৰকৃত শিক্ষা লাভ কৰে। কলিকতাত থাকি বি, এ, পাছ কৰাৰ পিছত বৃটিছ চৰকাৰৰ তলত তেওঁ চাকৰি কৰিবলৈ অনুমতি পাইছিল। কিন্তু বেজবৰুৱাই স্বাধীন

চেতীয়া মনৰ পৰিচয় দি বিদেশী চবকাৰৰ তলত চাকৰি নকৰিলে। বৰং তেওঁ কলিকতাত থকা অসমীয়া সাউদ ভোলানাথ বৰুৱাৰ লগত আৰু পিচত "ৱাৰ্ড কোম্পানী"ত কাঠৰ ব্যৱসায়ত লাগে। কিন্তু আচৰিত যেন লাগে যে এইজনা কাঠৰ কাৰবাৰী লোক লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া সাহিত্যৰ এজন একনিষ্ঠ সাধক আৰু শ্ৰেষ্ঠ সাহিত্যিকো। বিশ্ব-সাহিত্যৰ বুৰঞ্জীত কাঠৰ ব্যৱসায় কৰি জীৱিকা নিৰ্বাহ কৰা লোকে সাহিত্য চৰ্চা কৰি সুখ্যাতি অৰ্জন কৰা নিদৰ্শন বিৰল।

বেজবৰুৱাই উনবিংশ শতিকাৰ শেষৰ পিনে পোনতে গল্প লিখাৰ প্ৰয়াস কৰে। সেই সময়ৰ কলিকতীয়া অসমীয়া ছাত্ৰৰ মুখপত্ৰ "জোনাকী" নামৰ কাকত খনেৰেই তেওঁ তেওঁৰ সাহিত্যিক জীৱনৰ পাতনি মেলে। "জোনাকী"ৰ প্ৰতিষ্ঠাপক— সম্পাদক আছিল চন্দ্ৰকুমাৰ আগৰৱালাদেৱ। কিন্তু বেজবৰুৱাদেৱ আছিল ইয়াৰ সৰ্বপ্ৰধান লিখক। "জোনাকী"ৰ বুকুতে পোন প্ৰথমে "লিতিকাই" নামৰ ধেমেলীয়া নাটখনিৰে তেওঁ সাহিত্যিক হিচাপে আত্মবিকাশ কৰে। তাৰ পিচত কেবাখনো ধেমেলীয়া নাটৰ উপৰিও গধুৰ বুৰঞ্জীমূলক নাট তিনিখনো তেওঁ ৰচনা কৰে। "জোনাকী"ৰ বুকুতে তেওঁ কবিতা, গল্প, উপন্যাস, প্ৰবন্ধ, সমালোচনা, জীৱনী, শিশু-সাহিত্য, ধৰ্মীয়তত্ত্ব আদি লিখে আৰু তেওঁৰ এই ৰচনা পাতিৰ দ্বাৰাই, অসমীয়া সাহিত্য কাননৰ পুষ্টি সাধন হ'বলৈ পায়। বেজবৰুৱাই সেই সময়ত বিশেষকৈ গল্প লিখাৰ যোখনি নেমেলাহেঁতেন, অসমীয়া গল্প-সাহিত্যৰ বিকাশ আৰু মন্থৰ গতিত প্ৰবাহিত হ'লহেঁতেন। আনফালে বেজবৰুৱাই অসমৰ জাতীয় দুৰ্দিনত কলম তুলি লৈছিল, আৰু বঙালীৰ সমান্তৰাল ভাৱে অসমীয়া সাহিত্যৰ উন্নতি সাধন কৰিছিল।

সময়ত বেজবৰুৱাদেৱে 'জোনাকী'ৰ সৰ্বশ্ৰেষ্ঠ সম্পাদকো হৈ পৰে। 'জোনাকী' কাকতৰ প্ৰেৰণাতে অনুপ্ৰাণিত হৈ তেওঁ 'বাঁহী' নামৰ সাময়িকী কাকত এখন উলিয়ায়। তেওঁ নিজে ইয়াৰ সম্পাদনাৰ দায়িত্ব বহন কৰে। বেজবৰুৱাৰ সম্পাদিত এই 'বাঁহী' কাকতখনৰ অৱদান অতুলনীয়। কিয়নো যি সময়ত অসমীয়া জাতিয়ে সময়ৰ কৰাল গ্ৰাসত পৰি নিজস্ব ভাষা-সাহিত্য, সংস্কৃতি আদি সকলোকে হেৰুৱাই আত্মবিস্মৃত হৈ বিজাতৰীয়া অসমীয়া জাতি হিচাপে পৰিণত হৈছিল। সেই সময়টো আছিল অসমৰ জাতীয় জীৱনৰ কাল সন্ধিক্ষণ। এফালে পাশ্চাত্যৰ শিক্ষাৰ পোহৰ পোৱা লোক সকলে প্ৰাচ্য পন্থীসকলক তাচ্ছিল্য কৰিছিল। আনফালে প্ৰাচ্যপন্থী সকলেও পাশ্চাত্য শিক্ষাৰে শিক্ষিত হোৱা লোকসকলক ঘৃণাৰ চকুৰে চাইছিল। শিক্ষিত লোকসকলৰ এনে বিভেদগামী বিশৃংখলা হেতুকে অসমৰ জাতীয় জীৱনৰ প্ৰগতিৰ পথ ৰুদ্ধ হোৱাৰ উপক্ৰম হৈছিল। সেয়েহে বেজবৰুৱাই অসমৰ জাতীয় জীৱনৰ এনে বিশৃংখলা দূৰ কৰিবৰ অৰ্থে সমালোচনা মূলক বহুতো ৰচনা পাতিত অসমৰ গৌৰৱময় দিনৰ চিত্ৰ লিপিবদ্ধ কৰি অসমীয়াৰ অন্তৰত আত্ম-চেতনাৰ ভাৱ জগাই তুলিছিল। আনহাতে

'বাঁহী'ৰ পাতত তেওঁ কার্টুনৰ অৱতাৰণাও কৰিছিল। 'বাঁহীৰ পাতত তেওঁ কার্টুনৰ অৱতাৰণা নকৰাহেঁতেন অসমীয়া কার্টুন-সাহিত্যই আজিৰ এই অৱস্থা নেপালেহেঁতেন। ঠিক সেই একে সময়তে যদি তেওঁ 'শ্ৰীশ্ৰীশঙ্কৰদেৱ' নামৰ পুথিৰে সাহিত্যৰ সমালোচনাৰ পাতনি নেমেলাহেঁতেন অসমীয়া সমালোচনা সাহিত্য আজি-কিজানি অসমীয়া সমালোচনা সাহিত্য আজি-ভকৈও অতি চালুকীয়া অৱস্থাত থাকিলহেঁতেন।

বেজবৰুৱাই অৱশ্যে কালজয়ী সাহিত্য সৃষ্টি কৰি থৈ যোৱা নাই। তথাপি বেজবৰুৱা অসমীয়াৰ মানত অতুলনীয় প্ৰতিভাশালী ব্যক্তি। তেওঁৰ প্ৰতিভা একমুখী নাছিল, ই আছিল বহুমুখী আৰু বিস্তীৰ্ণ। বেজবৰুৱাই বিভিন্ন ধৰণে অৱদান আগবঢ়াই অসমীয়া সাহিত্য কাননৰ পৰিপুষ্টি সাধন কৰিলে আৰু লগতে নানা তৰহৰ সুগন্ধি ফুলৰ সৌৰভ বিলাই দি ইয়াক জাতিষ্কাৰ কৰি থৈও গ'ল।

অসমীয়া নাট্য সাহিত্যলৈ বেজবৰুৱাদেৱৰ অৱদান মন কৰিবলগীয়া। তেওঁ কেবাখনো অৱদান মন কৰিবলগীয়া। তেওঁ কেবাখনো ধেমেলীয়া নাট আৰু কেবাখনো গহীন বুৰঞ্জী-মূলক নাট ৰচনা কৰে। 'লিতিকাই, 'নোমল', 'চিকৰ্ পতি-নিকৰ্ পতি, 'পাঁচনি' আদি ধেমেলীয়া আৰু 'জয়মতী কুঁৱৰী', 'বেলিমাৰ', 'চক্ৰধ্বজ সিংহ' আদি গহীন বুৰঞ্জীমূলক নাট তেওঁ ৰচনা কৰিছিল। ডাঃ বাণীকান্ত কাকতিৰ ভাষাত 'জাগ্ৰত স্বদেশানুৰাগ, অপূৰ্ব ৰচনা পদ্ধতি আৰু প্ৰকৃত হাস্যৰস এই তিনিটা উপাদান লৈ বেজবৰুৱাৰ প্ৰতিভাই আধুনিক সাহিত্যৰ সকলো বিভাগতেই বিকাশ লাভ কৰিছে।' বেজবৰুৱাৰ ধেমেলীয়া নাটৰ ক্ষেত্ৰতো ডাঃ কাকতিৰ এই উক্তি সমৰ্থন যোগ্য। বেজবৰুৱাই ধেমেলীয়া নাটৰ মাজেদি তেওঁৰ সময়ৰ দুৰ্নীতিগ্ৰস্ত, পঙ্গু অসমীয়া সমাজ জীৱনৰ ওপৰত বক্ৰভাৱে দৃষ্টিপাত কৰিছে আৰু লগে লগে ইয়াৰ সংস্কাৰো কামনা কৰিছে। এই ধেমেলীয়া নাট বা প্ৰহসন কেইখনত সন্নিবিষ্ট কৰা ব্যঙ্গাত্মক ভাৱ আৰু দৃশ্যবোৰৰ সমাদৰ চিৰদিন অটুট থাকিব। বেজবৰুৱাদেৱৰ প্ৰহসন অসমীয়া সাহিত্যৰ গৌৰৱৰ কাৰণ। আজিও বেজবৰুৱা-দেৱক অনুকৰণ কৰি বহুতে অসমীয়া সাহিত্যত প্ৰহসন ৰচনা কৰি আছে। তেওঁৰ এই ধেমেলীয়া আৰু বুৰঞ্জীমূলক নাটবোৰে অসমীয়া সাহিত্যৰ নাট্য জগতখন যে যথেষ্ট সমৃদ্ধিশালী কৰি তুলিছে তাক দুই কৰিব নোৱাৰি।

কবি হিচাপেও বেজবৰুৱাদেৱৰ সাহিত্যৰ কাব্য-জগতখনলৈ অৱদান কম নহয়। বেজবৰুৱাই ছাত্ৰ অৱস্থাৰ পৰাই কবিতা ৰচনা কৰিছিল। তেওঁ ১৮৮৯ চনৰ পৰাই কবিতা লিখে। পাচত বহুতো কবিতা সন্নিবিষ্ট কৰি ১৯১৩ চনত 'কদম কলি' নামৰ কবিতা পুথি আকাৰে ছপা কৰি উলিয়ায়। শেষত 'পদুম কলি' নামৰ কবিতা পুথি এখনো তেওঁ উলিয়ায়। যদিও তেওঁৰ কবিতা পুথি এই দুখনেই তথাপি তাত থকা কবিতাবোৰৰ মাহাত্ম্য কম নহয়। প্ৰেমেই তেওঁৰ কবিতাবোৰত কেন্দ্ৰীয় স্থান লাভ কৰিছে। প্ৰেম মানে মানবীয় প্ৰেম আৰু স্বদেশ প্ৰেম। স্বদেশ প্ৰীতিৰ কবিতাবোৰ হ'ল, বেজবৰুৱাৰ আশাবাদী মনৰ সুপ্ৰকাশ। স্বদেশ

প্ৰীতিৰ এই কবিতাবোৰে অসমীয়া জাতিৰ আত্মবিস্মৃত প্ৰাণত নৱজাগৃতিৰ সঞ্চাৰ কৰিছিল। 'অসম সংগীত' কবিতাটিত কবিয়ে অতীত অসমৰ যশ-কীৰ্তি সুঁৱৰিছে আৰু তেওঁ সমকালীন অসমৰ লগত অতীত অসমক তুলনা কৰি কৈছে :—

'আমি অসমীয়া নহও দুখীয়া, কিহৰ দুখীয়া হ'ম, সকলো আছিল, সকলো আছে, সুগুণো নলওঁ গম।' বেজবৰুৱাৰ পিছত দেশাত্মবোধ উদ্দীপক এনে মধুৰ আৰু চিত্তাকৰ্ষী কবিতা অসমীয়াত আচলতে আন কোনেও ৰচনা কৰিব পৰা নাই। বৰং বেজবৰুৱাৰ পিচত যিসকল কবিয়ে দেশাত্মবোধৰ ওপৰত কবিতা ৰচিলে সেওঁলোক সকলোৱে বেজবৰুৱাৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা বুলি কব পাৰি।

আনহাতে অসমীয়া চুটি গল্পৰ প্ৰথম পথ-প্ৰদৰ্শক বেজবৰুৱাই। তেওঁৰ গল্পৰ সংকলন তিনিটা—[ ১ ] 'সুৰভি' [ ২ ] 'সাধুকথাৰ কুঁকি' আৰু [ ৩ ] 'জোনবিৰি'। তিনিওটা গল্প সংকলনতে সৰ্বমুঠ তিনিকুৰিৰ অলপ কম গল্প সন্নিবিষ্ট হৈছে। তেওঁৰ চুটি গল্পবোৰৰ প্ৰধান আকৰ্ষণ হ'ল তেওঁৰ ব্যঙ্গাত্মক প্ৰকাশভঙ্গী। সেয়ে তেওঁৰ গল্পবোৰ সকলো শ্ৰেণীৰ পাঠক-পাঠিকাৰ কাৰণে সুখপাঠ্য হৈছে। 'মিলাৰামৰ আত্মজীৱনী' 'ভোকেন্দ্ৰ বৰুৱা' আদি গল্পবোৰৰ প্ৰধান আকৰ্ষণ হ'ল সৰল প্ৰকাশভঙ্গী। অধিকন্তু বৰ্ণনাপ্ৰিয়তা, যথাৰ্থযুক্ত শব্দ আৰু বাক্যৰ প্ৰয়োগে তেওঁৰ গল্পৰ চাৰুতা অক্ষুন্ন ৰাখিব। ব্যঙ্গাত্মক গল্প লেখক হিচাপেও তেওঁ যথাৰ্থতে সৰ্বশ্ৰেষ্ঠ। অধিকন্তু বেজবৰুৱাৰ লেখনীৰ মাজেদি পশ্চিমীয়া চুটি গল্পৰ অনুকৰণত অসমীয়া সাধুকথাৰ নতুন সংস্কৰণ একশ্ৰেণী সাহিত্যৰ সৃষ্টি হ'ল। ইংৰাজী সাহিত্যৰ ঔপন্যাসিক চাৰ্লছ্ ডিকেন্‌ছৰ ব্যঙ্গ-মূৰ্ত্তি পিক্‌ৱিককে চানেকি ৰাখি বেজবৰুৱাই 'কৃপাবৰ বৰবৰুৱা নামেৰে এক খণ্ডাল পেটাল জুমুথি সাজিলে আৰু তাত অসমীয়া বহুৱালি ব্যঙ্গ আৰু হাস্যৰসৰ ৱিট্ আৰু হিউমাৰৰ ৰং-বহণ বোৱাই দিলে।' বেজবৰুৱাৰ অনুকৰণ আৰু অনুশীলনৰ ফলস্বৰূপে আজি অসমীয়া সাহিত্যত বহুতে গল্প সাহিত্য ৰচনা কৰি অসমীয়া গল্প-সাহিত্যক বিশ্বমুখী কৰি তুলিব পাৰিছে।

বেজবৰুৱাই লিখা উপন্যাস 'পদুম কুঁৱৰী'ৰ 'জোনাকী' কাকততে খণ্ড-খণ্ডকৈ প্ৰকাশ পায়। ১৯০৫ চনত অৱশ্যে ই পুথি আকাৰত প্ৰকাশ পায়। বেজবৰুৱাৰ 'পদুম কুঁৱৰী'য়ে একমাত্ৰ উপন্যাস। ই এখন বুৰঞ্জীৰ পটভূমিত ৰচিত উপন্যাস। 'সুধৰ্মাৰ উপন্যাস', 'ভানুমতী' আৰু 'লাহৰী'ৰ পিচতেই ৰচিত হিচাপেই অসমীয়া উপন্যাস-সাহিত্যৰ পৰম্পৰা গঢ়াত ইয়ে গুৰুত্বপূৰ্ণ ভূমিকা লৈছে।

বেজবৰুৱাক জীৱন-চৰিতকাৰ হিচাপেও পোৱা যায়। অসমীয়াৰ প্ৰাণত নৱ-চেতনাৰ সঞ্চাৰ কৰা শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ প্ৰতি বেজবৰুৱাই অসীম শ্ৰদ্ধা জ্ঞাপন কৰিছিল। এই শ্ৰদ্ধাৰ চিন স্বৰূপে বেজবৰুৱাই 'শ্ৰীশ্ৰীশঙ্কৰদেৱ' আৰু 'শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু মাধৱদেৱ' নামৰ জীৱন চৰিত পুথি ৰচনা কৰে। ইয়াৰোপৰি

তেওঁৰ 'চৈতন্যদেৱ', 'মোৰ জীৱন সোঁৱৰণ' 'ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ সংক্ষিপ্ত জীৱন চৰিত্ৰ' আদি জীৱনীমূলক আৰু আত্মজীৱনীমূলক চৰিত পুথিসমূহ অসমীয়া জীৱনী-সাহিত্য ভঁৰাললৈ অনুপম বিশিষ্ট অৱদান।

প্ৰৱন্ধকাৰ হিচাপেও বেজবৰুৱাৰ অৱদান অসমীয়া সাহিত্যলৈ কম নহয়। তেওঁ প্ৰৱন্ধ ৰচিছিল হাস্যৰসাত্মক অথচ সংস্কাৰমূলক মনোভাবেৰে। 'কৃপাবৰ বৰবৰুৱাৰ ওভতনি', 'বৰবৰুৱাৰ বুলনি' আদি তেওঁ লিখা প্ৰৱন্ধ সমূহ। তেওঁ গধূৰ আৰু মূল্যবান গ্ৰন্থও ৰচনা নকৰা নহয়। 'ভাৰতবৰ্ষৰ বুৰঞ্জী' আৰু 'অসমীয়া ভাষা আৰু সাহিত্য' নামৰ দুখনি মূল্যবান গ্ৰন্থও তেওঁ লিখি উলিয়ায়। আনফালে তেওঁৰ গ্ৰন্থও তেওঁ লিখি উলিয়ায় তত্ত্বগধূৰ গ্ৰন্থবোৰ হৈছে 'শ্ৰীকৃষ্ণকথা', 'ভাগৱত কথা, 'তত্ত্বকথা', 'ৰাসলীলা তত্ত্ব' আদি। এনেকৈ বেজবৰুৱাই বিভিন্ন ভাব আৰু চিন্তামূলক প্ৰৱন্ধ ৰচনা কৰি অসমীয়া প্ৰৱন্ধ সাহিত্যৰ স্বৰ্ণসৌধ ৰচিলে।

অসমীয়া সাহিত্য কাননত বেজবৰুৱাৰ সৃষ্টি বহুতো আৰু বহুমুখীও। প্ৰায় আধা শতিকা (১৮৮৮–১৯৩৮) বেজবৰুৱাই বৰ্তমান অসমীয়া সাহিত্যৰ মুকুটবিহীন সম্ৰাট আছিল আৰু এই সুদীৰ্ঘকাল তেওঁ মহাপয়োভৰে অসমীয়া সাহিত্যৰ অধিনায়কত্ব কৰিছিল। আজি যদি সত্যৰ অপলাপ নকৰাকৈ কোৱা হয় তেনেহলে প্ৰকৃততে বেজবৰুৱাৰ দৰে বহুমুখী প্ৰতিভাৱান সাহিত্যিক, অসমীয়া সাহিত্যত আৰু দ্বিতীয়জন এতিয়ালৈকে ওলোৱা নাই বুলিলেও হয়।

অসমীয়া সাহিত্য কাননলৈ লক্ষ্মীনাথ বেজবৰুৱাই বিভিন্ন ধৰণে যি অৱদান আগবঢ়াই গ'ল তাক প্ৰতিজন অসমীয়াই সুঁৱৰিব লাগিব আৰু অসমীয়া সাহিত্য আকাশত তেওঁ উজ্জ্বল জ্যোতিষ্ক হৈ থাকিব।

"জীৱনত ধন ঘটাটোৱেই একমাত্ৰ কাম্য হ'ব নোৱাৰে। মানুহ হৈ থাকিব পৰাটোহে আচল কথা। নিজে কিমান সুখ-সুবিধা আহৰণ কৰিব পাৰি নাইবা কিমান ওপৰলৈ উন্নতিৰ জখলাত বগাব পাৰি সেইটোৰ চিন্তাত থকাতকৈ আনৰ বাবে কিমানখিনি কৰিব পৰা যায় তাৰ চিন্তাহে কৰিব লাগে।"

—ৰাধাকৃষ্ণণ

× × × ×

"ছাত্ৰ-ছাত্ৰীৰ প্ৰতি শ্ৰদ্ধাৰ মনোভাব পোষণ কৰিব পৰাটোতেই শিক্ষাৰ অন্তৰ্নিহিত ৰহস্য লুকাই আছে।"

—এমাৰ্ছন্

× × × ×

"ল'ৰা-ছোৱালীক কেৱল ভদ্ৰলোক বা ভদ্ৰমহিলা হ'বলৈ নিশিকাই শিক্ষাৰ লাগে প্ৰকৃত পুৰুষ বা মহিলা হ'বলৈ।"

—হাৰ্বাট স্পেন্সাৰ



Our Boys' College Hostel.



**Our College Building.**

# নতুন প্ৰভাত

মণীমোহন মজুমদাৰ
১ম বাৰ্ষিক স্নাতক
(ক'লা)

তেতিয়া বহুত ৰাতি
ছচকুত দুঃস্বপ্নৰ আতংক লৈ
মই সাৰ পাই উঠিছিলোঁ।
বাহিৰত অন্ধকাৰৰ অবাধ ৰাজত্ব
ইমান আন্ধাৰ। ইমান সৰ্বগ্ৰাসী
কিয় জানো বাৰ্ বাৰ্ চমকি উঠিছিলোঁ।
অসহায় শিশুৰ দৰে কিয় জানোঁ।
নিজকে প্ৰশ্ন কৰিছিলোঁ।—
কেতিয়া পুৱাব এই কাল অমানিশা
কেতিয়া আঁতৰি যাব এই অন্ধকাৰ।
কোনোবাই যেন মোক আলফুলে
চোৰাঁৰ বুলাই কৈছিল,—সময় আহিছে
সময়ৰ কাঠগড়াত সিহঁতৰ বিচাৰ হব,
যোৱা বেলি বহাগত ঠিক হোৱা ভুনীজনীৰ বিয়াখন
এইবেলি বহাগত তুমি যেনেতেনে পাতিব পাৰিবা
আথল ঘৰৰ খালি চকলৈ চাই চকুপানী টুকি থকা—
তোমাৰ মাক তুমি আকউ হঁহা দেখিবা
পদূলিৰ বকুল জোপাৰ তলত গোট খোৱা
ভাইটিহঁতৰ কিৰিলিত — দোকামোকালিতে
তুমি আকউ সাৰ পাই উঠিবা।
বুজা আৰু নুবুজাৰ
পোৱা আৰু নোপোৱাৰ দোমোজাত
স্বপ্নজাল মোৰ সমূলি আঁতৰি গৈছিল
জীৱন মানেতো সংগ্ৰাম
মোৰ শৈশৱ, কৈশোৰ আৰু যৌৱনৰ
অম্লান অভিজ্ঞতা
ঠিক তেতিয়াই—
মোৰ উকথা পঁজাৰ চাৰিওফালে শুনিছিলে।
উকলীকৃত জনতাৰ জয়োল্লাস
আৰু দেখিছিলোঁ।—
ভঁগা বেৰৰ মাজেৰে আহি আছে
এটি নতুন সূৰুযৰ নতুন পোহৰ
ইমান তেজাল, অথচ ইমান স্নিগ্ধ তাৰ পোহৰ।

- 00--

# তৃষ্ণার্ত

প্ৰদীপ দাস
প্ৰাঃ বিঃ ২য় বাৰ্ষিক

জীৱনৰ প্ৰতিটো মুহূৰ্ততে উপলব্ধি হয়
অনিচ্ছাকৃত মৃত্যুৰ আহ্বান ।
শিলাবৃষ্টি আৰু ধুমুহাত
বিপন্ন মোৰ অস্তিত্বক
জীয়াই ৰখাৰ তুমুল সংগ্ৰাম,
বিপ্লৱ কৰে
মোৰ শৰীৰৰ প্ৰতি টোপাল বক্তই
জীয়াই আছোঁ মই তাতেই ।
হৃদয়ত জোৱাৰৰ প্লাৱন
কঁপি উঠে মোৰ গোটেই সত্তা
বিচাৰি যাওঁ সদ্যজাত পুৱাৰ পোহৰ
উচুপা হৃচকুত অবুজ বিস্ময়েৰে ।

—×—

# প্ৰ
# শ্ন
# তি

উপেন্দ্ৰ ৰাভা
প্ৰাঃ বিঃ ২য় বাৰ্ষিক

উদয়াচলৰ ৰক্তিম সূৰ্যক লুকাভাকু
অনেক দিনৰ সঞ্চিত আশাই
উজাৰি দিয়েছি প্ৰবাহিত বিন্দু
নিত্য নতুন উদ্যম তোমাৰ
তোমাৰ পোহৰেৰে বাট বুলি যাম
মোকো কৰা দীক্ষিত তোমাত ।

—00—

# অনুভূতি

ভবেন্দ্র চন্দ্র বসুমতাৰী
প্ৰাক্ বিশ্ববিদ্যালয় ২য় বাৰ্ষিক

শীতৰ ৰাতি ব' লাগি চাই ৰলোঁ।
তোমাৰ দেহত এটা গৰম কামিজ,
গৰম কামিজৰ উষ্ণ প্ৰতিশ্ৰুতি।
তোমাৰ দৰে ময়ো মুক্তিৰ অদম্য স্পৃহাত
গান গাওঁ,—কবিতা লিখোঁ
কেতিয়াবা জুই হৈ জ্বলি উঠোঁ
দুৰ্গম আত্মাৰ অৰণ্যত।
মাটিৰ বুকুত শুনোঁ
বিপ্লৱৰ পদধ্বনি
জীৱনৰ নতুন প্ৰত্যয়
বীভৎস নৰক আজি
এইদৰে শেষ হৈ যায়
মোৰ স্বপ্নৰ পৃথিৱীত।

---

# —জুই—

ভৱানী প্ৰসাদ দাস
প্ৰাঃ বিঃ ১ম বাৰ্ষিক

হঠাৎ একুৰা জুই
দেখিলোঁ মেৰু প্ৰান্তত
দপ্-দপ্ কৈ জ্বলি উঠা,
ক্ষিপ্ৰতাবে জ্বলি জ্বলি
ফিৰ-ফিৰ বতাহত উৰি আহি
ফিৰিঙতিবোৰ
মুষ্ঠি মুষ্ঠিকৈ ·ছিতিকি পৰিব
দৰিদ্ৰতা আৰু হাহাকাৰৰ
পৃথিৱীত—
দুৰ্জয়ৰ দৰে অগ্নিশিখাবোৰে
কৰিব এক
বিৰাট বিপ্লৱৰ
প্ৰস্তুতি।

—x—

# ॥ স্বগত ॥

বসন্ত দত্ত

প্ৰবল ভূঁইকঁপ এটিৰ আগজাননী
অনুভৱ কৰিছোঁ। এই শীতৰ ৰাতি,
মই বহি থকা মিনাৰটো
যদি পৰিবলৈ বেছিপৰ নাই
মোৰ উপৰি পুৰুষৰ
সাধনাৰ ধন—
ৰংমন—ৰতিলীৰ
জয়ৰাম—পদুমীৰ
মাটি-ভেটি আৰু হাতৰ কাপৰ
বন্ধকী দলিল সমহে
সচা আছে এই মিনাৰ তলিত।

মই বুজিছোঁ।—
মই বহি থকা মিনাৰটো
যদি পৰিবলৈ বেছিপৰ নাই,
আবোলৰ পথাৰত থানবোৰ
আজিও লোপ হৈ জিলিকিছে
আকাশৰ মাজেদি বতাহত উটি অহা
থানৰ গোন্ধত আজি পাত লেখোন
মাটিৰাম—মালতীৰ
সংৰাম—সেউতীৰ কপালৰ
ঘামৰ সুগীৰা গোন্ধ।

প্ৰবল ভূঁইকঁপ এটিৰ আগজাননী
অনুভৱ কৰিছোঁ। এই শীতৰ ৰাতি,
অদূৰত কাৰোবাৰ হিল্‌হ'ল্‌ জোতা
পদধ্বনি
মিনাৰ তলৰ সমৰৰ আৰু
সুৰাই লোৱাৰ কোলাহল
সেয়ে মিনাৰত আঁৰি থকা
মোৰ হাতৰ বজ্ৰমুষ্টি আজি
ক্ৰমে শিথিল হৈ আহিছে।

××××

# —গ্ৰীষ্মোত্তাপ—

হংসধৰ দৈমাৰী
প্ৰাঃ বিঃ ১ম বাৰ্ষিক

গ্ৰীষ্মৰ উত্তাপ
ধাবৰ বুকুত
প্ৰকৃতিৰ প্ৰভাৱ
বিস্ময় অটুট ।

দুষ্কৃতি তোমাৰ
পৰিণতি নাই
(আছে) অনাগত অঙ্গীকাৰ ।

অপৰাজেয় সূৰ্য
নুডুবে নাযায়
সিটো দিনৰ ।

কিযে তীক্ষ্ণ ৰ'দ
মাথো যাতনা হায়
প্ৰতি বৰিষৰ ।

ঠিক সেই
ৰ'দৰ তাপ
আজিৰ নহয়
বহু অতীতৰ ।

# সেই সুৰ

কামিনী মোহন শৰ্মা
অধ্যাপক

মেক্স মূলাৰৰ—ভূ-স্বৰ্গ
১৯৭৭ চনৰ ২৪ মাৰ্চৰ—কোৱাচৰ
অৰ্থ হয়তো নুবুজিলো নুবুজিম
কিন্তু তাৰ সুৰটো—
ভূমিষ্ঠ নৱজাতকৰ ক্ৰন্দনৰ দৰে
মুক্তিৰ সেই সুৰ
প্ৰসূতিৰ কেঁকনিৰ দৰে
তৃপ্তিৰ সেই সুৰ
যুৱতীৰ হাঁহিৰ দৰে
আনন্দৰ সেই সুৰ
বতাহ তলত কইনাৰ উচুপনিৰ দৰে
মোহময় সেই সুৰ
এটি পকা পাত সৰি পৰাৰ দৰে
শান্ত সেই সুৰ
এটি ফুল ফুলাৰ নৈশব্দৰ দৰে
"ওঁ" সেই সুৰ ।

# জৱাহৰ-জ্যোতি

মিচ্ জাহানাৰা বেগম
প্ৰাক্ বিশ্ববিদ্যালয়
১ম বাৰ্ষিক।

এই গছি চাকি
কোনে জ্বালিছিল
ইয়াতে উৰ্তিব জ্বলি ?

এইটি কলি
কোনে জ্বালিছিল
ইয়াতে উৰ্তিব ফুলি ?

এয়াতো নহয়
বতাহৰ সুকোমল ডেউকাত
নীৰবে নুমাই যোৱা এগছি চাকি।

এয়াতো নহয়
বহাগৰ ৰবদৈচিলাত
ডালসৰি পৰা এটি সুকোমল কলি।

জৱাহৰ-জ্যোতি।
তুমিতো এক অক্ষয় বন্তি।
যুগে যুগে পোহৰ বিলাবলৈ
চৌদিশ আমোল-মোলাই সৌৰভ বিলাবলৈ
তুমিতো এক অমোঘ শক্তি।

জৱাহৰ-জ্যোতি।
সেয়ে তোমাক কৰিছোঁ হেজাৰ প্ৰণতি।

— x —

# দুটি কবিতা

নিজৰা দাস

[ ১ ]

বতাহতেই আছে বিশুদ্ধতা।
তোমাৰ মোৰ সত্তাত একা ?
এইদৰেই যুঁজিছো অহৰ্নিশ
বন্ধ কোঠাৰ ৰুদ্ধতাত
তথাপিওতো ৰৈ আছোঁ—
খিৰিকি খোলাৰ আশাত।

[ ২ ]

বসন্তত হেৰাই যোৱা
অনেক পখীৰ কূজন
মই হেৰা পাওঁ—
যেতিয়া ভ্ৰমৰ ঘামে
শীতল কৰে মোৰ ভৰি-পতা।
এইদৰেই জীয়াই আছো মই
দুভৰিৰ তৃপ্ততাত—।

০ ০ ০



*N. S. S. Velunteers at work in the Horticulture Farm of the College.*



*Horticulture Farm raised by the N. S. S. Volunteers of the College.*

# লোকায়ত দৰ্শন

বনমালী দাস।
প্ৰাঃ বিঃ ১ম বাৰ্ষিক

"অন্যক্ষেত্ৰত পশুহত্যা বিধিসন্মত নহয়, কিন্তু যজ্ঞত পশুহত্যা বিধিসন্মত কাৰণ তাৰ ফলত পশুৰ স্বৰ্গলাভ হয়"—(কুমাৰীলা)। লোকায়ত দাৰ্শনিকৰ মতে—"যজ্ঞত হত্যা কৰা পশুৰ যদি স্বৰ্গলাভ হয় তেতিয়া যজমানে নিজে পিতৃক হত্যা কৰি সহজে স্বৰ্গলাভৰ ব্যৱস্থা কৰিব পাৰে। "শ্ৰাদ্ধ অৰ্পণ কৰিলে যদি মৃতাকৰ আত্মাই তৃপ্তি লাভ কৰে, তেতিয়া ভ্ৰমণকাৰীয়ে লগত খাদ্য সম্ভাৰ নিয়া অৰ্থহীন। যদি মৰ্ত্তত দিয়া শ্ৰাদ্ধৰ দ্বাৰাই স্বৰ্গত মৃতকৰ আত্মাই তৃপ্তি পায় তেতিয়া দুই মহলত থকা মানুহক তলত খাদ্য সম্ভাৰ দিলেই সন্তুষ্ট হোৱা উচিত।"

বিশ্বৰ ইতিহাস পৰিবৰ্ত্তন কৰাৰ দুটা ধাৰা প্ৰাচীন কালৰ পৰাই প্ৰৱাহিত হৈ আহিছে। এটা হ'ল—ভাব আৰু আবেগৰ দ্বাৰাই মানুহৰ অন্তৰ জগতৰ পৰিবৰ্ত্তন কৰাৰ চেষ্টা আৰু আনটি হ'ল—বাস্তৱ অভিজ্ঞতা আৰু বৈজ্ঞানিক কৰ্মৰ দ্বাৰাই মানুহৰ বাহ্যিক জগতত পৰিবৰ্তন অনাৰ চেষ্টা। এই দুই বিৰোধী চিন্তা-ধাৰাৰ পৰা দুটা দাৰ্শনিক চিন্তা-ধাৰাৰ জন্ম হৈছে। এটা হ'ল ভাৱবাদ আৰু আনটি হ'ল বস্তুবাদ। মন যি দৰ্শনৰ আলোচ্য বস্তু সি হ'ল ভাৱবাদী-দৰ্শন আৰু বস্তু অৰ্থাৎ বাস্তৱ পৃথিৱীয়ে যি দৰ্শনৰ কেন্দ্ৰ বিন্দু, সি হ'ল বস্তুবাদী দৰ্শন। মানৱ সমাজৰ বিবৰ্তনত বস্তুৱে আগভাগ লৈছিল আৰু তাৰ পিচতে মন বা চৈতন্যৰ উৎপত্তি হৈছিল। ভাৱবাদী দৰ্শন সমাজৰ ওপৰ শ্ৰেণীৰ মানুহৰ বৰ প্ৰিয়। তেওঁলোকৰ সুবিধাৰ বাবে সমাজৰ এটা শ্ৰেণীয়ে ভাৱবাদী দৰ্শন চৰ্চা কৰি-বলৈ সুবিধা পায়। কিন্তু সমাজত যেতিয়া দৈহিক আৰু মানসিক কৰ্মৰ মাজত বিভাজন হয় আৰু উচ্চ শ্ৰেণীৰ মানুহে নিম্ন শ্ৰেণীৰ মানুহক শোষণ কৰে, তেতিয়াই ভাৱবাদী দৰ্শনৰ মাজত শ্ৰেণী দ্বন্দ্ব প্ৰতিফলিত হয়। উদাহৰণ স্বৰূপে আমি বুদ্ধদৰ্শন আৰু লোকায়ত দৰ্শনৰ কথা উল্লেখ কৰিব পাৰো। বুদ্ধদৰ্শন আৰু লোকায়ত দৰ্শন হিন্দু ধৰ্মৰ ভাববাদী দৰ্শনৰ প্ৰতিবাদ স্বৰূপে উৎপত্তি হৈছিল।

লোকায়ত মানে হ'ল আমাৰ দেশৰ জন-সাধাৰণৰ দৰ্শন। জনসাধাৰণৰ দৰ্শন আৰু বস্তুবাদী দৰ্শনক বুজাবৰ কাৰণে দুটা স্বতন্ত্ৰ শব্দৰ প্ৰয়োজন নহয়। উভয় অৰ্থতে ব্যৱহৃত হোৱা শব্দটি হ'ল লোকায়ত। ভাৰতীয়ৰ প্ৰধানতম দাৰ্শনিক মত আধ্যাত্মবাদৰ আৰে আৰে এইবিধ দৰ্শনৰ প্ৰচলন চিৰ বিদ্যমান 'লোকেষু আয়ত লোকায়ত'। কিন্তু সুৰেন্দ্ৰ নাথ দাসগুপ্তৰ মতে লোকায়ত নামটিৰ আক্ষৰিক অৰ্থ হৈছে জনসা-

ধাৰণৰ মাজত যাৰ পৰিচয় পোৱা যায়।

স্বাভাৱিকতে আধুনিক পণ্ডিত সকলে দ্বিধা-চিধিভাৱে বস্তুবাদ অৰ্থত এই শব্দটি গ্ৰহণ কৰিছে। বুদ্ধ ঘোষৰ মতে আয়ত শব্দক আয়তন বা ভিত্তি অৰ্থত গ্ৰহণ কৰিছে। তাৰোপৰি যি দৰ্শনৰ ভিত্তিত ইহলোকৰ কথা কোৱা হয় তাবে নাম লোকায়ত।

লোকায়ত মানে জনসাধাৰণৰ দৰ্শন। লোকায়ত মানে বস্তুবাদী দৰ্শনো হয়। আধুনিক বিদ্বান সকলৰ ৰচনাত এই নামটিৰ অৰ্থ উভয় অৰ্থতে সু-স্পষ্টভাৱে স্বীকৃত। আনহাতে ভাৰতীয় দৰ্শনৰ ক্ষেত্ৰত অধ্যাত্মবাদ আৰু ভাববাদে চৰম গুৰুত্ব লাভ কৰিছে। আনকি দাবী কৰা হয় যে সামগ্ৰিকভাৱে ভাৰতীয় দৰ্শনৰ প্ৰকৃত বিশিষ্ট অধ্যাত্মবাদেই, যাক এক অৰ্থত ব্ৰাহ্মণ্য ধৰ্ম বুলি কব পাৰি। সাম্প্ৰতিক কালত এই ধৰণৰ দাবীৰ আটাইতকৈ জনপ্ৰিয় প্ৰচাৰক হ'ল ৰাধাকৃষ্ণণ। তেওঁৰ মতে ভাৰতবৰ্ষৰ দৰ্শনৰ মূলতে আধ্যাত্মিকতা। ভাৰতে যে মহাকালৰ ধ্বংসলীলা আৰু আৰু অঘটনৰ বিৰুদ্ধে প্ৰতিৰোধ শক্তি গঢ়িব পৰা হৈছে তাৰ কাৰণ কোনো বিৰাট ৰাষ্ট্ৰনৈতিক বা সামাজিক সংগঠন নহয়। তাৰ প্ৰকৃত কাৰণ হ'ল ভাৰতৰ গভীৰ অধ্যাত্মবাদ। ভাৰতীয় মনৰ যি বৈশিষ্ট্যই সমষ্ট সংস্কৃতি আৰু চিন্তাধাৰাক ৰূপায়িত কৰিছে সেই বৈশিষ্ট্যক কোৱা হয় অধ্যাত্মবাদ বা ব্ৰাহ্মণ্যবাদ। কিন্তু এই চিন্তাধাৰাৰ কাষে কাষে আন এটি দাৰ্শনিক চিন্তাধাৰা প্ৰবাহিত হৈ আছিল। এই চিন্তাধাৰাৰ প্ৰথম প্ৰবক্তাসকল হ'ল নাৰদ, কপিল, মহাবীৰ আৰু বুদ্ধ। ইয়াক যান্ত্ৰিক বস্তুবাদী দৰ্শন বুলি কব পাৰি।

ভাৰতীয় ঐতিহ্য অনুসৰি যিবিলাক চিন্তা প্ৰৱণতা বা দৃষ্টিভঙ্গী ভাৰতীয় জনসাধাৰণৰ মাজত পৰিব্যাপ্ত, তাৰেই নাম লোকায়ত আৰু এই দৃষ্টি-ভঙ্গীৰ প্ৰধানতম বৈশিষ্ট্য হ'ল অধ্যাত্মবাদ বিৰোধিতা। বৈদিক সংস্কৃতিৰ প্ৰাক্‌ঐতিহাসিক দৃষ্টি-ভঙ্গীৰে সৈতে বৈদিক দৃষ্টি ভঙ্গীৰ আচৰিত ধৰণৰ সাদৃশ্য পোৱা যায়। অৱশ্যে এই বিষয়ে সন্দেহ নাই যে ভাৰতীয় ঐতিহ্য অনুসৰি বৃহস্পতিয়েই চাৰ্বাক বা লোকায়ত মতৰ আদি-গুৰু। কিন্তু এই ঐতিহ্যৰ প্ৰাক্‌ঐতিহাসিক তাৎপৰ্য স্পষ্ট নহয়। কিয়নো বৃহস্পতি এটি পৌৰাণিক নাম মাত্ৰ।

প্ৰমাণ শব্দৰ অৰ্থই হ'ল প্ৰমা বা নিভুৰ্ল জ্ঞানৰ কাৰণ। সহজ ভাষাত যি উপায়ে নিভুৰ্ল জ্ঞান পোৱা যায় তাকেই প্ৰমাণ বোলে। ই দুবিধ যেনে—প্ৰত্যক্ষ প্ৰমাণ আৰু অনুমান প্ৰমাণ। অনুমান প্ৰমাণৰ মতে ব্ৰহ্মই একমাত্ৰ সত্য। গতিকে জগত মিছা। মায়া বা অজ্ঞানতাৰ ফলতেই এই মিছা জগতক সঁচা যেন দেখি। কিন্তু প্ৰত্যক্ষ প্ৰমাণৰ সহায়ত আমাৰ জগতখনক জানিব পাৰোঁ। গতিকে প্ৰত্যক্ষ প্ৰমাণ বা নিভুৰ্ল জ্ঞানৰ সাধক বুলি স্বীকাৰ কৰিলে এই মিছা জগতক সঁচা বুলি স্বীকাৰ কৰিব লগা হয়। সেয়েহে জগতৰ এই মিছাটো উদ্ধাৰৰ কাৰণে প্ৰমাণ খণ্ডনৰ প্ৰয়োজন হয়। এই কাৰণেই মায়াবাদৰ প্ৰধানতম প্ৰচাৰক শঙ্কৰাচাৰ্যই তেওঁৰ "শাৰীৰ ভাষ্য"ৰ পাতনিতে ঘোষণা কৰিছে

যে সকলো প্ৰকাৰ প্ৰমাণ অবিদ্যা বা অজ্ঞান মিশ্ৰিত। ভাৰতীয় দৰ্শনৰ ক্ষেত্ৰত প্ৰমাণৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে ন্যায় সম্প্ৰদায়ে। ন্যায়বিদসকলে কয় মায়াবাদীয়ে যদি কোনো প্ৰমাণেই স্বীকাৰ নকৰে তেনেহলে তেওঁলোকৰ পক্ষে দাৰ্শনিক বিচাৰ বা বিতৰ্কত যোগ দিয়াটো অসাধুতা তথা প্ৰৱঞ্চনাৰ সমতুল্য হব।

লোকায়তৰ মতে প্ৰত্যক্ষই এক মাত্ৰ প্ৰমাণ। ইন্দ্ৰিয়গ্ৰাহ্য জ্ঞানৰ ব্যতিৰেকে জ্ঞানৰ কোনো আলোচনা হব নোৱাৰে। লোকায়তৰ মতে ভাবাবেগ কেতিয়াও প্ৰমাণৰ চাৰি-কাঠী হ'ব নোৱাৰে। প্ৰত্যক্ষসিদ্ধ ক্ষিতি প্ৰভৃতি চতুৰ্ভূতেই তত্ব। অৰ্থাৎ ক্ষিতি, অপ, তেজ, বায়ু এই চাৰি প্ৰকাৰ জড়পদাৰ্থই সত্য বুলি স্বীকাৰ্য। কিয়নো ক্ষিতি প্ৰভৃতি চতুৰ্ভূত চেতনা বিহীন হলেও সেই চতুৰ্ভূতেই যেতিয়া দেহৰূপে পৰিণত হয় তেতিয়াই চেতনাৰ আবিৰ্ভাৱ হয়। এই চেতনাবিশিষ্ট দেহেই হ'ল আত্মা। দেহাতিৰিক্ত আত্মাৰ অস্তিত্ব কল্পনা মাত্ৰ। কাৰণ আমাৰ দেহ মানে-আমিয়েই দেহ,-দেহেই আমি। দেহ বিনষ্ট হলে আত্মাৰো বিনাশ হয়। গতিকে পৰলোকগামী আত্মা আৰু স্বৰ্গ প্ৰভৃতিৰ কল্পনাও ভিত্তিহীন বা অলীক।

ৰাধাকৃষ্ণণ আৰু মুৰ্‌য়াৰ উভয়ে লোকায়তক প্ৰাচীন ভাৰতৰ চিন্তা-স্বাধীনতাৰ সৈতে সম্পৰ্কিত বুলি বিবেচনা কৰিছে। ৰাধাকৃষ্ণণৰ সিদ্ধান্ত অনুসাৰে মহাকাব্যৰ যুগত ভাৰতত শ্ৰুতি শাস্ত্ৰৰ কঠোৰতা ভাঙি চিন্তাৰ মুক্তি ঘোষিত হৈছিল। আৰু তাৰেই ফলশ্ৰুতিত উদ্ভৱ হৈছিল লোকায়তিক চিন্তাধাৰা। আনহাতে মূয়াৰে অনুমান কৰিছিল যে প্ৰাচীন কালৰ পৰাই আস্তিক বা বেদপন্থী সকলৰ মাজত চিন্তাৰ স্বাধীনতা স্বীকৃত আছিল। এই দাৰ্শনিক চিন্তাধাৰা পূৰ্ব ভাৰতত বিকাশ লাভ কৰিছিল।

ৰাধাকৃষ্ণণৰ মতে লোকায়তিক সকলৰ এটা ঐতিহাসিক গুৰুত্ব আছে। তেওঁৰ বিচাৰত পুৰণি কালৰ অনুষ্ঠানসমূহ আৰু যাদু-বিশ্বাসৰ প্ৰভাৱে ব্যক্তিৰ আধ্যাত্মিক স্বাধীনতা ঘোষণা কৰিছিল। অতীতত যিবিলাক মানুহক আধ্যাত্মিকতাবাদে শোষণ কৰিছিল সেই মানুহখিনিয়ে মুক্তিৰ ৰেঙণি দেখিছিল লোকায়তিক চিন্তাৰ মাজত। ইয়ে মানুহৰ সৃজনী সম্ভাৱনাক মুক্ত কৰাৰ সহায়ক হৈছিল।

ভাৰতীয় ইতিহাসত চিন্তা-স্বাধীনতাৰ পৰিচয় অত্যন্ত প্ৰাচীন। কিন্তু এই বিষয়ে সন্দেহ নাই যে পৰৱৰ্তী কালত, বিশেষকৈ মনুস্মৃতি প্ৰভৃতি শাস্ত্ৰত কঠোৰ শাস্তিমূলক ব্যৱস্থাৰ দ্বাৰা চিন্তাৰ স্বাধীনতাৰ কণ্ঠৰোধ কৰাৰ প্ৰচেষ্টা চলিছিল। আমি জনা উচিত যে লোকায়ত মত অতি প্ৰাচীনতম। কিয়নো আৰ্যসকলৰ পূৰ্বৰ যুগত সুমেৰুবাসীসকলৰ মাজত এই মত প্ৰচলিত আছিল।

লোকায়ত দৰ্শনৰ চিন্তাধাৰা নষ্ট কৰাৰ কাৰণে এক শ্ৰেণীৰ মানুহে অহৰহ চেষ্টা কৰি আছিল। কাৰণ জনসাধাৰণক অন্ধকাৰত ৰাখি শোষণ ব্যৱস্থা বজাই ৰখাৰ ওপৰতে সেই শ্ৰেণীৰ অস্তিত্বও নিৰ্ভৰ কৰে। যি ডাল গছত বহি আছে সেইডাল গছ কাটি পেলোৱাত তেওঁলোক

ইচ্ছুক নহয়। অসীম আধ্যাত্মিক শক্তিৰ অধীশ্বৰ বুলি দাবী কৰা মানুহে তেনেকুৱা মূৰ্খামি কেতিয়াও নকৰে। সেয়েহে লোকায়ত দৰ্শন সু-সংগতভাৱে উদ্ধাৰ কৰা অতি কঠিন আৰু ই উপকৰা দৃষ্টিত অংসলগ্ন যেন লাগে। বৰ্তমান আধুনিক প্ৰগতিশীল বুদ্ধিজীৱীয়ে ভাৰতীয় প্ৰাচীন লোকায়ত দৰ্শন উদ্ধাৰ কৰাত যথেষ্ট গুৰুত্ব দিছে, কাৰণ এই চিন্তাধাৰাৰ বহুল প্ৰচাৰতেই ভাৰতীয় জীৱন্ত সংস্কৃতি গঢ়ি তুলিব পৰা যাব।*

*দেবী প্ৰসাদ চট্টোপাধ্যায়ৰ 'লোকায়ত দৰ্শন' নামৰ গ্ৰন্থৰ সহায়ত।

# চিলি কবি পেব্ল' নেৰুডা

শ্ৰীপুৰুষোত্তম ছাহা
স্নাতক-১ম বাৰ্ষিক

"কোনো এটা জাতিৰ সৰ্বশ্ৰেষ্ঠ প্ৰমাণ হ'ল সেই জাতিৰ নিজস্ব সৃষ্ট কবিতা। ইয়াৰ অস্তিত্ব আৰু অভাৱ উভয়েই সেই জাতিৰ ইতিহাস বৰ্ণনা কৰে। গছ এডাল যিমানেই সুন্দৰ নহওঁক কিয়, তাৰ শাখা, প্ৰ-শাখা আৰু পাত বিলাক সংখ্যাত যিমানেই অধিক বা পৰিপুষ্ট নহওঁক কিয়,—গছৰ চুৰান্ত বিচাৰৰ সৰ্ত হ'ল—প্ৰস্ফুটিত ফুল আৰু ফলবোৰ। তেতিয়ালৈকে কোনো এটা জাতিক চুৰান্তভাৱে মহত্বৰ আখ্যাৰে ভূষিত কৰিব নোৱাৰি, যেতিয়ালৈকে সেই জাতিৰ মৌলিক উৎপাদন অৰ্থাৎ প্ৰথম শ্ৰেণীৰ কবিতা দেখা নাযায়।" ওৱালটাৰ হুইটম্যানৰ এইখিনি কথাৰেই নবেল বিজয়ী চিলিৰ কবি পেব্ল'নেকডাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাব বিচাৰিছোঁ।

ঔপনিবেশিকতাৰ আদিৰ পৰাই চিলিৰ সাহিত্যাকাশত কাব্য সাহিত্যই উজ্জ্বলতম জ্যোতিষ্ক ৰূপে প্ৰতিভাত হৈ আহিছে। এই ঐতিহ্যমণ্ডিত উজ্জ্বলতাৰ সাৰ্থক উত্তৰাধিকাৰী হৈছে পেব্ল' নেকডা। মাত্ৰ ২৩ বছৰ বয়সতেই নেৰুডাই প্ৰতিভাৱান, প্ৰতিশ্ৰুতিসম্ভৱা কবি হিচাপে স্বীকৃতি লাভ কৰে। নেকডা এজন কম্যুনিষ্ট কবি হিচাপে সুপৰিচিত। তেওঁৰ যিবোৰ কবিতা পোনপটীয়াকৈ অনুদিত হৈছে সেইবোৰ মানৱতাবোধ আৰু সৰ্বহাৰা বিপ্লৱৰ ইংগিতবাহী। কিন্তু দুখৰ বিষয় বিৰোধী সমালোচকসকলে নেকডাক নাৰী শৰীৰ বিষয়ক কবিতাৱলীৰ স্ৰষ্টাৰূপে চিহ্নিত কৰিবলৈ

চেষ্টা কৰে। তেওঁলোকে নেৰুডাৰ ঘিবোৰ কবিতা বিশ্লেষণ কৰিছে সেইবোৰ তেওঁৰ যৌৱনৰ অপূর্ণতাৰে ভৰা আৰু এই কথা কবিয়ে নিজেই স্বীকাৰ কৰিছে। 'যেতিয়া মই কবিতা লিখোঁ, কবিতাবোৰ মোৰ মাজৰ পৰা ওলাই আহে আৰু মই তেতিয়া হতাশাত পৰিত্যক্ত আখৰ ৰাশিৰ মাজত উজুটি খাই চিঞৰি উঠোঁ।' কিন্তু প্ৰেমৰ মাজেৰেই কবিয়ে সৰ্বহাৰাৰ জীৱন উপলব্ধি কৰিছিল।

'জীৱনৰ মুখামুখি হৈ থিয় হৈছোঁ, তাক
চুম্বন কৰিছোঁ, জয় কৰিছোঁ,
তাৰ পাচত খনিৰ গুহাৰ মাজত খোজ
কাঢ়িছোঁ
কেনেকৈ মানুহে জীৱন কটায় উপলব্ধিৰ
বাবে।
আৰু যেতিয়া মই ওলাই আহোঁ মোৰ হাত
দুখন দুখ আৰু আবৰ্জনাৰে ভিজা।'
(অনুঃ সন্দীপ সেনগুপ্ত)

স্পেনীয় অধিকাৰৰ সময়ত চিলিৰ সকলো শিল্প-কলা শেষ হৈ গৈছিল। সেই সময়ত নেৰুডাই লিখিছিল কেনেকৈ লিখা-পঢ়া কৰিব লাগে আৰু কেনেকৈ দেশ গঢ়িব লাগে। তেওঁ নিজেই স্বীকাৰ কৰিছে যে সহজভাৱে কবিতা লিখাটো অতি টান কাম। কিন্তু নেৰুডাৰ কবিতাৰ প্ৰয়োজন সহজ, সৰল সৰ্বহাৰা মানুহৰ। সেয়ে তেওঁ উপলব্ধি কৰিছিল 'কবিতা ৰুটীৰ নিচিনা। কৃষক, বিদ্বান সকলোৱে সমানভাৱে ভাগ কৰি ভোগ কৰিব লাগিব।' নেৰুডাৰ কবিতাই এই আশা-আকাঙ্ক্ষাৰ ফালে চাই এক অন্ধকাৰ সুৰঙ্গৰ মাজেৰে, পোহৰৰ ফালে আগবাঢ়ি গৈছিল।

'আন কিতাপৰ কয়দী হবলৈ মই নিলিখোঁ
নাইবা লিলিৰ দৰদীহঁতৰ কয়দী হবলৈ।
মই লিখোঁ আন দহজন যাত্ৰীৰ বাবে
যাৰ প্ৰয়োজন জোনাক আৰু পানীৰ,
সংহতিৰ অবিনশ্বৰ বেদীৰ
ৰুটী, মদ, স্কুলঘৰ, গিটাৰ আৰু হাতীয়াৰৰ।
(অনুঃ হীৰেন গোহাঁই)

১৯৪৫ চনৰ ৪ জুলাই তাৰিখে চিলিৰ বিদ্যাহীন, নগ্নপদ মানুহে নেৰুডাক চিনেটলৈ নিৰ্বাচিত কৰে আৰু নেৰুডাই ১৫ জুলাই তাৰিখে কম্যুনিষ্ট পাৰ্টিত যোগ দিয়ে। নেৰুডাই পথহীন দৰিদ্ৰ মানুহৰ দুৱাৰ ঠেলি তেওঁলোকৰ অভাৱবোৰ উপলব্ধি কৰে। কবিতাৰ পথেৰেই নেৰুডাই অৱহেলিত এই ভাগ্যহীন মানুহৰ ওচৰ চাপিছিল,—চিৰদিনৰ বাবে ভাই হিচাবে, আৰু তেওঁলোকক জীৱন-সংগ্ৰামৰ 'কমৰেড্' বুলি গ্ৰহণ কৰিছিল। ইংৰাজ, জাৰ্মাণ আদি সাম্ৰাজ্যবাদী দেশে চিলিৰ খনি আৰু কাজ-কৰ্মৰ ঠাইবোৰ উপনিবেশীয় নাগপাশেৰে বেঢ়ি ৰাখিছিল। এই খনিবোৰত লুকোৱা আছিল চিলিৰ সকলো সম্পদ। এই সম্পদবোৰ উলিয়াই আনিবলৈ চিলি বাসীয়ে যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হৈছিল। ফলত চিলিবাসীৰ দৰে মানুহৰ জীৱন ইমান নিৰানন্দময় আৰু কঠোৰ হোৱা নাছিল। শ্ৰমিকৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰাৰ ফলত নেৰুডাৰ সহ্যকৰা, সংগ্ৰাম কৰা, আৰু ভালপোৱাৰ স্বভাৱ গঢ়ি উঠিছিল। য'তেই শ্ৰমিকৰ সভা হৈছিল

তাতেই নেৰুডাই স্বৰচিত আৰু শ্ৰমিকৰ দ্বাৰা নিৰ্বাচিত কবিতা আবৃত্তি কৰিবলগীয়া হৈছিল। নেৰুডাৰ কবিতা আছিল তীব্ৰবেগে ধাৱমান পৰ্বতীয়া নদীৰ দৰে। চিলিবাসীৰ কাৰণে তুলী আছিল একেবাৰে অজ্ঞান৷ বস্তু। সেয়ে নেৰুডাই তক্তা আৰু পোৰা মাটিৰ দৰে কঠিন বিছনাত শুবলৈ অভ্যাস কৰিছিল। তাৰ পাচত জয়-পৰাজয়, কুটী আৰু তেজ দুয়োটাৰে সোৱাদ তেওঁ পাইছিল। এজন সংগ্ৰামী কবি হিচাবে নেৰুডাই এইখিনিকে পাব বিচাৰিছিল। চকু-পানীৰ পৰা চুমা, নিসঙ্গতাৰ পৰা দেশৰ মানুহৰ বন্ধুত্ব,— এই সকলোবোৰ তেওঁৰ কবিতাত সোমাই আছে।

'নাইট্ৰেটৰ তুষাৰ, বিষন্ন কান্ধৰ ওপৰত
নিগৰি পৰিছে,
জাহাজৰ অন্ধকাৰ পাকস্থলী বোজাই হয়।
তাত বেল্‌চা চালক সকল, সূৰ্য উঠাৰ বীৰ-
বৃন্দ
এচিডত নিঃশেষ হৈ যাব ধৰিছে।'
(অনুঃ-সন্দীপ সেনগুপ্ত)

কবিতাই দিছে নেৰুডাক সংগ্ৰামৰ প্ৰেৰণা। তেওঁ সাহিত্যৰ সৰ্বশ্ৰেষ্ঠ নবেল বঁটা লাভ কৰে। নেৰুডাই পুৰস্কাৰৰ বাবে কোনোদিন লালায়িত হোৱা নাছিল। কাৰণ পুৰস্কাৰৰ মাৰ্কামাৰা বস্তুৰ প্ৰতি তেওঁৰ আছিল প্ৰৱল ঘৃণা। তেওঁৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ পুৰস্কাৰ হৈছে শ্ৰমিকৰ স্বীকৃতি। তেওঁ নিজেই কৈছে "যেতিয়া শ্ৰমিকসকল খনিৰ অটল গৰ্ভৰ পৰা ওলাই আহে হাড়-ভঙা পৰিশ্ৰমত বিকৃত মুখ আৰু ধূলিৰে ধূসৰিত চকুৰে, কঠিন দুবাহু তুলি চলচলীয়া চকুৰে চিঞৰি উঠে আৰু কয় "আমি তোমাক বহু দিনৰ পৰা জানো বন্ধু!" এই স্বীকৃতিয়ে নেৰুডাৰ বাবে মহত্তম পুৰস্কাৰ আৰু তেওঁৰ সৃষ্টিৰ বিজয়মালা। নেৰুডাই প্ৰচণ্ড বিৰক্তি দেখুৱাইছিল নন্দনতত্ত্ব আলোচনাৰ প্ৰতি। এই অভিজ্ঞতা লাভ কৰিছিল চিলিৰ মেহনতী মানুহৰ লগত হৃদয়ৰ আত্মীয়তাৰ বাবে। কাৰণ নেৰুডাই সংগ্ৰামী মানুহৰ ওচৰ চপা নাছিল ৰোমাণ্টিক বা আত্মকেন্দ্ৰীক কবিতাৰ ভীৰুতাৰে। জনতাৰ লগত হৃদয়তা স্থাপন কৰি নেৰুডাই লাভ কৰিছিল বাস্তৱ অভিজ্ঞতা আৰু এইবোৰেই আছিল তেওঁৰ কবিতাৰ উৎস। সেয়ে নেৰুডাৰ কবিতা অলৌকিক প্ৰেমতত্ত্ব জীৱন অবগাহী নহয়, কবিতাৰ বিষয়-বস্তু নিৰ্বাচনত প্ৰপীড়িত, বিক্ষুব্ধ আৰু সংগ্ৰামী মানৱাত্মাৰ বলিষ্ঠ ঘোষণা, জীৱনৰ সপক্ষে ঔপনিবেশিকতা বিৰোধী সংগ্ৰামৰ পাতনি। নেৰুডাৰ কবিতা তৰ্কাতীতভাৱে উজ্জীৱন আৰু সংগ্ৰামশীল জীৱনৰ সুতীক্ষ্ণ বিবেক। চিলিৰ নিষ্পাপ প্ৰান্তত, ফুটন্ত মাইনত ভৰি দিয়া শ্ৰমিকক চিলিৰ আকাশে বতাহে অভয় দি কয় "তুমি অকলশৰীয়া নোহোৱা, কবি হৈ আছে তোমাৰ অদৃষ্টৰ বাবে উদ্বিগ্ন"।

আলেন্দৰ চৰকাৰে যেতিয়া চিলিৰ তামৰ খনি ৰাষ্ট্ৰায়ত্ব কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে তেতিয়া সাম্ৰাজ্যবাদী আমেৰিকা সতৰ্ক হৈছিল। সেয়ে জনতাৰ দ্বাৰা নিৰ্বাচিত আলেন্দৰ চৰকাৰক ওফৰাই দিবলৈ C. I. A. তৎপৰ হৈ উঠিছিল। কাৰণ চিলিৰ সমগ্ৰ তামৰ খনিৰ মালিক আছিল

আমেৰিকাৰ পুঁজিবাদীসকল। এই কুখ্যাত চক্ৰান্তত কিছুমান সামৰিক বিষয়াৰ দ্বাৰা আলেন্দৰ চৰকাৰক ওফৰাই দিছিল। এই ফেচিষ্ট সকলে আলেন্দেক হত্যা কৰি ক্ষান্ত হৈ থকা নাছিল, হত্যা কৰিছিল ৰোগাক্ৰান্ত বিশ্ব শ্ৰমিকৰ হৃদয়ৰ কৰি পেব্ল' নেৰুডাকো। নেৰুডাই মৃত্যুৰ মাজেৰে দি গৈছে বিশ্ব শ্ৰমিকক এক ৰাজনৈতিক শিকনি।

—×—

## ॥ গীত ॥

ভাৰত চৌধুৰী
প্ৰাঃ বিঃ ১ম বাৰ্ষিক।

### (১)

মোৰ হৃদয়ে তোমাকে বিচাৰে
কিয় নুবুজা মোৰ ভাল পোৱাকে॥

নিজৰাৰ ধ্বনিয়ে ভৈয়ামক জগায়
সুৰুযৰ পোহৰে এন্ধাৰ আঁতৰায়;
কলিৰ ভৰলা মাতত বসন্ত সাৰ পায়
তোমাৰ গানৰ সুৰে মোৰ আশা কঢ়িয়ায়
ক'ব পৰা নাই মই তোমাকে॥

দূৰৰ পাহাৰ থন দেখাত ধুনীয়া
কাষলৈ গৈ চালে ওখোৰা-মোখোৰা;
ভাবো যে তোমাক কম সকলোবোৰ
ওচৰত পালে তোমাক হেৰায় ভাষা মোৰ
কৰ নোৱাৰি কান্দিছোঁ নিৰৱে॥

### (২)

মোৰ মন আজি কিয়
ভাল লগা নাই;
তোমাক আজি কিয়
তুমি যেন লগা নাই;
মোৰ গান আজি কিয়
গান যেন হোৱা নাই॥

কি কৰোঁ হায়—
মই নিৰুপায়,
কি কৰো হায়
তুমিয়ো কাষত নাই
ভাবনা-চিন্তাত সময়বোৰ যায়
তুমি বচা গীতৰ সুৰ ক'তেনো হেৰায়॥

মোৰ গানে এদিন
তোমাৰ হৃদয় কঁপাইছিল,
সেই কম্পন
আজি তোমাত দেখা নাই;
তুমি পাহৰিলেও কোনো ক্ষতি নাই॥

# ॥ গীত ॥

নগেন কলিতা
প্ৰাক্তন ছাত্ৰ।

কিমান সময় তোমালৈ বুলি
আছোঁ বাট চাই
ক্ষণ গণি গণি তৰা লেখি লেখি
    তোমাৰ সঁহাৰি নাই।

জোনাক জোনাক লগা
মিঠা হাঁহিটি
আজিও পাহৰা নাই,
মৰমেৰে ভৰা মায়াৰ পৃথিবীত
কিয় যোৱা হেৰাই—
তোমালৈ আছো ৰ'ই ॥

ৰঙা সূৰুযৰ মিঠা ৰ'দালিয়ে
তোমাৰ কথাকে সোঁৱৰায়,
ৰাতি পুৱাৰ নিয়ৰ টোপালেও
হৃদকুত অশ্রু ছটিয়ায়।
আহিবা জানো সময়-শেষত
পাহৰা মৰম ল'ই ॥

# গণশিল্পী পল ৰ'বছন

ভাৰত চৌধুৰী
১ম বাৰ্ষিক প্ৰাক্-বিশ্ববিদ্যালয়

গণশিল্পী পল ৰ'বছন পৃথিৱীৰ পৰা বিদায় মাগিছিল ১৯৭৬ চনৰ জানুৱাৰীৰ ২৩ তাৰিখে। ৰ'বছনৰ মৃত্যুত বিশ্বৰ সংগ্ৰামী মানুহে তেওঁলোকৰ বুকুৰ আপোনজনক হেৰুৱাৰ ব্যথা অনুভৱ কৰিছিল। কাৰণ পল ৰ'বছন বিংশ শতাব্দীৰ এজন শ্ৰেষ্ঠ কণ্ঠশিল্পী আৰু অভিনেতাই নাছিল, তেওঁৰ উদাত্ত কণ্ঠত ধ্বনীত হৈছিল বিশ্বৰ মেহনতী সংগ্ৰামী মানুহৰ সুখ দুখ; আশা-নিৰাশাৰ অভিব্যক্তি। ৰ'বছনৰ কণ্ঠই নিপীড়িত মানুহক দেখুৱাই দিছিল সংগ্ৰামৰ দীপ্ত শিখা আৰু দেখুৱাই দিছিল শোষণমুক্ত পৃথিৱী প্ৰতিষ্ঠা কৰাৰ পথ। এটি কৰ্মময় আৰু গতিশীল জীৱনৰ অধিকাৰী আছিল পল ৰ'বছন। বৰ্ণ বিদ্বেষৰ আৰু শোষণৰ বিৰুদ্ধে তেওঁ আছিল আজীৱন সংগ্ৰামী। ৰ'বছন আছিল বজ্ৰ কণ্ঠৰ অধিকাৰী যাক স্তালিনে 'a baritone voice' বুলি কৈছিল।

১৮৯৮ চনত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ নিউ জাৰ্চিৰ অন্তৰ্গত প্ৰিন্সটন চহৰত পল ৰ'বছনৰ জন্ম হয়। তেওঁৰ পূৰ্বপুৰুষসকল আছিল ক্ৰীতদাস। তেওঁৰ দেউতাক উইলিয়াম ড্ৰিঅ' ৰ'বছন, 'ৰ'বছন উইদাৰস্পূন প্ৰেচবেটেৰিয়ান গীৰ্জা'ৰ যাজক আছিল আৰু মাক মেৰিয়া লুইচা ৰ'বছন (বাষ্টিল) একালৰ ফিলাডেলফিয়াৰ স্কুলৰ শিক্ষয়িত্ৰী আছিল। ৰ'বছনেই মাক-দেউতাকৰ ষষ্ঠ আৰু কনিষ্ঠ সন্তান। ৰ'বছনে শৈশৱতে মাকক হেৰুৱায়। দেউতাকে ৰ'বছনক লগত লৈ আমেৰিকাৰ বিভিন্ন ঠাইত শান্তিৰ সন্ধানত ঘূৰি ফুৰিছিল। জেমিচনৰ স্কুলত প্ৰাথমিক শিক্ষা সাং কৰি ৰ'বছন আহিল 'চামাৰ ভাইল হাইস্কুল'লৈ। সৰু কালৰে পৰা ৰ'বছনক পিতাকে শিকাইছিল আত্মপ্ৰত্যয়ৰ দ্বাৰা লক্ষ্যত উপনীত হোৱা কথা আৰু সেই উদ্দেশ্যত ৰ'বছনে কেতিয়াও পিচলি পৰা নাছিল। সেই কাৰণে ৰ'বছনে বাৰ বছৰ বয়সতে স্কুলৰ মাচুল দিবৰ বাবে দৈহিক পৰিশ্ৰম কৰি মজুৰি আৰ্জিব লগাত পৰিছিল। গৰমৰ বন্ধত ৰ'দ-আইলেণ্ডৰ এখন হোটেলত তেওঁ ৰান্ধনিশালৰ লিগিৰা হিচাপে কাম কৰিছিল।

১৯১৫ চনত 'চামাৰ ভাইল হাইস্কুল'ৰ পৰা অনাৰ্চ সহ ৰ'বছনে সুখ্যাতিৰে উত্তীৰ্ণ হৈ নিউ জাৰ্চিৰ ষ্টেট বিশ্ববিদ্যালয়ৰ ৰুট্‌গাৰ্চত ভৰ্তি হয়। ১৯১৯ চনত ৰুটগাৰ্চ বিশ্ববিদ্যালয়ৰ পৰা অনাৰ্চ লৈ তেওঁ বি, এ, পাছ কৰিছিল। তাৰ পিচত আইন পঢ়াৰ কাৰণে তেওঁ কলম্বিয়া বিশ্ববিদ্যালয়ত যোগদান কৰে। লেখা-পঢ়াৰ বাহিৰেও খেলা-ধূলাৰ ক্ষেত্ৰত ৰ'বছন এজন

সুদক্ষ খেলুৱৈ আছিল। খেলাত তেওঁৰ মনোভাৱ আছিল আক্রমনাত্মক আৰু সিদ্ধান্ত খৰটকীয়া। ফুটবল, বেছবল, বাচকেটবল অথবা দৌৰ জাপমৰা আদিত তেওঁ শ্বেতাঙ্গ সকলৰ সমানে সমানে ফেৰ মৰিছিল। শিক্ষা শেষ কৰি চাকৰি এটা যোগাৰ কৰিও বগা মানুহৰ অত্যাচাৰত থাকিব নোৱাৰি তেওঁ চাকৰি এৰি গুচি আহিব লগাত পৰিছিল।

১৯২১ চনত চিনেমা জগতত ৰ'বছনে প্রৱেশ কৰে। ১৯২৫ চনত গায়ক হিচাপে তেওঁ আবির্ভাব হয়। আৰম্ভণিতে ৰ'বছনৰ জীৱন দর্শনক এক প্রকাৰ বিসন্নতাই বেটি ৰাখিছিল।

Sometimes I feel like a mother-
less child,
A long way from home.
Sometimes I feel like a mother-
less dawn,
A long way from home.

ৰ'বছনে কেতিয়াও আত্মপ্রচাৰত গায়ক হিচাবে নিজকে চিনাকি দিয়া নাছিল। সেই সময়ত তেওঁ ফেচিবাদৰ বিৰুদ্ধে আৰু স্পেইনৰ গৃহযুদ্ধৰ সময়ত প্রতিবাদ কৰিছিল। ৰ'বছনৰ গানৰ ভাষাই ফেচিবাদৰ বিৰুদ্ধে সংগ্রামী মানুহক অনুপ্রাণিত কৰি তুলিছিল। ১৯৪০ আৰু ৫০ দশকত ৰ'বছনে আমেৰিকাৰ নিপীড়িত নিগ্রো নাগৰিকৰ দাবি দাণ্ডি ধৰিছিল। কাৰণ য'তেই পৰাধীনতা, য'তেই মানৱতাৰ অপমান, লাঞ্ছনা আৰু নির্য্যাতন তাতেই ৰ'বছনৰ গানৰ কণ্ঠস্বৰ জাগি উঠিছিল। তেওঁৰ গানৰ মাজেদি মেহনতী মানুহৰ বুকুৰ সুৰ বাজি উঠিছিল। সেইয়ে আজি ৰ'বছন তেওঁলোকৰ বুকুৰ কুটুম।

আন আন গায়ক বা শিল্পীৰ নিচিনা ৰ'বছন কেতিয়াও আত্মকেন্দ্রিক নাছিল। তেওঁ বুজিছিল যে জনগণৰ লগত হৃদয়েৰে মিলি যাব নোৱাৰিলে কোনোৱে মহৎ শিল্পী বা গায়ক হব নোৱাৰে। তেনেকুৱা শিল্পীৰ সৃষ্টিয়ে কালজয়ী ৰূপ লব নোৱাৰে। কাৰণ মানুহে প্রকৃত আৰু বাস্তৱ উপলব্ধিৰ অধিকাৰী হবলৈ হলে সমাজৰ মূল সুঁতিৰ ভাষা বুজি পাব লাগিব। ৰ'বছনে সেইটো নিজ হৃদয়েৰে উপলব্ধি কৰিছিল। সেয়েহে তেওঁৰ গানে মানুহৰ হৃদয় স্পর্শ কৰিব পাৰিছিল। কাৰণ ৰ'বছনে সংগ্রামী মানুহৰ লগত কান্ধত কান্ধ মিলাই শোষণৰ বিৰুদ্ধে প্রতিবাদ কৰিছিল। তেওঁৰ বজ্র কণ্ঠে শোষণকাৰীৰ বুকু কঁপাই তুলিছিল। ৰ'বছনে গাইছিল—

But I keep laughing
Instead of crying
I will keep on fighting
until I am dying.

ৰ'বছনৰ শিল্পী জীৱনৰ মহত্তম লক্ষ্য হ'ল শোষন মুক্ত সমাজ প্রতিষ্ঠা কৰা। এই আদর্শৰ বাবে ৰ'বছনে বহুত নির্য্যাতনৰ সন্মুখীন হৈছিল। আনকি আমেৰিকাৰ গ্রামোফোন কোম্পানীয়ে তেওঁৰ ৰেকর্ড কৰা বন্ধ কৰি দিছিল। আমেৰিকাৰ দোকানত ৰ'বছনৰ গানৰ ৰেকৰ্ড বিক্রী কৰা নিষিদ্ধ আছিল। আমেৰিকাৰ বাতৰি কাকতে ৰ'বছনৰ বিৰুদ্ধে অহৰহ চৰিত্র হনন কার্যত লিপ্ত আছিল। ১৯৪৭ চনত ৰ'বছনৰ

সংগীতানুষ্ঠান আক্রমণ কৰিছিল। এই আক্রমণৰ মাজতো ৰ'বছনে বজ্রকণ্ঠ তুলি কৈছিল—"Yes, I will sing—Whenever the people want to hear me I shall sing of peace and of life" বৰ্ণ বিদ্বেষী ফেচিষ্টৰ আক্রমণৰ আগত ৰ'বছনে সাহসেৰে গাইছিল—

We shall not—we shall not be moved
Just like a tree that's
Standing by the water,
We shall not be moved.

ৰ'বছনৰ আন এটি বিখ্যাত গীত হ'ল "জো-হিল"। (জো-হিল আছিল এজন শ্রমিক আৰু গীতিকাৰ। ১৯১৫ চনত মিছা অভিযোগত জো-হিলক প্রাণদণ্ড দিয়া হৈছিল)।—

I dreamed I saw Joe Hill last night
Alive as you or me.
'But Joe' said I, "you're ten years —dead"
"I never died" said he
"I never died", said he -"
... ... ... ... ... ... ...
From san-Diego up to Maine
In every mine and mill
Where working men defend their rights
It's there you'll find Joe Hill
It's there you'll find Joe Hill.

ৰ'বছন অকল সুকণ্ঠৰ অধিকাৰীয়ে নাছিল, তেওঁ এজন শক্তিশালী অভিনেতাও আছিল। ১৯৬০ চনত লণ্ডনত চেক্সপিয়াৰৰ "ওথেলো" নাটকত ওথেলোৰ ভূমিকাত ৰ'বছনে যি অভিনয় কৰিছিল, সি আছিল এই যুগৰ শ্রেষ্ঠতম অভিনয়। ৰ'বছনে বিশ্বৰ বিভিন্ন দেশৰ মেহ্‌নতী মানুহৰ হকে গান গাইছিল। তেওঁৰ বিখ্যাত গান কেইটি হ'ল—ওলম্যান, ৰিভাৰ, ভল্গা ক্লোজ, মিচিচিপি, দিচঙ, দাৰ্ট মাই মাদাৰ্ টট্ আদি গানবিলাক সমাজ সচেতন মানুহৰ অন্তৰৰ বস্তু হিচাপে চিৰকাল থাকিব।

আজি এই আত্মকেন্দ্রিক পৃথিবীত য'ত মানৱতাক পদে পদে অৱমাননা কৰা হৈছে, য'ত শিল্পী, সাহিত্যিক, বুদ্ধিজীৱিয়ে নিজৰ স্বাৰ্থ পূৰণত উঠি-পৰি লাগিছে, সেই পৃথিৱীত পল ৰ'বছন হ'ল পথ প্রদর্শক।

# ক্রিকেটৰ নতুন সূৰ্য চোবাৰ্চ্ (সংগ্ৰহ)

খনীন্দ্ৰ মহন্ত
১ম বাৰ্ষিক প্ৰাক্ বিশ্ববিদ্যালয়

ওৱেষ্ট্ ইণ্ডিজ্ বাসীৰ দুৰ্বাৰ প্ৰাণৰ জয়ধ্বনি তেওঁলোকৰ ক্ৰিকেট। সেই প্ৰাণদীপ্ত ক্ৰিকেটৰ জীৱন্ত বিগ্ৰহ গ্যাৰফিল্ড চোবাৰ্চ্। ১৯৩৬ চনৰ ২৮ জুলাইত ব্ৰিজটাউনত চোবাৰ্চ্‌ৰ আবিৰ্ভাৱৰ ফলতঃ ক্ৰিকেটে আদিম শৈশৱৰ পৰা যৌৱন লাভ কৰে। মাত্ৰ ১৬ বছৰ বয়সত চোবাৰ্চে বাৰবাডোজ দলৰহৈ ভাৰতৰ বিৰুদ্ধে প্ৰথম শ্ৰেণীৰ ক্ৰিকেট খেলত অংশ গ্ৰহণ কৰে। ক্ৰিকেটৰ তাৰকা কুলৰ মাজত চোবাৰ্চ হৈছে নতুন সূৰ্য। সৃষ্টিশীল শিল্পৰ প্ৰতিশ্ৰুতিৰে আৰু কাৰিবিয়ান ব্যাটিঙৰ মহান ঐতিহ্যৰ পথেৰে চোবাৰ্চৰ আবিৰ্ভাৱ। আধুনিক ক্ৰিকেটৰ এক নতুন বজ্ৰ তেওঁ।

চোবাৰ্চ্ অতি সৌভাগ্যবান, কাৰণ তেওঁৰ দিনতে ক্ৰিকেটৰ পৃথিৱীত ওৱেষ্ট ইণ্ডিজৰ সিংহাসন স্থাপিত হয়। জাতীয় সন্মানৰ ক্ষেত্ৰত যেতিয়া ক্ৰিকেট নিৰস যুদ্ধত পৰিণত হয় তেতিয়া চোবাৰ্চ্‌ৰ দলে ক্ৰিকেটক সেই নিৰসতাৰ পৰা উদ্ধাৰ কৰে। নিৰানন্দৰ মৰুভূমিলৈ তেওঁ আনে আনন্দৰ ভাগীৰথীৰ ফল্গুধাৰা। ক্ৰিকেটৰ বন্ধমন চূৰ্ণ কৰি তেওঁ আনে যৌৱনৰ সংগীত আৰু আনন্দৰ জোৱাৰ। চোবাৰ্চ্‌ৰ ক্ৰিকেট ক্যাৰিবিয়ান হ'ল সূৰ্যৰ অগ্নিশিখা। এই অগ্নিশিখাৰেই তেওঁ ক্ৰিকেটৰ জগত জয় কৰে।

বিস্ময়কৰ সৰ্বাঙ্গীণ প্ৰতিভাৰ অধিকাৰী হৈছে চোবাৰ্চ। মাত্ৰ ৩০ বছৰ বয়সতে তেওঁ ৫৭টা টেষ্ট্‌মেচত পাচহাজাৰ ৰানৰ সীমা অতিক্ৰম কৰে। ১৯৫৭ চনত পাকিস্তানৰ বিৰুদ্ধে তেওঁ ১০ ঘণ্টা ৮ মিনিট বেট্ ধৰি ৩৬৫ ৰান কৰি অপৰাজিত হৈ থাকে। ইংলেণ্ড, অষ্ট্ৰেলিয়া, ভাৰত আৰু পাকিস্তানৰ বিৰুদ্ধে ১৭টা চেঞ্চুৰী কৰাৰ গৌৰৱৰ অধিকাৰীও চোবাৰ্চ। সৰ্বাধিক ৰানৰ অধিকাৰী হৈও তেওঁ ৰানৰ মঞ্চত ষ্টাইলক এৰি দিয়া নাছিল। তেওঁৰ ব্যাটিং আছিল বলিষ্ঠ ব্যক্তিত্বৰ প্ৰজ্বালক আৰু ৰাজকীয় ভঙ্গী। তেওঁৰ পাচৰ ভৰি দুৰ্গৰ প্ৰাচীৰৰ দৰে। তাৰ পৰাই বিপক্ষৰ বলক অতি নিষ্ঠুৰভাৱে কোবাই যায়। ১৯৬০ চনত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে তেওঁ ১৩২ ৰান কৰে আৰু এই খনেই হ'ল তেওঁৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ খেল। ডেভিডছনৰ বক্ৰগতিৰ

বলৰ বিষাক্ত কুটিলতা, বেনৰ স্পিন বলৰ বেঁকা চতুৰালি, ম্যাকৰ নিখুঁত লেন্স বল আৰু মেকিফৰ বল চোবাৰ্চৰ ব্যাটে নিষ্ঠুৰভাৱে কোবোৱা দেখি ফিঙ্গালটনে তাক জীৱনৰ 'শ্ৰেষ্ঠ ইনিংচ' বুলি অভিহিত কৰে।

কেৱল বেটিঙতে চোবাৰ্চ হেৰাই যোৱা নাছিল। ১৯৫৪ চনত তেওঁ বলাৰ হিচাপেও ইংলেণ্ডৰ বিৰুদ্ধে প্ৰথম টেষ্ট খেলাৰ সুবিধা পায়। বলাৰ হিচাপে তেওঁ ১৩৫টা উইকেট দখল কৰে। নতুন বলত তেওঁ মিডিয়াম ফাষ্ট বলাৰ। ৰঙা নতুন বল তেওঁৰ হাতত 'অফ'ত আৰু কেতিয়াবা 'অন'ত পৰি বেঁকা হৈ উইকেটৰ ফালে গতি কৰে। প্ৰয়োজন হ'লে ব্যাটছমেনক ৰান তোলাৰ পৰা বিৰত ৰাখি তেওঁ উইকেটত থিয় হৈ থাকিবলৈ বাধ্য কৰে। বলৰ ৰং যেতিয়া ম্লান হৈ পৰে তেতিয়া চোবাৰ্চে লো-স্পিন বল দিয়ে। তেতিয়া বল ক্ষীপ্ৰ কুটিল গতিত বেঁকাহৈ যোৱাত নিষ্প্ৰাণ উইকেট ব্যাটছমেনৰ কাৰণে চোবাৰ্চ হৈ পৰে ভীতিৰ কাৰণ। ফিল্ডিৰ ক্ষেত্ৰত বহুবাৰ ক্যাচ ধৰি চোবাৰ্চে অসম্ভৱকো সম্ভৱ কৰি তোলে। নেতৃত্বৰ ক্ষেত্ৰতো ইংলেণ্ড আৰু অষ্ট্ৰেলিয়াক পৰাজিত কৰি ওৱেষ্ট ইণ্ডিজক বিশ্ববিজয়ী দলত তেওঁ পৰিণত কৰে। জীৱনৰ মাজ বয়সতে তেওঁ সৰ্বকালৰ শ্ৰেষ্ঠ প্ৰতিভাৰ স্বীকৃতি আদায় কৰি লয়।

বিশ্বৰ ক্ৰিকেট জগতলৈ চোবাৰ্চে আগবঢ়োৱা অতুলনীয় আৰু প্ৰাণৱন্ত বৰঙণিৰ বাবে ৰাণী এলিজাবেথে চোবাৰ্চক 'চাৰ' (Sir) উপাধিৰে ভূষিত কৰে। এই সৌভাগ্য বিশ্বৰ মুষ্টিমেয় কেইজনমানেহে অৰ্জন কৰিব পাৰিছে।

*"Give every man thy ear,*
*but few thy voice,*
*Take each man's censure,*
*but reserve thy judgement."*

*Shakespeare*

× × ×

*"His ( Teacher's ) professional virtue should consist in a readiness to do justice to all sides, and an endeavour to rise above controversy into a region of dispassionate scientific investigation."*

*BERTRAND RUSSELL*

× × ×

"It is not death that matters, but the fear of death. It is not killing and dying that degrades us, but base living, and accepting the wages and profits of degradation."

BERNARD SHAW

# The Union Executive—(1976-77)



SITTING : ( L. to R. ) M. C. Kakati ( Teacher in-charge, Games & Sports ) M. K. Sarma ( Teacher in-charge, Jawahar Jyoti ), K. M. Sarma (Teacher in-charge, Girls' Common Room), B. K. Dutta ( Vice President ), Principal J. C. Nath (President), S. C. Talukdar (Teacher in-charge, Debating), L. K. Sarma (Teacher in-charge, Boys' Common Room), D. N. Das (Teacher in-charge, Music & Culture), Miss S. B. Chakravarty (Secy, Girls' Common Room).

STANDING : ( L. to R. ) S. Das (Choukidar), B Thakuria (Secy, Social Service), R. C. Medhi (O/A), G. Rabha ( Librarian ), H. Daimary ( Secy, Jawahar Jyoti ), B. Rabha ( Secy. Games & Sports ), Miss B. Pathak, Miss N. Hazarika, D. M. Muzumdar ( General Secretary ), K. S. Dhar ( Secy, Boys' Common Room), B. C. Choudhury (Secy, Music & Culture), M. C. Das (Choukidar)

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন—

জয়জয়তে ১৯৭৬—'৭৭ চনৰ বাবে মোক ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ পদত অধিষ্ঠিত কৰি সেৱা আগবঢ়োৱাৰ সুবিধাকন দিয়াৰ বাবে আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছোঁ। সাধাৰণ সম্পাদক হিচাপে মোৰ কাৰ্য্যকাল ছোৱাত মই কিমান দূৰ কৃতকাৰ্য হৈছো সেইটো তেওঁলোকৰ বিচাৰ্য।

সাধাৰণ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়েই আমি আমাৰ মহাবিদ্যালয়ৰ বছৰেকীয়া "কলেজ সপ্তাহ" পালন কৰিব লগীয়াত পৰিছিলোঁ। ২৭ ডিচেম্বৰৰ পৰা চাৰি দিনীয়া কাৰ্যসূচীৰে "কলেজ সপ্তাহ" পালন কৰা হৈছিল। এই "কলেজ সপ্তাহ"ৰ পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথদেৱে। তাৰ পিছত মহাবিদ্যালয়ৰ খেল পথাৰত ক্ৰীড়া প্ৰতিযোগিতা খন আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে বকো শাখাৰ গড়কাপ্তানি বিভাগৰ বিষয়া শ্ৰীকুমুদ চন্দ্ৰ দাস ডাঙৰীয়াই আৰু সন্ধিয়া বকো "মনালিছা সংঘৰ অস্থায়ী প্ৰেক্ষাগৃহত সাংস্কৃতিক প্ৰতিযোগিতাখন আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে বকো হাইস্কুলৰ শিক্ষক শ্ৰীসুৰেন্দ্ৰ মোহন দাস ডাঙৰীয়াই। "কলেজ সপ্তাহ"ৰ বিভিন্ন কাৰ্য্যক্ৰমত মহাবিদ্যালয়ৰ অধ্যাপক, অধ্যাপিকা বৃন্দ আৰু সমূহ ছাত্ৰ ছাত্ৰী বন্ধু-বান্ধৱীয়ে উপস্থিত থাকি অনুষ্ঠান সমূহ সুকলমে চলাই নিয়াত সহায় কৰে।

"কলেজ সপ্তাহ"ৰ মুকলি সভাত মহাবিদ্যালয়ৰ অধ্যাপক, অধ্যাপিকাবৃন্দ, সমূহ ছাত্ৰ ছাত্ৰীৰ উপৰিও বকো অঞ্চল বাসী ৰাইজ আৰু স্থানীয় স্কুল সমূহৰ ছাত্ৰ ছাত্ৰী সকল উপস্থিত থাকে। সভাত সভাপতিৰ আসন গ্ৰহণ কৰে অধ্যক্ষ নাথ দেৱে আৰু মুখ্য অতিথি হিচাপে ভাষণ দিয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱকল্যাণ বিভাগৰ অধিকৰ্তা শ্ৰীভূপেন্দ্ৰ চন্দ্ৰ দাস ডাঙৰীয়াই। লগতে নিৰ্দ্দিষ্ট বক্তা হিচাপে বকোৰ শ্ৰীনবীন চন্দ্ৰ কলিতা ডাঙৰীয়াই ভাষণ দিয়ে। এই সভাতে মহাবিদ্যালয়ৰ প্ৰাক্তন সচিব শ্ৰীঅচ্যুত কান্ত অধিকাৰী দেৱক মহাবিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়। "কলেজ সপ্তাহ"ৰ বাহিৰেও শিল্পী দিৱস, সৰস্বতী পূজা আদি উৎসৱ মহাবিদ্যালয়ত পালন কৰা হয়।

বন্ধু-বান্ধৱী সকল,— জয়াহৰ শব্দটিৰ যি মহান অৰ্থ আছে সেইদৰে মহাবিদ্যালয় খনৰো এটি মহান উদ্দেশ্য আছে। শিক্ষানীতিৰ দুই এক সৰু সুৰা পৰিবৰ্তনে আমাক বিভিন্ন কাৰিকৰী দিশলৈ আগুৱাই নিয়াত কিছুপৰিমানে সহায় কৰিছে। সম্প্ৰতি বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই N. S. S. আঁচনি লোৱাৰ ফলত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে হাতে কামে

শিক্ষা গ্ৰহণ কৰাৰ সুবিধা লাভ কৰিছে। বৰ আনন্দৰ কথা যে জাতীয় সেৰা আঁচনিৰ শিবিৰ এটাত যোগদান কৰিবলৈ এইবেলি আমাৰ মহা-বিদ্যালয়ে সুযোগ গ্ৰহণ কৰে। এই শিবিৰ নগৰবেৰা 'বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়'ত পতা হয়। শিবিৰ ভঙাৰ সভাত আমাৰ মহা-বিদ্যালয়ে Best Barrack Maintaning College হিচাপে পুৰস্কাৰ লাভ কৰে আৰু আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰীভাৰত চৌধুৰীয়ে Best cadet হিচাপে পুৰস্কৃত হয়।

আমাৰ মহাবিদ্যালয়তো N. S. S. camp পতা হৈছিল। সেই শিবিৰত মহাবিদ্যালয়ৰ চাৰি সীমাৰ ভিতৰতে এটি পুখুৰী নিৰ্ম্মাণ কৰা আৰু খেল পথাৰ খনৰ উন্নয়ন কৰা হয়। ইয়াৰোপৰি N.S.S. ৰ আদৰ্শত গঢ়া মহাবিদ্যালয়ৰ সন্মুখৰ কলৰ বাগিচাখনো মেৰামতি কৰা হয়।

আনপিনে দেশৰ ৰাজনৈতিক পৰিবৰ্তনৰ পৰিপ্ৰেক্ষিতত অৰ্থনৈতিক, সামাজিক দিশত চৰকাৰে লোৱা কাৰ্যাৱলীৰ প্ৰতি আমাৰ আস্থা আছে। সেয়ে ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰ ওচৰত আমাৰ নিবেদন এয়ে যে তেওঁলোকে নিজক স্বাৱলম্বী কৰাৰ লগতে দেশৰ প্ৰগতিৰ প্ৰতিও সদায় সজাগ হৈ থকা উচিত।

**শোক সভা :—**

আমাৰ কাৰ্যকাল চলি থকা সময়ত ভাৰতৰ ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলী আহমেদ আৰু অসমৰ সাংবাদিক, সাহিত্যিক আৰু বিশিষ্ট ৰাজনীতিবিদ হেম বৰুৱা আৰু অসমৰ সাংবাদিক আৰু ক্ৰীড়া-জগতৰ সিংহ পুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ বিয়োগত মহাবিদ্যালয়ত শোক সভা পতা হয়।

**মহাবিদ্যালয়ৰ অভাৱ অভিযোগ—**

যিবোৰ অভাৱৰ কথা আগৰ সাধাৰণ সম্পাদক সকলে উনুকিয়াই গৈছে সেইবোৰলৈ আমাৰ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছোঁ। প্ৰথমে আমাৰ মহাবিদ্যালয়ৰ শিক্ষণীয় বিষয়ৰ সংখ্যা অতি কম। অনতি পলমে গণিত, ভূগোল, দৰ্শন, শিক্ষা আৰবী আদি বিষয়বোৰ আমাৰ মহাবিদ্যালয়ত খোলাৰ ব্যৱস্থা হাতত লবলৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক টানি অনুৰোধ কৰিলোঁ। অতি পৰিতাপৰ কথা যে এই মহাবিদ্যালয়ত এতিয়ালৈকে বিজ্ঞান শাখা খোলাৰ কোনো ব্যৱস্থা লোৱা হোৱা নাই। সেয়ে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ তৰফৰ পৰা কলেজ কৰ্তৃপক্ষক ওপৰোক্ত বিষয় সমূহৰ বিবেচনাৰ্থে অনুৰোধ জনালোঁ। অনতি পলমে ছাত্ৰ-ছাত্ৰী সকলে সকলো সুবিধাৰ অধিকাৰী হব বুলি আমাৰ আশা।

আন অভাৱৰ ভিতৰত মহাবিদ্যালয়ৰ 'ছাত্ৰী নিবাস' আৰু 'ছাত্ৰ জিৰণি কোঠা' নাই। লগতে আন এটি লক্ষণীয় অভাৱ হ'ল আমাৰ মহা-বিদ্যালয়ৰ প্ৰেক্ষাগৃহ নাই। ওপৰোক্ত অভাৱ কেইটিৰ পুৰণৰ ব্যৱস্থা কলেজ কৰ্তৃপক্ষই লব বুলি অনুৰোধ জনালোঁ।

বৰ আনন্দৰ কথা যে এইবেলি আমাৰ মহাবিদ্যালয়ে অৰ্থনীতি আৰু অসমীয়া বিভাগত 'অনাৰ্ছ কোৰ্ছ' খোলাৰ অনুমতি পাইছে। ভৱিষ্যতে বাকী বোৰ বিষয়তো অনাৰ্ছ কোৰ্ছ

খোলা হব বুলি আমাৰ আশা থাকিল ।

আমাৰ কাৰ্যকাল ছোৱাত সকলো দিশত উপদেশ দিওঁতা অধ্যক্ষ শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথ আৰু অসমীয়া বিভাগৰ মুখ্য অধ্যাপক শ্ৰীবসন্ত কুমাৰ দত্তৰ ওচৰত আমি চিৰ ঋণী । লগতে সমূহ অধ্যাপক, অধ্যাপিকাৰ সহায়, পৰামৰ্শ আমি পাহৰিব নোৱাৰোঁ । তেখেত সকললৈ আমাৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে সমূহ ছাত্ৰ-ছাত্ৰীলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছোঁ।

আমাৰ কাৰ্যকালত আমালৈ বিশেষভাৱে সহায় আগবঢ়োৱা বাবে ভাৰত, ভবেন, গনেশ বিষয়, পঞ্চানন, কণক, হংসধৰ, হিৰণ, কিৰণ, কণকলতা, সাবিত্ৰী, পবিত্ৰ, ভাৰিণী, ধীৰেন, ধ্ৰুৱ আদিৰ উপৰিও বহুতো ছাত্ৰ-ছাত্ৰীৰ কথা কোনো দিনে পাহৰিব নোৱাৰোঁ ।

শেষত আমাৰ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি আৰু 'জৰাহৰ জ্যোতিৰ' দীৰ্ঘায়ু কামনা কৰিলোঁ।

ধন্যবাদেৰে—

**শ্ৰীদধীমোহন মজুমদাৰ**
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা ।

# সংগীত আৰু কলা বিভাগ—

প্ৰতিবেদনৰ আৰম্ভণিতে আমাৰ মহাবিদ্যালয়ৰ যি সকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধবীৰ সহায়-সহানুভূতিৰ বাবে, বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈ ১৯৭৬-'৭৭ চনৰ বাবে মই সংগীত আৰু কলা বিভাগৰ সম্পাদক হিচাপে কাম কৰাৰ সুযোগ-কণ পালোঁ তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ ।

ব্যক্তিগত দুখাৰঃ—

পঢ়া-শুনাৰ লগতে ছাত্ৰ-ছাত্ৰী সকলৰ সংগীত আৰু কলাও অপৰিহাৰ্য । আজিৰ এই প্ৰতিযোগিতাৰ যুগত অন্যান্য বিষয়ৰ লগতে সংগীত আৰু কলাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলে নিজৰ প্ৰতিভা বিকাশৰ উপৰিও সুখ্যাতি অৰ্জন কৰিব পাৰে । অৱশ্যে তাৰ বাবে একান্ত আগ্ৰহ আৰু চেষ্টা লাগিব । সংগীত আৰু কলাক এখন বোৱন্তী নৈৰ লগত তুলনা কৰা হয় । যিদৰে বোৱন্তী নৈ এখন অবিৰাম গতিত বৈ থাকে তেনেদৰে সংগীত আৰু কলাও যুগে যুগে সৃষ্টি হৈ আহিছে—সৃষ্টি হৈ আছে আৰু সৃষ্টি হৈ থাকিব । ভৌগলিক চাৰিসীমাৰ দেশ এখনৰ উন্নতিত সংগীত আৰু কলাইও যথেষ্ট সহায় কৰে ।

সকলোৱে জানে "সংসাৰ মৰুভূমিত গান সৰোবৰ।" সংগীত-শিল্পৰ ভবিষ্যতে ক্ষন্তেকৰ কাৰণে হলেও আমি আমাৰ দুখ বেজাৰবোৰ পাহৰি থাকি আনন্দ-স্ফূৰ্তিত ডুব গৈ থাকিব পাৰোঁ। আন-হাতে শাস্ত্ৰজ্ঞ সকলৰ মতেও গানেই হ'ল জ্ঞান। গানৰ পৰাও আমি বহুকথা শিকিব পাৰোঁ। উদাহৰণ স্বৰূপে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদৰ গীত সমূহৰ কথাকে উল্লেখ কৰিব পাৰি। সুকণ্ঠৰ শিল্পী হবলৈ হলে এটা ভাল পৰিবেশবো আৱশ্যক। কোনোৱা এজন ডাঙৰ শিল্পীয়ে কৈছিল,—"এজন শিল্পীয়ে এদিনৰ ক্ষতি পূৰণৰ বাবে একৈশ দিন সাধনা কৰিব লগা হয়।" বাস্তৱিকতে কাথাষাৰ সত্য। মানুহে কবি-সাহিত্যিক বা গায়ক হওঁ বুলিয়েই হব নোৱাৰে। তাৰ বাবে লাগিব ঐকান্তিক সাধনা।

**বছৰেকীয়া কলেজ সপ্তাহ:—**

আন আন বছৰৰ দৰে এইবাৰো আমাৰ মহাবিদ্যালয়ত চাৰিদিনীয়া কাৰ্য-সূচীৰে বছৰেকীয়া "কলেজ সপ্তাহ" পালন কৰা হয়। বিভিন্ন গীত-মাত, কৌতুক অভিনয়ৰ লগতে একাঙ্কিকা নাট প্ৰতিযোগিতাও পতা হয়। কিন্তু বৰ দুখৰ বিষয় যে একাঙ্কিকা নাট প্ৰতি-যোগিতাত কলেজৰ কোনো দলেই অংশ গ্ৰহণ নকৰাত নাট প্ৰতিযোগিতাখন বাদ দিব লগা হয়। অন্যান্য গীত মাতত অংশ গ্ৰহণ কৰা প্ৰতিযোগীৰ সংখ্যাও বৰ সন্তোষজনক নহ'ল। আইনবাৰৰ তুলনাত এইবাৰ কলেজ কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰী সকলৰ সুবিধাৰ কাৰণে প্ৰয়োজনীয় বাদ্য-যন্ত্ৰও যোগাৰ কৰি দিছে। এনেস্থলত ছাত্ৰ-ছাত্ৰী সকলৰ এই বিষয়ত কিয় যে অনুৰাগ নাইকিয়া হ'ল তাক বুজা নেযায়। বোধহয় ইয়াৰ এইটোৱে কাৰণ নেকি যে আমাৰ ছাত্ৰ-ছাত্ৰী গায়ক-গায়িকা সকলৰ চৰ্চাৰ অভাৱ। যাৰ ফলত তেওঁলোকে "কলেজ সপ্তাহ" বা তেনেকুৱা কোনো সাংস্কৃতিক অনুষ্ঠানৰ দুই এদিনৰ আগতে ধুম্-ধামেৰে গীত মাতৰ আখৰা কৰে যদিও বিশেষ কৃতকাৰ্যতা দেখুৱাব নোৱাৰে। যি নহওঁক ভবিষ্যতলৈ ছাত্ৰ-ছাত্ৰী সকলে সংগীত আৰু কলাৰ ভালদৰে চৰ্চা কৰি একো একোজন সু-শিল্পী হৈ আমাৰ মহাবিদ্যালয়ৰ গৌৰৱ বঢ়াব বুলি আমাৰ আশা।

এইবেলি আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক "কলেজ সপ্তাহ"ৰ সাংস্কৃতিক প্ৰতিযোগিতাখন বকো হাইস্কুলৰ প্ৰেক্ষাগৃহটি নোপোৱাত বকো "মনালিছা ক্লাব"ৰ অস্থায়ী প্ৰেক্ষগৃহটিত অনুষ্ঠিত কৰা হয়। এইখিনিতে "মনালিছা ক্লাব"ৰ ভবি-ষ্যত উন্নতি কামনা কৰি সমূহ সদস্যলৈকে আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। প্ৰথম নিশাৰ সাংস্কৃতিক প্ৰতিযোগিতাখন মুকলি কৰে এসময়ৰ অভিনেতা আৰু বৰ্তমান বকো হাইস্কুলৰ শিক্ষক শ্ৰীসুৰেন্দ্ৰমোহন দাসদেৱে। মাননীয় দাসদেৱলৈ আমাৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

উল্লেখযোগ্য যে সামৰণি সভাত গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ যুৱ কল্যাণ বিভাগৰ সঞ্চালক শ্ৰীযুত ভূপেন চন্দ্ৰ দাস দেৱৰ উপস্থিতিয়ে সভাৰ সৌষ্ঠৱ বঢ়ায়। তেখেতলৈ আমাৰ আন্ত-ৰিক কৃতজ্ঞতা থাকিল।

শিল্পী দিৱস—

পোন প্ৰথম বাবৰ বাবে আমাৰ মহাবিদ্যালয়ে ১৭/১/৭৭ ইং তাৰিখে "শিল্পী-দিৱস" উপলক্ষে অসমৰ কালজয়ী শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনায় আৰু লগতে শিল্পী গৰাকীৰ জীৱনৰ বিভিন্ন দিশৰ ওপৰত আলোক-পাত কৰি উপস্থিত শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু ভদ্ৰমণ্ডলীয়ে আলোচনা কৰে। আৰম্ভণিতে শিল্পী গৰাকীৰ জীৱন-জীজ্ঞাসাৰ ওপৰত এখনি আকৰ্ষণীয় জ্যোতি-তৰ্পণ সংগীতানুষ্ঠান আগৰ-চোৱা হয়। এই সংগীতালেখ্যখন ৰচনা কৰিছিল আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত দ্বিজেন দাসে। ইয়াত সভাপতিত্ব কৰে স্থানীয় সমাজ কৰ্মী শ্ৰদ্ধেয় শ্ৰীনবীন চন্দ্ৰ কলিতাদেৱে। এই খিনিতে তেখেতলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

জ্যোতি প্ৰসাদৰ কবিতা আবৃত্তি কৰে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ পুৰুষোত্তম সাহা, নৱকুমাৰ ঠাকুৰীয়া, মহেশ দাস আদিয়ে। জ্যোতিপ্ৰসাদৰ জীৱনৰ দুটামান দিশ (১) "জ্যোতিপ্ৰসাদ আৰু অসমীয়া সংস্কৃতি" আৰু (২) জ্যোতি প্ৰসাদ মানুহজন আৰু সংগ্ৰামী জ্যোতিপ্ৰসাদ"ৰ বিষয়ে শ্ৰীনিগমানন্দ অধিকাৰী, অধ্যাপক শ্ৰীযুত দ্বিজেন দাস, অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ; শ্ৰীযুত ভুৱনেশ্বৰ ভট্ট আদিয়ে আলোচনা আগবঢ়াই এই অনুষ্ঠান খন বিশেষভাৱে আকৰ্ষণীয় আৰু স্মৰণীয় কৰি তোলে অনাতঁৰ শিল্পী শ্ৰীযুত গনেশ চন্দ্ৰ দাসে। অধ্যাপক শ্ৰীযুত দিলীপ দাস, আৰু শ্ৰীযুত কামিনী মোহন শৰ্মাই পৰিবেশন কৰা গীত দুটি স্মৰণীয় হৈছিল। এই অনুষ্ঠানটো কৃতকাৰ্য কৰি তোলাত মোক বিশেষভাৱে সহায় সহযোগ কৰিছিল বন্ধুবৰ ধীৰেন কলিতা, ব্ৰজেন তালুকদাৰ, নৱন কলিতা, হংসধৰ দৈমাৰী, হিৰণ্য ডেকা, মুকুন্দ দাস, সহপাঠী কুমাৰী জাহানাৰা বেগম, নীলিমা গোস্বামী, তিলোত্তমা দাস, ভাৰতী দাস, দিপালী দাস, হিৰণময়ী শৰ্মা, মনোৰমা দাস, হীৰা বাভা আৰু খুৰছিদা বেগমে এইখিনিতে ভৱিষ্যতৰ সাংস্কৃতিক সম্পাদকসকললৈ অনুৰোধ থাকিল এয়ে যে তেওঁলোকে যেন এই মহান অনুষ্ঠানটো বছৰেকৰ মূৰত অনুষ্ঠিত কৰি শিল্পীজনৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাবলৈ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক সুবিধা দিয়ে।

অসমৰ আন জন কালজয়ী শিল্পী কলাগুৰু "৺বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতি দিৱস" আমাৰ কলেজ বন্ধ থকাৰ কাৰণে এইবাৰ অনুষ্ঠিত কৰিব পৰা নগ'ল। ভৱিষ্যতে যাতে এই অনুষ্ঠানটো আমাৰ মহাবিদ্যালয়ত পাতিব পৰা হয় তাৰবাবে আশা থাকিল। "শিল্পী দিৱস"ত উপস্থিত থকা ভদ্ৰমণ্ডলী, অধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ হিয়া ভৰা অভিনন্দ জনাইছোঁ।

যুৱ মহোৎসৱ—

এইবাৰ ২৭/২/৭৭ তাৰিখৰ পৰা ২।৩।৭৭ ইং তাৰিখলৈ গুৱাহাটী বিশ্ব-বিদ্যালয়ত অনুষ্ঠিত হোৱা "Inter-College Youth Festival" ত আমাৰ মহাবিদ্যালয়েও ২য় বাৰৰ বাবে যোগদান কৰে। ইয়াত অসমৰ ১৩০ খন কলেজে অংশ গ্ৰহণ কৰে। আমাৰ মহাবিদ্যালয়ৰ পৰা সমবেত

গীত, আধুনিক গীত, ভজন, জ্যোতি-সংগীত, ৰাভা-গীত আৰু তৰ্ক-প্ৰতিযোগিতাৰ বাবে পাঁচজনীয়া দল এটি পঠিওৱা হৈছিল। মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীলক্ষ্মীকান্ত শৰ্মাদেৱৰ তত্বাৱধানত— ভাৰত চৌধুৰী, ধীৰেন কলিতা, কুমাৰী হীৰা বাভা, নৰেন কলিতা আৰু বনমালী দাসৰ উক্ত যুৱ--মহোৎসৱত অংশ গ্ৰহণ কৰাৰ সৌভাগ্য ঘটিছিল। উল্লেখ নকৰিলে ভুল হব যে এই মহোৎসৱত যোগদান কৰাৰ আগমুহূৰ্তত ছাত্ৰী বান্ধৱী এগৰাকীৰ হেমাহিৰ কাৰণে দলটিয়ে বহুখিনি অসুবিধাৰ সন্মুখীন হব লগা হৈছিল। তথাপি এই অসুবিধাৰ মাজেৰেও দলটিয়ে কলেজৰ সকলোৰে আশীৰ্বাদ লৈ উক্ত মহোৎসৱত অংশ গ্ৰহণ কৰিবলৈ আগবাঢ়িছিল। এই মহোৎসৱত অংশ গ্ৰহণ কৰাত বিশেষ ভাবে সহায় কৰে আমাৰ কলেজৰ অধ্যক্ষ শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথদেৱে।

**অভাৱ অভিযোগ—**

এখন মহাবিদ্যালয়ৰ সংগীত শাখাৰ কাৰণে যিখিনি সা-সঁজুলিৰ প্ৰয়োজন সেইখিনি প্ৰায় আমাৰ মহাবিদ্যালয়ত আছেই। তথাপি বাদ্য-যন্ত্ৰৰ ফালৰ পৰা কওঁ এযোৰ, ঢুলকী এটা গীটাৰ এখন— এইকেইবিধ বাদ্য যন্ত্ৰ পালে আমাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটোৰ বহুখিনি উন্নতি হব বুলি মোৰ বিশ্বাস। আন এটি গুৰুত্বপূৰ্ণ কথা হ'ল আমাৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ এটিৰ বৰ অভাৱ। প্ৰেক্ষাগৃহটিৰ লগতে বাদ্য-যন্ত্ৰখিনিৰ অভাৱ পূৰণ কৰিবলৈ আমাৰ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক টানি অনুৰোধ জনালোঁ।

**কৃতজ্ঞতা স্বীকাৰ—**

বিভাগীয় কাম কাজ সুকলমে চলোৱাত দিহা পৰামৰ্শ দি মোক উৎসাহিত কৰাৰ বাবে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ আৰু ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত দ্বিজেন দাসলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে যি সকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে মোৰ কামত বিশেষভাবে সহায় সহ-যোগিতা আগবঢ়াইছিল তেওঁলোকলৈ মোৰ আন্তৰিক শলাগ আগবঢ়াইছোঁ।

সদৌ শেষত জ্ঞাত বা অজ্ঞাত ভাৱে হৈ যোৱা মোৰ ভুল ত্ৰুটীৰ বাবে ক্ষমা খুজি সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ হিয়াভৰা শুভেচ্ছা জনাই আৰু "জৱাহৰ জ্যোতি"ৰ দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে

ভাৰত চৌধুৰী
সম্পাদক,
সংগীত আৰু কলা বিভাগ

# ক্ৰীড়া-বিভাগ

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে মোক ১৯৭৬-'৭৭ চনৰ বাবে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ খেল বিভাগৰ সম্পাদক হিচাবে নিৰ্বাচিত কৰি

বিভিন্ন কাম-কাজ কৰাৰ সুযোগকণ দিলে তেখেত সকলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এটা বছৰ খেল বিভাগৰ সম্পাদকৰ দায়িত্ব লৈ কিমানখিনি কৰিব পাৰিলোঁ তাক মই নিজে কোৱা টান। এটা কথা বিশেষ মন কৰিব লগীয়া এয়ে যে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ খেলৰ মানদণ্ড তেনেই পিছপৰা অৱস্থাতে আছে। সেই কাৰণে আন্তঃ কলেজ খেল-প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে যোগ দান নকৰাৰ এটা অন্যতম কাৰণ। মহাবিদ্যালয়ত যিখিনি খেলৰ সা-সুবিধা আছে সেইখিনিৰো নিয়মীয়া চৰ্চা নহয় বাবেই হয়তো খেলৰ মান-দণ্ড তেনেই নিম্ন থাপৰ হৈ আছে। সেই কাৰণে মই ছাত্ৰ-ছাত্ৰী সকলক নিয়মিতভাৱে খেলৰ চৰ্চা কৰিবলৈ অনুৰোধ কৰিলোঁ।

এই খিনিতে এষাৰ কথা কোৱা ভাল হব যে এই বেলি আমাৰ মহাবিদ্যালয়ৰ খেল-পথাৰ খনো খেলৰ উপযোগী কৰা হৈছে। লগতে আন সজুলিত বাদেও পোন প্ৰথমবাৰৰ বাবে কলেজত ক্ৰিকেট খেলৰ প্ৰচলন কৰা হৈছে। অথচ ছাত্ৰ-ছাত্ৰীবোৰৰ ক্ৰিকেট খেলৰ প্ৰতি সঁহাৰি বৰ সন্তোষজনক নহয় বুলিয়েই কব লাগিব।

কাৰ্যভাৰ গ্ৰহণ কৰাৰে পৰা মোক সকলো সময়তে সুপৰামৰ্শৰে সহায় কৰে এই বিভাগৰ তত্বাৱধায়ক শ্ৰীমদন চন্দ্ৰ কাকতিদেৱে। তেখেতলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আগবঢ়াইছোঁ। তেনে-দৰে বিভিন্ন দিশত মোলৈ সহায়-সহযোগ আগ বঢ়োৱা বাবে মোৰ বন্ধু তিখিৰাম ৰাভা, প্ৰতাপ ৰাভা, কণকেশ্বৰ ধৰৰ নাম আৰু লগতে কুমাৰী সৰলা ৰাভাৰ নামটিও কৃতজ্ঞতাৰে সুঁৱৰিছোঁ।

ধন্যবাদেৰে—

**বিষয় ৰাভা**
সম্পাদক, ক্ৰীড়া বিভাগ

# তৰ্ক আৰু আলোচনা চক্ৰ—

প্ৰতিবেদনৰ আৰম্ভণিতে মই বকো: জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীবৃন্দলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

দ্বিতীয়তে ১৯৭৬-'৭৭ চনৰ বাবে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভালৈ গণতান্ত্ৰিক পদ্ধতিৰে মোক নিৰ্বাচিত কৰি সেৱা আগবঢ়াবলৈ যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধবীয়ে সুযোগকণ দিলে তেওঁলোকলৈও মোৰ ধন্যবাদৰ শৰাই আগবঢ়াইছোঁ।

১৯৭৬ চনৰ মহাবিদ্যালয় সপ্তাহ উপলক্ষে এখনি আকস্মিক বক্তৃতা আৰু তৰ্ক-প্ৰতিযোগিতা আৰু লগতে "কুইজ্" প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। উক্ত প্ৰতিযোগিতাত অধ্যক্ষৰ আসনত আছিল আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীকামিনী মোহন শৰ্মাদেৱ। প্ৰতিযোগিতাৰ

উদ্বোধক আছিল আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথদেৱ। তেখেতসকলে সভাত উপস্থিত থাকি প্ৰতিযোগীসকলক উৎসাহ-উদ্দীপনা যোগোৱাত তেখেতসকললৈও মই মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে উপস্থিত অধ্যাপক-অধ্যাপিকাবৃন্দ আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীসকললৈও মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

এইখিনিতে বৰ পৰিতাপেৰে জনাব লগীয়াত পৰিলোঁ যে আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক তৰ্ক বিষয়ৰ প্ৰতিযোগিতাবোৰত প্ৰতিযোগীৰ সংখ্যা নিচেই তাকৰ। সেয়ে বিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলক অদূৰ ভৱিষ্যতে এনে সভা-সমিতিবোৰত পূৰ্ণ সহায়-সহযোগ আগবঢ়াবলৈ অনুৰোধ কৰিলোঁ।

মোৰ কাৰ্যকাল ছোৱাত তৰ্কসভাৰ সম্পাদক হিচাবে মই মোৰ কৰ্তব্য ভালদৰে সম্পাদন কৰিব পাৰিছোঁ নে নাই সেইটো সকলোৰে বিচাৰ্য বিষয়। মোৰ কাৰ্য-পৰিচালনা ক্ষেত্ৰত উপদেশ দি সহায় কৰা বাবে অধ্যক্ষ শ্ৰীযতীন্দ্ৰ নাথ দেৱ আৰু ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীশৰৎ চন্দ্ৰ তালুকদাৰ দেৱৰ ওচৰত মই চিৰ ঋণী। লগতে সভা-সমিতিবোৰত মোলৈ সহায়-সহযোগিতা আগবঢ়োৱা বাবে মোৰ বন্ধুবৰ্গলৈও আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ অজানিতে ভুল-ক্ৰুটীৰ বাবে মাৰ্জনা বিচাৰি আৰু লগতে 'জৱাহৰ জ্যোতি'ৰ দীৰ্ঘায়ু কামনা কৰি মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে—

পঞ্চানন মেধি

সম্পাদক, তৰ্কসভা

## সমাজ-সেৱা

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে মোক ১৯৭৬—'৭৭ চনৰ বাবে সমাজ-সেৱাৰ সম্পাদকৰ গুৰুভাৰ বহন কৰিবলৈ সুযোগকণ দিছে তেওঁলোকলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্যকাল ছোৱাত মই মোৰ যোগ্যতা প্ৰতিপন্ন কৰিব পাৰিছোঁ নে নাই সেইটো তেওঁলোকৰ বিচাৰ্য।

সমাজ-সেৱা শিক্ষাৰ এটি অঙ্গ। ই য়ে আমাৰ সৃজনশীল মনোভাৱৰ পৰিসৰ বৃদ্ধি কৰে। এই সমাজ-সেৱাৰ লগতে মানৱ জীৱনৰ কৰ্ম-অভিজ্ঞতাও ওতঃপ্ৰোতভাৱে জড়িত। সেয়ে আমাৰ চৰকাৰ তথা বিশ্ববিদ্যালয়ে ছাত্ৰ-ছাত্ৰীয়ে যাতে সমাজ-সেৱাৰ লগতে গ্ৰাম্য উন্নয়নমূলক বিভিন্ন ধৰণৰ কৰ্ম-অভিজ্ঞতা লাভ কৰে তাৰ বাবে "জাতীয় সেৱা আঁচনি" বুলি এটি বিভাগ খুলিছে। এই আঁচনিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলে ভিতৰুৱা গাৱঁলীয়া অঞ্চললৈ গৈ গাৱঁৰ নিৰক্ষৰ মানুহৰ লগত মিলি তেওঁলোকক বিভিন্ন

ধৰণৰ শিক্ষা দান কৰাৰ উপৰিও সহায়-পৰামৰ্শ আদি দিবলৈ ঠাই বিশেষে একোটাকৈ শিবিৰ পতাৰ কাম বলবৎ কৰা হৈছে। অসমত ১৯৭৬-'৭৭ চনৰ বাবে এনে মুঠ ১২টা শিবিৰ পতাৰ ব্যৱস্থা লোৱা হয়।

এনে সেৱা-আঁচনিৰ শিবিৰ এটাত যোগদান কৰিবলৈ এইবেলি আমাৰ মহাবিদ্যালয়েও সুযোগ লাভ কৰে। এই শিবিৰ দক্ষিণ কামৰূপৰ নগৰবেৰা বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত পতা হয়। ইয়াত মুঠতে আমাৰ মহাবিদ্যালয়কে ধৰি মুঠ তিনিখন মহাবিদ্যালয়ে যোগদান কৰে। বাকী দুখন মহাবিদ্যালয় হ'ল নগৰবেৰা বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আৰু দুধনৈ মহাবিদ্যালয়। শিবিৰত বিভিন্ন কাৰ্যসূচীৰ ভিতৰত ৰব উল্লেখযোগ্য কাম হ'ল যে বকোৰ পৰা নগৰবেৰালৈ যোৱা প্ৰধান আলিবাটটোৰ লগত সংযোগ ৰাখি পিজুপাৰাৰ মাজেৰে হৰিডোবালৈ এটা কেচা আলি নিৰ্মাণ। এই ৰাস্তা নিৰ্মাণৰ কাম শিবিৰ চলি থকা সময়ত সম্পূৰ্ণ হয়। নতুনকৈ নিৰ্মাণ কৰা এই ৰাস্তাৰ নাম দিয়া হয় ৺প্ৰবীণ কুমাৰ চৌধুৰী ৰোড।

আনহাতে আমি আটাই কেইজন 'কেডেটে' ৰৰ কষ্টেৰে পুখুৰীপাৰা গাওঁত থকা এটা আহোম ৰজাদিনীয়া অনাদৃত পুখুৰী পৰিষ্কাৰ কৰি ব্যৱহাৰোপযোগী কৰি তোলো। এনেকুৱা ঠাই এখনত পুৰণি দিনৰ এনে কীৰ্তি চিন এটা অৱহেলিত অৱস্থাত থকাটো দুঃখজনক। ইয়াৰোপৰি প্ৰতিদিনে আবেলি আৰু সন্ধিয়া নানা ধৰণৰ সমাজ উন্নয়মূলক আলোচনা আৰু গান-বাজনা আদিৰে গোটেই শিবিৰ আনন্দমুখৰ হৈ থাকে। আনহাতে তিনিখন মহাবিদ্যালয়কে ধৰি এখনি প্ৰীতি ফুটবল খেলৰো আয়োজন কৰা হয়।

স্থানীয় ৰাইজে আমাৰ কাম-কাজৰ শলাগ লয়। তেওঁলোকৰ পৰা আমি যি সহায়-সহযোগ পাইছোঁ তাক আমি চিৰদিনে শ্ৰদ্ধা ও কৃতজ্ঞতাৰে সুঁৱৰিম।

শিবিৰত থকা কালছোৱাত আমাৰ মহাবিদ্যালয়ে যথেষ্ট সুনাম অৰ্জন কৰে। আমাৰ মহাবিদ্যালয়ে শ্ৰেষ্ঠ সমাজ সেৱীৰ স্বীকৃতি লাভ কৰে। শ্ৰেষ্ঠ সমাজ সেৱা আৰু পৰিপাটিৰ বাবে আমাৰ মহাবিদ্যালয়ে দুটা পুৰস্কাৰ লাভ কৰে। শিবিৰৰ শ্ৰেষ্ঠ সমাজ-সেৱক ভাৰত চৌধুৰীলৈ মই আমাৰ মহাবিদ্যালয়ৰ তৰফৰ পৰা শলাগৰ শৰাই আগবঢ়াইছোঁ।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে আমাৰ মহাবিদ্যালয়তো তেওঁলোকৰ কৰ্ম-অভিজ্ঞতা, দক্ষতা আদিৰ পৰিচয় দিয়ে। মহাবিদ্যালয় প্ৰাঙ্গণত থকা ফল-বাগিছাত আমাৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলে সেৱাৰ কাম হাতত লয়। তেওঁলোকে গোটেই বাগিছাখন কোৰেৰে খান্দি, আনাৰস, কল, নেমুটেঙা আদি খেতিৰ কাৰণে উপযোগী কৰি তোলে। আনফালে পূৰ্বে ৰোপণ কৰা পুলিবোৰৰ গুৰিত থকা বন-জাবৰ আদি উভালি চাফা কৰে। এই কাৰ্যত মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু অধ্যাপকবৃন্দই সহায়-পৰামৰ্শ আগবঢ়োৱাৰ কাৰণে তেখেতসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা থাকিল।

আমাৰ মহাবিদ্যালয়ৰ বছৰেকীয়া কলেজ-সপ্তাহ উপলক্ষে সমাজ-সেৱাৰ প্ৰতিযোগিতা এখনো পতা হয়। এই প্ৰতিযোগিতাত সমূহ ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰি প্ৰতিযোগিতাখন বৰ আকৰ্ষণীয় কৰি তোলে। প্ৰতিযোগিতাখনত তিনিজন অধ্যাপকক বিচাৰক নিযুক্ত কৰা হয়। তেওঁলোক হ'ল মাননীয় শ্ৰীদিলীপ দাস, শ্ৰীদ্বিজেন দাস আৰু শ্ৰীলক্ষ্মী শৰ্মা। তেওঁলোকলৈ আমাৰ কৃতজ্ঞতা থাকিল।

সদৌ শেষত মোৰ কামৰ বিভিন্ন দিশত সহায়-সহযোগিতা আৰু পৰামৰ্শ আগবঢ়োৱাৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়, অধ্যাপকবৃন্দ, ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীধৰ্মকান্ত বৰুৱা আৰু ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাই আৰু লগতে মোৰ কিবা ভুল-ত্ৰুটীৰ বাবে ক্ষমা খুজি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**ভবেন ঠাকুৰীয়া**
সম্পাদক, সমাজ-সেৱা

## ছাত্ৰৰ জিৰণি কোঠা

যি সকল ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ আন্তৰিকতা আৰু নিঃস্বাৰ্থ চেষ্টাৰ দ্বাৰাই ১৯৭৬-'৭৭ চনৰ বাবে মোক আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰৰ জিৰণি কোঠাৰ সম্পাদকৰ পদত অধিষ্ঠিত কৰি সেৱা কৰিবলৈ সুযোগকণ দিলে, তেখেত-সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সম্পাদকৰ যি দায়িত্ব তাক মই সুচাৰুৰূপে পালন কৰিব পাৰিছোঁ নে নাই সেইটো ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰ বিচাৰ্য বিষয়। অভাৱ-অভিযোগৰ ফালৰ পৰা আমাৰ মহাবিদ্যালয়ত ছাত্ৰৰ জিৰণি কোঠা এটি নথকাত ছাত্ৰ সকলে যথেষ্ট অসুবিধাৰ সন্মুখীন হব লগাত পৰিছে। সেয়েহে মই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ জনাও যাতে অনতিপলমে ছাত্ৰৰ জিৰণি কোঠা এটিৰ ব্যৱস্থা কৰি তাত সকলো ধৰণৰ সুবিধা আগবঢ়াই ছাত্ৰ সকলৰ অভাৱ পূৰণ কৰে।

যোৱা বাৰৰ দৰে এই বেলিও আমাৰ মহাবিদ্যালয়ৰ "বছৰেকীয়া বিদ্যালয় সপ্তাহ" উপলক্ষে ছাত্ৰ সকলৰ মাজত "বেড্‌মিণ্টন" আৰু "কেৰম" প্ৰতিযোগিতা পতা হৈছিল। উভয় প্ৰতিযোগিতাতে যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰি প্ৰতিযোগিতা দুখন বেচ আকৰ্ষণীয় কৰি তুলিছিল।

বিভাগীয় কাম-কাজৰ বিভিন্ন দিশত দিহা-পৰামৰ্শ দি সহায় কৰা বাবে ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত লক্ষ্মীকান্ত শৰ্মা আৰু মোৰ বন্ধু শ্ৰীমহেশ দাসৰ ওচৰত মই চিৰ কৃতজ্ঞ।

সদৌ শেষত অনিচ্ছাকৃত ভুল-দোষৰ বাবে ক্ষমা খুজি আৰু সকলোলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি মোৰ প্ৰতিবেদনৰ ইতি ৰেখা টানিলোঁ।

ধন্যবাদেৰে—

**কনকেশ্বৰ ধৰ**
সম্পাদক, ছাত্ৰ জিৰণি কোঠা

# ছাত্ৰীৰ জিৰণি কোঠা

জয়জয়ুতে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে ১৯৭৬/'৭৭ চনৰ বাবে ছাত্ৰীৰ জিৰণি কোঠাৰ সম্পাদিকাৰ গুৰু দায়িত্ব মোৰ ওপৰত অৰ্পণ কৰাত তেখেতলৈ মই মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এই গুৰু দায়িত্ব বহন কৰাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰ পৰা মই যি সহায়-সহযোগিতা পাইছোঁ, তাৰ বাবে তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ।

ছাত্ৰীৰ জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মোৰ কাৰ্যকাল ছোৱাত মই কিবা চমকপ্ৰদ কাম কৰিছোঁ বুলি দাবী কৰাৰ নৈতিক সাহস মোৰ নাই। তথাপি মোৰ বন্ধু-বান্ধৱী সকলৰ সহায়-সহযোগিতাত মোৰ ওপৰত ন্যস্ত কৰা দায়িত্ব পালন কৰিবলৈ মই চেষ্টাৰ ত্ৰুটি কৰা নাই।

মহাবিদ্যালয়ৰ ছাত্ৰীৰ জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মই ছাত্ৰীসকলৰ অভাৱ-অভিযোগৰ বিষয়ে দুআষাৰমান নকলে ভুল কৰা হব নিশ্চয়। মহাবিদ্যালয়ৰ ছাত্ৰীৰ জিৰণি কোঠাত পোৱা সা-সুবিধা তেনেই নগণ্য বুলি কব পাৰি।— বিশেষকৈ আজৰি সময়ত জিৰণি কোঠাত ছাত্ৰীসকলে বিভিন্ন ধৰণৰ খেল-ধেমালিৰ সা-সুবিধা নোপোৱাটো বৰ পৰিতাপৰ কথা। সেয়ে মই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ কৰোঁ যাতে অনতিপলমে ছাত্ৰীৰ জিৰণি কোঠাৰ নিম্নতম সা-সুবিধা আগবঢ়োৱাৰ লগতে বিভিন্ন ধৰণৰ খেল-ধেমালিৰ সা-সুবিধাবোৰৰ যোগান ধৰে।

বিভাগীয় কাম-কাজত দিহা-পৰামৰ্শ দি মোক সু-পথে চালিত কৰাৰ বাবে ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীকামিনী মোহন শৰ্মা দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ। মোৰ বান্ধৱী কিৰণ, কনকলতা আৰু হিৰণময়ীয়ে মোৰ সম্পাদকীয় কালত মোক সহায় কৰা বাবে তেওঁলোকলৈ মোৰ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সামৰণিত, জ্ঞাত বা অজ্ঞাতভাৱে হৈ যোৱা কিবা ভুল ত্ৰুটীৰ বাবে ক্ষমা খুজি মোৰ প্ৰতিবেদনৰ ইতি ৰেখা টানিলোঁ।

**কুমাৰী সাবিত্ৰী চক্ৰৱৰ্তী**
সম্পাদিকা,
ছাত্ৰী-জিৰণি কোঠা।

# সম্পাদকীয়

কোনো এখন সমাজ বা কোনো এটা জাতিৰ প্ৰতিচ্ছবি হ'ল সেই জাতি বা সমাজৰ সাহিত্য। সাহিত্যই সেই জাতি বা সমাজৰ দাপোন স্বৰূপ। সেই সমাজ বা জাতিৰ প্ৰকৃত ৰূপ সাহিত্যত দৃশ্যমান হয়। যি জাতি বা সমাজৰ সাহিত্য নাই তাৰ অস্তিত্বও নাই।

কিন্তু এইটো স্বীকাৰ্য যে সাহিত্য সাধনাৰ বস্তু। গল্প, কবিতা, নাটক আদিৰ মাধ্যমেৰে সাহিত্য চৰ্চা নকৰিলে পূৰ্ণাঙ্গ সাহিত্যৰ সৃষ্টি হব নোৱাৰে এই কাৰণে যে সেইবোৰ সাহিত্যৰ অঙ্গ। আনহাতে সাহিত্যৰ এই অঙ্গ সমূহ চৰ্চা কৰাৰ মাধ্যম হ'ল সমসাময়িক আলোচনীসমূহ।

চৰ্চা বিনে কোনো লেখক-লেখিকাৰ সাহিত্যৰ প্ৰতিভাৰ কলি মুকলি নহয় আৰু লেখনী শক্তিও প্ৰখৰ নহয়। সেয়ে আমাৰ মহাবিদ্যালয়ৰ উদীয়মান ছাত্ৰ-ছাত্ৰী সকলৰ সাহিত্য চৰ্চাৰ লগতে তেওঁলোকৰ সাহিত্যিক প্ৰতিভা বিকাশৰ মাধ্যম হ'ল আমাৰ মহাবিদ্যালয়ৰ আলোচনী "জৱাহৰ জ্যোতি"। এই আলোচনীৰ জৰিয়তে তেওঁলোকে সাহিত্য চৰ্চা কৰি স্বকীয় প্ৰতিভা বিকাশ কৰাৰ লগতে আমাৰ অসমীয়া সাহিত্যৰ ভঁৰালো চহকী কৰি তোলাত অৰিহণা যোগাব পাৰে। দেশৰ অ'ত-ত'ত পৰি থকা স্মৃতি-চিহ্ন সংস্কৃতি আদিৰ কথা বুটলি আনি ন-লেখক-লেখাক সকলে এই আলোচনীৰ জৰিয়তে আমাৰ সাহিত্যৰ ভঁৰাল চহকী কৰাত অৰিহণা যোগাব পাৰে নিশ্চয়।

ন-উদ্যম আৰু উৎসাহেৰে এইবেলি আলোচনীখন সজাই-পৰাই ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰ হাতত তুলি দিয়াৰ এটি অদম্য আশা আছিল। কিন্তু সেই আশা ফলৱতী নহ'ল। কাৰণ ছাত্ৰ-ছাত্ৰী সকলৰ পৰা যথোপযুক্ত প্ৰবন্ধ-পাতি পোৱা নগ'ল। দুই তিনিবাৰ জাননী দিয়া সত্বেও বন্ধু-বান্ধৱী সকলৰ পৰা কোনো সন্তোষজনক সঁহাৰি নোপোৱাত আলোচনীখন এইবেলি উলিয়াব পৰা যাব নে নাই সন্দেহ হৈছিল। যিয়ে হওঁক মুষ্টিমেয় প্ৰবন্ধ-পাতিৰে আলোচনীখন সজাই-পৰাই উলিওৱা হ'ল। নেজানো অজ্ঞানতাৰ পম খেদি 'জৱাহৰ জ্যোতি'ৰ তৃতীয় সংখ্যাই ছাত্ৰ-ছাত্ৰী সকলৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰাত সহায় কৰিবনে নাই। ভাবিছিলোঁ আলোচনীখনত বহুতো নতুন শিতান যেনে প্ৰশ্নোত্তৰ, সম্পাদকলৈ চিঠি-পত্ৰ, কোনো লোকৰ জীৱনী বা তেওঁৰ লগত সাক্ষাৎকাৰ উলিয়াম। কিন্তু সি হৈ নুঠিল। যিয়ে হওঁক ভৱিষ্যতে ইয়াৰ উত্তৰোত্তৰ সকলে ন-ন শিতানেৰে 'জৱাহৰ জ্যোতি'ৰ সৌষ্ঠৱ বঢ়াব বুলি আশা।

অপ্ৰিয় সত্য হলেও কবলৈ বাধ্য হলো যে

মৌলিক আৰু সৃজনীমূলক ৰচনা-পাতিৰ ওপৰত গুৰুত্ব দি ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলে সাহিত্য চৰ্চা কৰিবলৈ চেষ্টা নকৰে। ফলস্বৰূপে কেইবাটাও প্ৰৱন্ধ-পাতি গ্ৰহণযোগ্য নহ'ল আৰু আলোচনীত প্ৰকাশ কৰিব পৰা নগ'ল। আশা ৰাখিছোঁ ভৱিষ্যতে তেওঁলোকে মৌলিক প্ৰৱন্ধ-পাতিৰ ওপৰত গুৰুত্ব দি সাহিত্য চৰ্চা কৰিব।

ইংৰাজীত এষাৰ কথা আছে 'Man is Mortal' অৰ্থাৎ মানুহ মৰণশীল। জনম লভিলে মৰণ অনিবাৰ্য। কিন্তু এই সংসাৰত কেতবোৰ মানুহৰ মৃত্যুই আমাৰ অন্তৰক গভীৰভাৱে স্পৰ্শ কৰে। আমাৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি ৺ফখৰুদ্দিন আলি আহমেদ, অসমৰ বিশিষ্ট নেতা, ৰাজনীতিবিদ আৰু প্ৰবীণ সাহিত্যিক হেমবৰুৱা আৰু অসমৰ স্বনামধন্য পুৰুষ ৰাধা-গোবিন্দ বৰুৱাৰ মৃত্যুত আমাৰ দেশৰ অপূৰণীয় ক্ষতি হ'ল। এই কেইগৰাকী মহান ব্যক্তি এতিয়া আমাৰ মাজত নাই। কিন্তু তেখেত সকলৰ আদৰ্শ আমাৰ মানস পটত চিৰসেউজী হৈ থাকিব। লগতে সুঁৱৰিছো বিশ্বৰ শান্তি আৰু প্ৰগতিৰ পথত ওৰে জীৱন সংগ্ৰাম কৰি যোৱা শিল্পী, সাহিত্যিক, বৈজ্ঞানিক আৰু দাৰ্শনিক সকলক। তেওঁলোকলৈ আমাৰ ভক্তিভৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

ভুলৰ পৰা হাত সাৰিব নোৱাৰি। 'জৰাহৰ জ্যোতি'ৰ তৃতীয় সংখ্যা সম্পাদনা কৰোঁতে যদি কিবা ভুল-ত্ৰুটী থাকি গ'ল তাৰবাবে ক্ষমা বিচাৰিছোঁ। ভুল থাকিলে ই মোৰ অনভিজ্ঞতা আৰু অজ্ঞানতাৰ কাৰণেই। কোনোবাই যদি আলোচনীখনৰ পাত লুটিয়াই যাওঁতে 'ঠায়ে ঠায়ে বেয়া হৈছে' বুলি বিদ্ৰূপ কৰি কয় তেতিয়া হ'লে তাৰ কৈফিয়ৎ দিবলৈ মই অক্ষম। মোৰ ফালৰ পৰা অৱশ্যে মই চেষ্টাৰ ত্ৰুটী কৰা নাই। যিয়ে হওঁক মোৰ গধুৰ কাৰ্যভাৰ গ্ৰহণ কৰি মই কিমানদূৰ কৃতকাৰ্য হৈছোঁ তাৰ বিচাৰৰ ভাৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰ হাততেই। আলোচনীখন অতি সোনকালে উলিওৱাৰ কাৰণে যদিও যত্ন কৰিছিলোঁ তথাপি অনিচ্ছাকৃতভাৱে দেৰি হ'ল। সেয়া হয়তো জুখিব নোৱাৰা, বৰ্ণাব নোৱাৰা আলৈ-আহুকালৰ বাবে।

এই সংখ্যা আলোচনী প্ৰকাশত সকলো প্ৰকাৰে মোলৈ সহায়-পৰামৰ্শ আগবঢ়োৱাৰ কাৰণে মহাবিদ্যালৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ আৰু অসমীয়া বিভাগৰ মুখ্য অধ্যাপক শ্ৰীযুত বসন্ত কুমাৰ দত্তলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা থাকিল। লগতে আলোচনীৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত মৃগেন কুমাৰ শৰ্মা মহাশয়ৰ সহায় আৰু পৰামৰ্শই মোক প্ৰতি মুহূৰ্ততে মোৰ কামত আগবাঢ়ি যাবলৈ উদগনি দিছিল। তেখেতৰ ওচৰত মই চিৰ কৃতজ্ঞ। লগতে শলাগিছোঁ প্ৰৱন্ধ-পাতিৰ যোগান ধৰি আলোচনীখনৰ মুক্তিৰ পথ সুগম কৰি দিয়া সমূহ লেখক-লেখিকাসকলক, প্ৰেছৰ কৰ্মীবৃন্দক আৰু যি সকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে পৰোক্ষ বা প্ৰত্যক্ষভাৱে আলোচনীখন উলিওৱাত সহায়-সহযোগ আগবঢ়ালে,—তেওঁলোকক। আনহাতে আলোচনীখনৰ বেটুপাত শিল্পী শ্ৰীচিত্ৰমোহন কলিতালৈও আন্তৰিক কৃতজ্ঞতা ও ধন্যবাদ

থাকিল। লগতে সকলোৰে শলাগৰ শবাই আগবঢ়াইছোঁ অশেষ কষ্ট আৰু ধৈৰ্য্যেৰে আলোচনীখনৰ প্ৰবন্ধ-পাতিৰ পাণ্ডুলিপি তৈয়াৰ কৰি দিয়া বন্ধু-বান্ধৱী পবিত্ৰ, ভাৰত, অনন্ত, জাহানাৰা, ভাৰতী, দীপালী, তিলোত্তমা আৰু নলিনীলৈ।

সদৌ শেষত 'জৱাহৰ জ্যোতি'ৰ দীৰ্ঘায়ু কামনা কৰি আৰু আমাৰ শিক্ষানুষ্ঠানখনৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰি সম্পাদকীয়ৰ ইতিৰেখা টানিলোঁ।

—x—

# JAWAHARLAL NEHRU COLLEGE, BOKO

*Working Report from September/76 to September/77*

*By Principal J. O. Nath*

One year has passed since the last report on the college appeared in print. Though nothing spectacular has happened during the year under review yet it is marked by several significant developments.

**Opening of Honours in Degree Course—**

It is for the first time that the college was permitted by Gauhati University to open Honours in Economics and Assamese from the academic session 1977-78. For lack of Honours facilities, the enrolment in the Degree classes for the past few years was continuously falling causing much concern to the college authorities. But fulfilment of this long-felt need has brightened the prospect of speedy development and it is hoped that in the coming years the enrolment of the college will gradually rise. It may not be out of place to mention that the college authorities placed before the Survey Committee on Higher Education, appointed by the Govt of Assam, the demands and grievances of the students and the public and pleaded

for the fulfilment of the demands and removal of the grievances. The Committee assured us of their sympathetic consideration particularly, in opening a few more subjects in P. U. level.

**Appointment of additional staff—**

The opening of Honours has entailed on the college authorities the burden of appointing additional hands in the subjects concerned. Miss Nijara Das and Sri Akan Chandra Patowary have been appointed to the additional posts of Lecturers in Assamese and Economics respectively. As the new posts are not yet sanctioned by the Govt, the additional hands had to be appointed on a consolidated salary of Rs. 300/-P. M., which is much less than the prescribed pay. As the fund position of the college is not sound, it will be difficult to maintain the additional hands for long out of the meagre resources of the college. The Govt is, therefore, urged to sanction the posts immediately.

**Need for expansion of accommodation—**

Another difficulty resulting from the opening of Honours is the lack of class room accommodation. As the existing teaching accommodation is not adequate for holding the pass and Honours classes, a part of the college hostel building has been converted into class rooms. The immediate necessity is, therefore, the construction of a few more class rooms. But the construction can be taken up only when a handsome building grant is received from the State Govt at least under Article 275 for the purpose. It may be mentioned that this college has been deprived of any U. G. C. grant because of low enrolment in Degree classes.

**Enrolment—**

The total enrolment in 1976-77 was 183, out of which [there were 148 ( 107 regular + 41 casual ) in P. U. classes and 34 ( 24 regular + 10 casual ) in Degree classes. There was no regular student in B. A. 2nd year class as no student from this college appeared at the P. U. Examination in 1975, because of the state-wide Examination boycott movement launched by the students of Assam. The enrolment in 1977-78 has shown

an upward trend because of opening of Honours in Degree course. The total enrolment in 1977-78 up to date stands at 203, of which there are 124 students in P. U. and 79 in Degree classes. Prosperity of the college depends largely upon the increasing number of enrolment.

**Examination results—**

Results of University examinations of this college have been always encouraging. Although most of the students admitted to the college are 3rd Divisioners and hardly any first Divisioners, the percentage of pass has always been much above the University pass percentage. This year out of 90 candidates 44 came out successful. In Degree Examination 1977, there were no regular candidates from this college.

**The Students' Union—**

It is our firm belief that college and University students are not as useless as they are taken to be. If they are properly guided and weened from adverse influences of politicians and political parties, their youthful energies and enthusiasm can be better harnessed for the benefit of society. Our students have set an example of how they can be an asset to the institution rather than a liability. Our college is situated in a backward rural area and the students generally come from very poor families. The enrolment of the college being very low, the union fees collected from the students cannot meet the expenses of the Students' Union. Instead of depending upon the college authorities for their minimum facilities, they themselves have created the facilities. In Nov/76 the Students' Union Society under the leadership of Sri Mahat Bayan, the General Secretary, earned Rs. 10,000/- by arranging theatrical shows in aid of the Students' Union and donated the amount to the Union Fund. It enabled the college to have its own microphone set, cricket set and other sports goods, utensils and also to publish the college magazine. The Union office-bearers of the year extended full co-operation to the authority in creating an atmosphere of dignity and discipline on the campus. The

# ল'ৰাৰ খেল-প্ৰেমালি প্ৰতিযোগিতাৰ ফল
# ১৯৭৬-৭৭ ইং

**(ক) ১০০ মিটাৰ ৰেচ্**

১ম : বিষয় ৰাভা
২য় : ভবেন ঠাকুৰীয়া

**(খ) ২০০ মিটাৰ ৰেচ্**

১ম : অনিল ৰাভা
২য় : ফিৰোজ আলি

**(গ) ১০০০ মিটাৰ ৰেচ্**

১ম : অনিল ৰাভা
২য় : গোবিন্দ বড়ো
৩য় : কিৰণ ৰাভা
৪ৰ্থ : গনেশ সিং ৰাভা

**(ঘ) জেভেলিন থ্ৰো**

১ম : বিষয় ৰাভা
২য় : ভবেন ঠাকুৰীয়া

**(ঙ) ডিচ্‌কাচ্ থ্ৰো**

১ম : বিষয় ৰাভা
২য় : ভবেন ঠাকুৰীয়া

**(চ) চট্‌পুট্ থ্ৰো**

১ম : বিষয় ৰাভা
২য় : ৰামধন বড়ো

**(ছ) লং জাম্প্**

১ম : অনিল ৰাভা
২য় : বিষয় ৰাভা
চামাদ আলি

**(জ) হাই জাম্প্**

১ম : অনিল ৰাভা
১য় : বিষয় ৰাভা

**(ঝ) হপ্‌ষ্টেপ্ অ্যাণ্ড্ জাম্প্**

১ম : বিষয় ৰাভা
২য় : ৰামধন বড়ো

**(ঞ) প'ল ভল্ট্**

১ম : ৰামধন বড়ো
২য় : বিষয় ৰাভা

**(ট) ৰিলেৰেচ্ ৪ × ৪০০ মিঃ**

বিজয়ী দল—স্নাতক মহলা
১ম বাৰ্ষিক ।

বিষয় ৰাভা
ভবেন ঠাকুৰীৱা
গনেশ সিং ৰাভা
অনিল ৰাভা

### ভলীবল

বিজয়ী— প্ৰাঃ বিঃ ২য় বাৰ্ষিক

ভাৰত বড়ো

মহৎ বাৰ্মন

হাচমত আলি

ৰামচৰণ বড়ো

চামাদ আলি

উত্তম দাস

### অফিচ ষ্টাফ বেচ্

১ম :সৰ্বেশ্বৰ দাস

২য় : গৌতম ৰাভা

### চিঙ্গলচ কেৰম প্ৰতিযোগিতা

১ম : উত্তম দাস

### ৰানাৰ্চ আপ

খনীন্দ্ৰ মহন্ত

### ডাবলচ্ – কেৰম প্ৰতিযোগিতা

১ম : ভাৰত চৌধুৰী

খনীন্দ্ৰ মহন্ত

### ৰানাৰ্চ আপ্

হাচমৎ আলি

চামাদ আলি

### চিঙ্গলচ্ – বেডমিন্টন প্ৰতিযোগিতা

১ম : ভাৰত চৌধুৰী

### ৰানাৰ্চ আপ

চামাদ আলি

### ডাবলচ্ বেডমিন্টন প্ৰতিযোগিতা

১ম : ভাৰত চৌধুৰী

খনীন্দ্ৰ মহন্ত

### ৰানাৰ্চ আপ

ৰবিশঙ্কৰ দৈমাৰী

ভবেন ঠাকুৰীয়া

### সমাজ-সেৱা প্ৰতিযোগিতাৰ ফল ( ল'ৰা )

১ম : অনিল ৰাভা

২য় : গনেশ সিং ৰাভা

ৰামধন বড়ো

### সমাজ-সেৱা প্ৰতিযোগিতাৰ ফল ( এন, এচ এচ, )

শ্ৰেষ্ঠ সমাজ-সেৱক :— ভাৰত চৌধুৰী

১ম : অনিল ৰাভা

## বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ ( ল'ৰা )

# বিমল ৰাভা

example of the students of this college has raised high hope in the mind of the college authorities as well as the general public.

**Activities of the N. S. S. Unit—**

The Gauhati University authorities were pleased to enlist our college under the National Service Scheme and sanctioned a grant of Rs. 3,000/- initially, which was supplemented by another grant of Rs. 1000/- later, for the year 1976-77. The N. S. S. Unit was formally inaugurated on July 24, 1976 with the constitution of the N. S. S. Advisory Committee and enrolment of N. S. S. volunteers. The total strength of N. S. S. volunteers enrolled in 1976 was 113 of which 27 were girls. At the very beginning, the N. S. S. Advisory Committee chalked out a programme of activities in the following manner :-

(1) To donate labour in the horticulture farm of the college,
(2) to adopt two neighbouring villages for rendering Social Service
(3) to develop the college campus—
(4) and to join the special camp to be organised at Nagarbera.

Accordingly, our N. S. S. volunteers started work in the horticulture farm which now contains 8,000 pineapple saplings, 500 plantains, 300 lemon cuttings and 300 arecanut saplings. Two tribal villages on the outskirts of the college, namely Jarapara and Chakabaha, were adopted and a socio-economic servey was conducted with a view to studying the problems and needs of the people and rendering social service among them. A batch of 30 N. S. S. volunteers of our college joined a 10-day special camp organised at Nagarbera from Oct. 10th to 20th, 1976. Along with the students of Nagarbera and Dudhnai college our boys did commendable work in the special camp. One of our boys, Sri Bharat Choudhury won the best N. S. S. cadet prize. But the most impressive work done by the N. S. S unit, apart from raising the horticulture farm, was the development of the college campus. The N. S. S. volunteers developed the college playground, levelled up a big portion of the compound by

filling earth removed from the tank dug inside the campus.

The introduction of N. S. S. in the college is an exciting experience both to the students and to the teachers alike. From our experience we can boldly assert that the students, who used to be branded as anti-social and averse to physical work and, who are supposed to be oblivious of their social obligation, could be used as instruments of social transformation through schemes like N. S. S. The introduction of N. S. S. has taught our boys and girls the dignity of labour, to love their Alma Mater, to give up white-collar mentality and identify themselves with their co-villagers. It has instilled into their mind the desire to work among the villagefolk for their betterment. They now realise that they are not an isolated phenomenon, but an integral part of the community and they must work for communal harmony and social advancement. If N. S. S. could be pursued in right earnest in the years to come, we are sure, it would help our young boys and girls to be worthy citizens of our great country.

**Other Extra-curricular activities—**

The Students' Union is the nerve-centre of all extra-curricular activities. Under the auspices of the Students' Union, the sectional secretaries organised functions, debates and sports events on various occasions. Introduction of cricket for the first time has created a sensation among the sports-loving section of the students and more and more boys are learning the game with avid interest. This year our college teams participated in the inter-college youth festival organised at the Gauhati University campus and in the inter-college football tournament in Abhayapuri college.

A number of dignitaries visited our college during the year on different occasions and gave valuable talks. Of them mention may be made of Principal B. N. Bordoloi of Rangia college, Prof Anandeswar Sarma, Rtd Principal, Cotton college, Prof Kamaleswar Sarma, Inspector of Schools, Kamrup, Prof Bimalendu

Mohanty, Deputy Programme Adviser, N. S. S., Govt. of India and his gracious wife Mrs Mahanty, Sri A. Aich, Youth Officer, N. S. S. for North-Eastern India, Sri B. Baruah, Director of Sports, Assam, Sri Bhupen Das, Director of Students' Welfare, Gauhati University and Sri S. C. Goswami, Ex-Minister for Education, Assam. Their august presence and discourses highly inspired our students.

**Management—**

There was no Governing Body of the college after the supersession of the Governing Bodies of all the colleges in the state in Nov/76. The G. B. of the college was reconstituted with effect from Aug. 3rd/77 with the following persons—

| | | | |
|---|---|---|---|
| 1. | Srimati Narbada Choudhuri, Chief Executive counciller, Gauhati Mahkuma Parisad | | President |
| 2. | Sri J. C. Nath, Principal | | Secretary. |
| 3. | Sri A. K. Adhikary, B. A. | G. U. nominees | members |
| 4. | Sri Nabin Kalita, B. A. | G. U. nominees | members |
| 5. | Sri Janardan Sarma | Govt. Nominees | Do |
| 6. | Sri Kati Ram Rabha | Govt. Nominees | Do |
| 7. | Sri Akan Thakuria | Govt. Nominees | Do |
| 8. | B. D. O., Boko Dev. Block | Govt. Nominees | Do |
| 9. | Sri Jogendra Narayan Boro | Co-opted | Do |
| 10. | Sri Ismail Hussain | Co-opted | Do |
| 11. | Sri B. K. Dutta | Teachers' representatives. | |
| 12. | Sri D. N. Das | Teachers' representatives. | |

The present Governing Body represents all shades of opinion and almost all sections of the local people and includes persons who have experiences in social, cultural and educational fields. It is earnestly hoped that their wise counsel and guidance well help the college in its speedy deve-

lopment and onward march for progress.

In conclusion I would appeal to both the teachers and the students to extend their whole-hearted co-operation in smooth management of the college. It ought to be our joint endeavour to make it an ideal college worth its name. Teachers are supposed to be the repositories of knowledge and torch-bearers of progress. They are looked upon as instruments of social change. As such, we teachers should be aware of the responsibilities entrusted to us by society and should live up to its expectation. As teachers we must possess integrity. We must bear in mind that our students look upon us as their model. Failure to act up to the expectation of the people will bring disrepute not only to the institution, but also to the teaching community as a whole.

I have nothing but praise for my beloved students for the exemplary discipline, co-operation and understanding shown by them during the period under review. My only hope is that they will continue to extend their ungrudging co-operation and sympathy in our joint endevour of making our institution a glorious one.

—×—



*Bishay Rabha*
**Best Athlete**
**For 1976-77.**



*Miss Sarala Rabha*
**Best Lady Athlete**
**For 1976-77.**



*Bharat Chaudhury*
**Best Cadet**
**of the N.S.S. Camp at**
**Nagarbera B.P. Chaliha College**
*(1976–77)*



*Dhiren Kalita*
**Best Singer**
**For 1976-77.**

# ছোৱালীৰ খেল-ধেমালি প্ৰতিযোগিতাৰ ফল
# ১৯৭৬-৭৭ ইং

**(ক) ১০০ মিটাৰ দৌৰ**

১ম : সবলা ৰাভা

২য় : ধন্যৱন্তী কছাৰী

**(খ) ২০০ মিটাৰ দৌৰ**

১ম : ধন্যৱন্তী কছাৰী

২য় : সবলা ৰাভা

**(গ) ডিচ্কাচ্ থ্ৰো**

১ম : ৰমিলা বড়ো

২য় : সবলা ৰাভা

**(ঘ) জেভেলিন থ্ৰো**

১ম : হিৰন্ময়ী শৰ্মা

২য় : ৰমিলা বড়ো

**(ঙ) শ্বট্ পুট্**

১ম : হিৰন্ময়ী শৰ্মা

২য় : সবলা ৰাভা

**(চ) লং জাম্প**

১ম : সবলা ৰাভা

১ম : ধন্যৱন্তী কছাৰী

২য় : ৰমিলা বড়ো

**(ছ) হাইগু হিট্**

১ম : { মঞ্জুলা দাস
নীলিমা গোস্বামী

**(জ) ৰিলেৰেচ্ ৪×১০০ মিটাৰ**

বিজয়ী প্ৰাঃ বিঃ ১ম বাৰ্ষিক

তিলোত্তমা দাস

ৰমিলা বড়ো

নীলিমা গোস্বামী

জাহানাৰা বেগম

**(ঝ) সমাজ-সেৱা প্ৰতিযোগিতাৰ ফল (ছোৱালী)**

১ম : হিৰন্ময়ী শৰ্মা

২য় : সাবিত্ৰী চক্ৰৱৰ্তী

ৰমিলা বড়ো

**(ঞ) সমাজ-সেৱা প্ৰতিযোগিতাৰ ফল**

(এন্, এচ্, এচ্,)

১ম : হিৰন্ময়ী শৰ্মা

## বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ (ছোৱালী)
## সবলা ৰাভা

# সাংস্কৃতিক প্ৰতিযোগিতাৰ ফল - ১৯৭৬-৭৭ ইং

**আধুনিক গীত**

১ম : শ্ৰীভাৰত চৌধুৰী
২য় : শ্ৰীলৱন কলিতা

**বৰগীত**

১ম : শ্ৰীখনীন্দ্ৰ ৰাভা
২য় : শ্ৰীদীনেশ পাঠক

**কামৰূপীয়া লোকগীত**

১ম : শ্ৰীধীৰেন কলিতা
২য় : শ্ৰীদীনেশ পাঠক
২য় : শ্ৰীগোবিন্দ বড়ো

**ভজন**

১ম : শ্ৰীধীৰেন কলিতা
২য় : শ্ৰীদীনেশ পাঠক

**গোৱালপৰীয়া লোকগীত**

১ম : শ্ৰীহিৰন্ময়ী শৰ্মা
২য় : শ্ৰীদীনেশ পাঠক

**ৰাভাগীত**

১ম : শ্ৰীখনীন্দ্ৰ ৰাভা
২য় : শ্ৰীতিথিৰাম ৰাভা

**বনগীত**

১ম : শ্ৰীধীৰেন কলিতা
২য় : শ্ৰীভাৰত চৌধুৰী

**বড়োগীত**

১ম : শ্ৰীধীৰেন কলিতা
২য় : শ্ৰীৰবিশংকৰ দৈমাৰী

**আবৃত্তি**

১ম : শ্ৰীপ্ৰদীপ দাস
২য় : শ্ৰীধ্ৰুৱজ্যোতি চৌধুৰী

**বিহুগীত**

১ম : শ্ৰীধীৰেন কলিতা
২য় : শ্ৰীধ্ৰুৱজ্যোতি চৌধুৰী

**কৌতুক অভিনয়**

১ম : শ্ৰীধ্ৰুৱজ্যোতি চৌধুৰী
২য় : শ্ৰীলৱন কলিতা

**হিন্দীগীত**

১ম : শ্ৰীভবেন ঠাকুৰীয়া
২য় : শ্ৰীৰবিশংকৰ দৈমাৰী

**তৰ্ক**

১ম : শ্ৰীবনমালী দাস
২য় : শ্ৰীলৱন কলিতা

**আকস্মিক বক্তৃতা**

১ম : শ্ৰীভাৰত চৌধুৰী
২য় : শ্ৰীহংসধৰ দৈমাৰী

**কুইজ বিজয়ী দল**

শ্ৰীধ্ৰুৱজ্যোতি চৌধুৰী
শ্ৰীনিগমানন্দ অধিকাৰী
শ্ৰীপ্ৰদীপ দাস
শ্ৰীব্ৰজেন তালুকদাৰ
শ্ৰীবনমালী দাস
শ্ৰীধীৰেন চৌধুৰী

**শ্ৰেষ্ঠ সংগীত শিল্পী**

**শ্ৰীধীৰেন কলিতা**

# Members on the Teaching-Staff.

1. Jatindra Chandra Nath, M. A., Principal.
2. Basanta Kumar Dutta, M. A.
3. Sarat Chandra Talukdar, M. A.
4. Madan Chandra Kakati, M. A.
5. Dharma Kanta Barua, M. A.
6. Dinesh Chandra Sarma, M. A.
7. Debendra Nath Sarma, M. A.
8. Kamini Mohan Sarma, M. A.
9. Dwijendra Nath Das, M. A.
10. Dilip Kumar Das, M. A.
11. Mrigendra Kumar Sarma, M. A.
12. Lakshmi Kanta Sarma, M. A.
13. Md. Mozibar Rahman, M. A.
14. Miss Nijara Das, M. A.
15. Akan Chandra Patowary, M. A.

# The office-Staff.

1. Gautam Rabha, B. A., Librarian.
2. Kanak Chandra Das, O/A
3. Radha Charan Medhi, O/A
4. Sarbeswar Das, Grade IV employee
5. Mahesh Das, do
6. Prafulla Rabha. do

):;(